अनेक वर्षों
श्रीप्रभुकवरी



No Ass – 1109
16-37

MANGALDAI COLLEGE
LIBRARY

MANGALDAI COLLEGE
LIBRARY
Accession No 6/637A
Class No 891.2
Book No .... NEO

No Ass—1109
16-37

ভাৰত আদি নাট্য-পণ্ডিত-সকলৰ শাস্ত্রসমূহ বিচাৰ কৰি শুভঙ্কৰ কবিয়ে এই হস্তশাস্ত্র ৰচনা কৰিলে, যিখনিয়ে এম্যাহৰ ভিতৰতে নৃত্যবিদ্যার্থীক হস্ত-কর্ম্মত নিপুণ কৰাব প্রতিজ্ঞা কৰিছে। বর্ত্তমান সংস্কৰণত অসমৰ কোনো পণ্ডিতে ৰচনা কৰা শ্রীহস্তমুক্তাৱলীৰ ছায়ানুৰাদো সন্নিৰিষ্ট হৈছে। সমগ্র পুথিখনি সম্পাদন কৰিছে গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ অধ্যাপক ডক্টৰ মহেশ্বৰ নেওগে।

MANGALDAI COLLEGE LIBRARY

MANGALDAI COLLEGE
LIBRARY
Accession No ... G1637A
Class No ... 891.2
Book No ... NEO

সাহিত্য-গ্রন্থমালা—১৪

॥ শ্রীহস্তমুক্তাৱলী ॥

॥ শুভঙ্কৰ কবি-বিৰচিত ॥

॥ প্রাচীন অসমীয়া ছায়ানুবাদ-সম্বলিত ॥

॥ ডক্টৰ মহেশ্বৰ নেওগ-সম্পাদিত ॥

॥ প্রথম সংস্কৰণ ১৯৬৫ ॥

G1637A
MANGALDAI COLLEGE CENTRAL LIBRARY

॥ প্রকাশন পৰিষদ, অসম ॥

ŚRĪHASTAMUKTĀVALĪ, the original Sanskrit text on the *abhinaya* of hands, written by Śubhaṅkara Kavi, with an Old Assamese gloss-cum-rendering by some unknown writer, edited with a critical Introduction by Dr. Maheswar Neog of Gauhati University, published by Shri Biswanarayan Shastri, Secretary, Publication Board, Assam, Gauhati, edition 1, 1964.

প্রকাশক :
শ্রীবিশ্বনাৰায়ণ শাস্ত্রী, এম্. এ
সচিব, প্রকাশন পৰিষদ
গুৱাহাটী

মূল্য : ১২·০০ বাৰ টকা

মুদ্রক :
শ্রীসুব্রত ভট্টাচার্য
শ্রীভূমি প্রেছ
৭৭, ধৰমতলা ষ্ট্রীট
কলিকতা-১৩

।। প্রকাশকৰ আগকথা ।।

আঙ্গিকং ভুৱনং যস্ত ৱাচিকং সর্ৱৱাঙ্ময়ম্।
আহার্যং চন্দ্রতাৱাদি তং নুমঃ সাত্ত্বিকং শিৱম্॥

সমগ্র ভুৱন যাৰ আঙ্গিক, সকলো ৱাঙ্ময় যাৰ ৱাচিক, চন্দ্র, তৱা আদি যাৰ আহার্য্য (ৱেশ-ভূষা আদি), সেই সাত্ত্বিক শিৱক নমস্কাৰ কৰোঁ।

ৱাঙ্ময়ৰ যোগেদি মনোভাৱ প্রকাশ হয় ; অঙ্গ-প্রত্যঙ্গ-ৱিক্ষেপৰ দ্ৱাৰাও মনোভাৱ প্রকাশ হয়। ৱাঙ্ময়ৰ যোগেদি মনোভাৱ যিমান প্রকাশ কৰিব পাৰি, সিমানে গোপনো কৰিব পাৰি। কোনো সময়ত আকৌ মনোভাৱ ইমান ৱিশাল, ইমান গভীৰ আৰু ইমান সূক্ষ্ম হয় যে কথাৰে সেইবোৰ সম্পূর্ণৰূপে প্রকাশ নহয়। ইফালে ৱাঙ্ময়ৰ সঙ্কেতৰ ৱিভিন্নতাৰ ৱাৰে অনেক সময়ত কথাৰে প্রকাশ কৰা এজনৰ মনোভাৱ আনজনৰ মর্ম্ম-গহনত প্রৱেশ নকৰেগৈ। শৰীৰৰ অঙ্গ-প্রত্যঙ্গৰ যোগেদি প্রকাশ হোৱা ভাষা সার্ৱজনীন, সর্ৱগামী। সকলোৰে মনোমুকুৰত একে সমানে প্রতিফলিত হয়। সেইফালৰপৰা চালে ই সকলো ৱ্যৱধান, সকলো পার্থক্য, সকলো অস্পষ্টতা দূৰ কৰে।

শৰীৰৰ অঙ্গ-প্রত্যঙ্গ-ৱিক্ষেপাত্মক মূক ভাষাৰ নাম নটন। নটন ত্রিধা-ৱিভক্ত—নাট্য, নৃত্য আৰু নৃত্ত।

অভিনয়েই নাট্য। নাট্য আঙ্গিক, ৱাচিক, আহার্য্য আৰু সাত্ত্বিক, এই চাৰিৱিধ ক্রিয়াৰ যোগেদি নিষ্পন্ন হয়। আনহাতে ভাৱ আৰু অভিনয়হীন নটনকে নৃত্ত ৱোলা হয়। ৱস-ৱ্যঞ্জনা আৰু ভাৱ-ৱ্যঞ্জনা-যুক্ত নটনেই নৃত্য। অৱশ্যে এই ৱিষয়ে মতভেদ যথেষ্ট আছে। নাট্যেৰে সৈতে নৃত্ত আৰু নৃত্যৰ সিমান সাঙ্কর্য্য নাই যদিও নৃত্ত আৰু নৃত্যৰ স্ৱৰূপ লৈ, আকৌ নাট্যস্থ নটনৰ স্ৱৰূপ লৈ

প্রাচীন আচার্য্যসকলৰ বেলেগ বেলেগ মত আছে। সাধাৱণতে নৃত্য মার্গ নামে আৰু নৃত্ত দেশী নামে প্রসিদ্ধ।

নটনৰ সময়ত হস্ত-পাদ আদিৰ সঞ্চালন হয়। হাতৰ বিবিধ ভঙ্গিমাক হস্ত, হস্তকর্ম্ম, বা সাধাৱণ ভাষাত মুদ্রা বোলা হয়। মুদ্রা শব্দৰ সাধাৱণ অর্থ কোৱক বা কলিকা; পাৰিভাষিক অর্থ হস্তভঙ্গী। ব্যুৎপত্তিগত অর্থ আনন্দ-দান। পূজা-অর্চ্চনাতো মুদ্রাৰ ব্যৱহাৰ হয়। ব্যৱহাৰত পার্থক্য আছে যদিও স্বৰূপত এই দুয়োবিধ হস্তৰ ভিতৰত স্বৰূপার্থত অকণো প্রভেদ নাই। সামাজিকৰ প্রতি হস্তভঙ্গীৰ যোগেদি মনোভাৱ প্রকাশ কৰাৰ দৰে, দেৱতাৰ প্রীতিৰ অর্থেও মুদ্রাৰ যোগেদি মনোভাৱ প্রকাশ কৰা হয়। দেৱতাৰ সন্তুষ্টি-সাধনৰ অর্থে ভক্তই মুদ্রাৰে আত্মসমর্পণ কৰে।

নৃত্ত-নৃত্য-নাট্যৰ তিনিটা সম্প্রদায় আছিল বুলি জনা যায়—(১) নন্দিকেশ্বৰ-সম্প্রদায়, (২) ভৰত-সম্প্রদায়, (৩) কোহল-মতঙ্গ-সম্প্রদায়। ইয়াৰ ভিতৰত ভৰত-সম্প্রদায়ে নাট্যৰ ওপৰত গুৰুত্ব আৰোপ কৰি অভিনয়স্থ নৃত্যকহে প্রাধান্য দিলে। মহর্ষি ভৰতে সেই বাবেই হ'বলা বচনবিহীন কেৱল আঙ্গিক অভিনয়ক অধম পাত্রৰ উপযোগী বুলি অলপ বক্রোক্তি কৰিছে। তেওঁৰ মতে নাট্যস্থ নৃত্যহে নৃত্যৰ গৰিমাত প্রতিষ্ঠিত।

উক্ত তিনি সম্প্রদায়ৰ ভিতৰত নন্দিকেশ্বৰ-সম্প্রদায় আৰু ভৰত-সম্প্রদায়ে বিশেষ প্রসিদ্ধি লাভ কৰিছিল। নন্দিকেশ্বৰ-সম্প্রদায়ৰ অঙ্গাভিনয়-পদ্ধতিৰ বিশদ বিৱৰণ থকা গ্রন্থ আছিল যদিও এতিয়া পোৱা নাযায়, নন্দিকেশ্বৰ-প্রণীত বুলি প্রসিদ্ধ অভিনয়-দর্পণত নন্দিকেশ্বৰ-সম্প্রদায়ৰ অঙ্গাভিনয় বা নটনৰ সংক্ষিপ্ত বিৱৰণ আছে। ভৰত-সম্প্রদায়ৰ মহর্ষি ভৰতৰ নামত প্রচলিত নাট্যশাস্ত্রত আৰু সেই সম্প্রদায়ৰ শার্ঙ্গদেৱৰ সঙ্গীত-ৰত্নাকৰত অঙ্গাভিনয়ৰ বিৱৰণ পোৱা যায়।

অঙ্গ, প্রত্যঙ্গ আৰু উপাঙ্গৰ সঞ্চালনত অঙ্গাভিনয় হয়। নন্দিকেশ্বৰৰ মতে অঙ্গাভিনয়ত মূৰ, ভৰি আৰু হাত এই তিনিবিধ অঙ্গৰ সঞ্চালন হয়, প্রত্যঙ্গ গ্রীৱাৰ আৰু উপাঙ্গ দৃষ্টিৰ (চকু) সঞ্চালন হয়। ইয়াৰ লগতে বিবিধ গতি আৰু নানাপ্রকাৰ অৱস্থান-ভঙ্গীও অঙ্গাভিনয়ৰ ভিতৰত পৰে।

শিৰঃকর্ম্ম, দৃষ্টিসঞ্চালন, গ্রীৱা-ভঙ্গী, হস্তকর্ম্ম আৰু পাদভেদৰ স্বৰূপ আৰু সংখ্যাৰ বিষয়ত নন্দিকেশ্বৰ-সম্প্রদায়ৰ প্রসিদ্ধ গ্রন্থ অভিনয়দর্পণেৰে সৈতে নাট্যশাস্ত্র আৰু সঙ্গীত ৰত্নাকৰৰ প্রভেদ আছে। তত্ত্বজিজ্ঞাসু কলাৱসিকসকলে গ্রন্থৰ ভূমিকাৰপৰা তিনিও সম্প্রদায়ৰ ঐক্য আৰু অনৈক্যৰ বিষয়ে জানিব পাৰিব; গতিকে আলোচনা নকৰি উল্লেখহে কৰিলোঁ।

শ্রীহস্তমুক্তাৱলীৰ সম্প্রদায়-ভুক্তি, ৰচনা-কাল আদি সম্বন্ধে সম্পাদক ডক্টৰ নেওগে বহলাই আলোচনা কৰিছে, গতিকে তাৰ পুনৰুক্তিৰ প্রয়োজন নাই। সংস্কৃত মূল আৰু পুৰণি অসমীয়া ভাঙনিয়ে সৈতে শ্রীহস্তমুক্তাৱলীও ডক্টৰ নেওগে যতনেৰে সম্পাদনা কৰি উলিয়াইছে। নৃত্য-বিষয়ক এনে এখন পুৰণি গ্রন্থৰ প্রকাশে এফালে নৃত্য-গীত-পৰায়ণ 'কুষিণৰ-মহত্তৰ' কলাকুশলসকলক তাহানি আকৃষ্ট কৰাৰ দৰে এতিয়াও 'কামৰূপ-মহত্তৰ' কলা-কুশলসকলক নিশ্চয় পথ প্রদর্শন কৰিব আৰু আনফালে নৃত্য-গীত-চর্চ্চাৰ বিষয়ত অসমৰ প্রাচীন ঐতিহ্য আৰু পৰম্পৰাৰো সন্ধান দিব।

প্রকাশন পৰিষদে এই উদ্দেশ্য আগত ৰাখিয়েই গ্রন্থখন ৰাইজৰ আগলৈ সজাই-পৰাই উলিয়াইছে। আশা কৰোঁ গ্রন্থখনিয়ে কলামোদীসকলৰ সমাদৰ পাব।

গুৱাহাটী
১ মে ১৯৬৪

শ্রীবিশ্বনাৰায়ণ শাস্ত্রী
সচিব, প্রকাশন পৰিষদ

যত্নাৎ সঙ্গীতশাস্ত্রাণি ত্রিলোক্য নিখিলান্যপি।
বচিতাং ভাৰতীমেতামাদ্রিয়ন্তু ত্রিচক্ষণাঃ॥

॥ কৃতজ্ঞতাজ্ঞাপন ॥

শুভঙ্কৰ কবিৰ শ্রীহস্তমুক্তাৱলীৰ দৰে এখনি দুর্ম্মূল্য গ্রন্থ আৰু বিশেষকৈ তাৰ সুন্দৰ অসমীয়া অনুবাদটি আন্ধাৰত পৰি থকা দেখিব নোৱাৰি স্বর্গীয় কালিৰাম মেধি ডাঙৰীয়াৰ হাতত থকা প্রতিলিপিটি আনি প্রকাশ কৰিবৰ বাবে নানা যত্ন কৰি আছিলো বহুত দিনৰপৰা। ১৯৪১-৪৩ ছনত ইংৰাজী অনুবাদেৰে পুথিখনিৰ পোনৰ ১৩২টি শ্লোক Journal of Assam Research Society(Vols. VIII—X)-ত প্রকাশ কৰোঁতা মোৰ শিক্ষাগুৰু শ্রীদিৱাকৰ গোস্বামী আৰু স্বর্গীয় শ্রীনাথ চক্রৱর্ত্তীদেৱৰপৰা এই বিষয়ত সম্মতি আৰু আশীর্ব্বাদ লাভ কৰোঁ। আমি ৰামধেনু পত্রিকাৰ সম্পাদক থকা কালত তাৰ তৃতীয়-চতুর্থ বছৰত প্রাচীন অসমীয়া অনুবাদ সহ মূল শ্লোকৰ আধাখিনি সেই পত্রিকাত সম্পাদন কৰি উলিয়াওঁ। মাদ্রাজ বিশ্ববিদ্যালয়ৰ অধ্যাপক ডক্টৰ ৰেঙ্কট ৰাঘৱনৰ উদ্যোগত পুথিখনিৰ সমস্ত মূল সংস্কৃত পাঠ এখন দীঘলীয়া পাতনিৰে Journal of the Music Academy, Madras-অত ক্রমিকভাৱে ছপা হৈ ওলায়। স্বর্গীয় কালিৰাম মেধি আৰু শ্রীনাথ চক্রৱর্ত্তী, এই দুয়োজনাৰ আশীর্ব্বাদপূর্ণ সাহায্য স্মৰণ কৰি শ্রদ্ধা তর্পণ কৰিলো। অধ্যাপক শ্রীদিৱাকৰ গোস্বামী মহোদয়ৰ কাষত আৰু নানা উৎসাহনৰ বাবে ডক্টৰ ৰাঘৱনৰ ওচৰত সম্পাদক কৃতজ্ঞ থাকিল। ইমানদিনে বুকুত বান্ধি লৈ ফুৰা দেশৰ এই অমূল্য সম্পদটি কলাৰসিকসকলৰ সমাজলৈ নিজা প্রকাশন-ৰূপে আগ বঢ়াবলৈ গাঁত লোৱা বাবে অসম প্রকাশন পৰিষদৰ আমি নিতান্ত ঋণী। পৰিষদৰ সভাপতি অসমৰ কলা-কাব্য-ৰস-পিপাসু শিক্ষামন্ত্রী শ্রীদেৱকান্ত বৰুৱা ডাঙৰীয়াৰ হকে যেন শ্রীহস্তমুক্তাৱলীয়ে কওক ঃ

নীতির্ৰাৱিৱিলাসিনীৱ সততং ৱক্ষঃস্থলে সংস্থিতা
ৱক্ত্রং চুম্বতু মন্ত্রিনামহৱহঃ সম্মোদপূর্ণাননা॥

আমাৰ সপ্রীতি ধন্যবাদ পৰিষদৰ সচিব শ্রীবিশ্বনাৰায়ণ শাস্ত্রীদেৱৰ প্রাপ্য কেৱল প্রকাশন-উদ্যোগৰ নিমিত্তেই নহয়, নানা সজ পৰামর্শদানৰ বাবেও।

মূল পুথিৰ পাঠ-সমীক্ষণৰ বিষয়ত অধ্যাপক শ্রীৰজনীকান্ত দেৱ শর্ম্মা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ গ্রন্থাগাৰিক শ্রীযোগেশ্বৰ শর্ম্মা, সমীক্ষামূলক ভূমিকাৰ সম্বল-সংগ্রহৰ বিষয়ত অন্ধ্রৰনেল্লুৰৰ শ্রীনে. কৃষ্ণমূর্ত্তি, কলিকতাৰ শ্রীকালীচৰণ পালৰ সাহায্য স্মৰণত ৰ'ব। বর্ত্তমান ভূমিকাটি নানা ৰূপত কাশীৰপৰা

ওলোৱা Dr. S. K. Belvalkar Commemoration Volume আৰু মাদ্ৰাজৰ Journal of the Music Academy-ত প্ৰকাশিত হৈছিল আৰু নতুন দিল্লীৰ ৰাষ্ট্ৰীয় সঙ্গীত নাটক অকাদমীৰ আলোচনা-সত্ৰত পঠিত হৈছিল। এইসকল অনুষ্ঠানলৈও ধন্যবাদ আগ বঢ়াইছো। বিভিন্ন সময়ত পুনৰ্লেখন-কাৰ্য্যত সহায় দিয়াসকলৰ নামো কৃতজ্ঞতাৰে ল'লো—শ্ৰীমিহিৰকুমাৰ বৰুৱা, ৰাজেন্দ্ৰনাথ হাজৰিকা, ফটিকচন্দ্ৰ বৈৰাগী, শিৱপ্ৰসাদ ৰাজখোৱা, পৰেশচন্দ্ৰ শৰ্ম্মা, ভৱপ্ৰসাদ চলিহা, সুৰেন্দ্ৰনাথ ভাগৱতী। প্ৰুফ-শুধৰণিৰ কামত সহায় কৰি শ্ৰীকেশৱ মহন্ত, শিৱপ্ৰসাদ ৰাজখোৱা আমাৰ শলাগৰ ভাগী হৈছে।

সৰ্ব্বশেষত হস্ত-সমূহৰ চিত্ৰাৱলী-গ্ৰহণত সহায় কৰা বাবে শ্ৰীচাৰু বৰদলৈ, শ্ৰীমতী গৰিমা হাজৰিকা, কুমাৰী অৰুণা চাংকাকতী আৰু শ্ৰীমতী পূৰৱী কামাথলৈ শলাগ।

প্ৰচ্ছদপটৰ চিত্ৰৰ বাবে মোৰ নতুন দিল্লীস্থ বন্ধু শ্ৰীগোৰিন্দ বিদ্যাৰ্থীৰ ওচৰত মই ধৰুৱা। এই চিত্ৰটিৰ বিষয় হ'ল ভৰতৰ নাট্যশাস্ত্ৰত বৰ্ণিত এশ আঠটি কৰণৰ এটি। মূল আলোকচিত্ৰটি গৃহীত হৈছে দক্ষিণৰ চিদম্বৰমৰ নটৰাজ মন্দিৰৰ গোপুৰমৰপৰা।

গুৱাহাটী বিশ্ববিদ্যালয়
শেক্‌ছপীয়েৰ-জন্ম-চতুঃশতবাৰ্ষিকী
২৩ এপ্ৰিল ১৯৬৪

মহেশ্বৰ নেওগ

॥ সূচী ॥

প্ৰকাশকৰ আগকথা ... ... ·০৩
কৃতজ্ঞতাজ্ঞাপন ... ... ·০৭

ভূমিকা

প্ৰাচীন ভাৰতীয় নৃত্য-সাহিত্য ... ... ·১৭
শুভঙ্কৰ কবিৰ হস্তমুক্তাৱলী আৰু তাৰ মূল্যায়ন ... ·২৫
হস্তমুক্তাৱলীৰ পাণ্ডুলিপি ... ... ·২৫
হস্তমুক্তাৱলীৰ গুৰুত্ব ... ... ·২৯
শুভঙ্কৰ কবিৰ সঙ্গীত-দামোদৰ ... ... ·৩১
শুভঙ্কৰৰ পৰিচয় ... ... ·৩৩
শুভঙ্কৰৰ কাল ... ... ·৩৭
হস্তমুক্তাৱলীৰ বিষয়-প্ৰস্তাৰ ... ... ·৪০
অসংযুত হস্ত ... ... ·৪১
সংযুত হস্ত ... ... ·৪৭
নৃত্তহস্ত ... ... ·৫১
বিনিয়োগ আৰু বৈশিষ্ট ... ... ·৫৬

শ্ৰীহস্তমুক্তাৱলী

আশীৰ্ব্বচন, বস্তু-নিৰ্দ্দেশ ১
অসংযুত, সংযুত আৰু নৃত্তহস্ত ৫
অসংযুত হস্তৰ লেখা ৫
সংযুত হস্তৰ লেখা ৬
নৃত্তহস্তৰ লেখা ৭
অসংযুত হস্তৰ লক্ষণ ৯
১. পতাক ৯
২. পদ্মকোষ ৯
৩. হংসমুখ ৯
৪. কৰ্ত্তৰীমুখ ১০
৫. অলপদ্ম ১০
৬. ত্ৰিপতাক ১০

৭. মুষ্টিক ১১
৮. শিখৰ ১১
৯. অর্দ্ধচন্দ্র ১১
১০. সর্পশিৰা ১২
১১. সূচীমুখ ১২
১২. খটকামুখ ১২
১৩. অৱাল ১২
১৪. শুকতুণ্ড ১৩
১৫. সন্দংশ ১৩
১৬. কাঙ্গুল ১৩
১৭. ঊর্ণনাভ ১৩
১৮. কপিথ ১৪
১৯. মৃগশীর্ষ ১৪
২০. হংসপক্ষ ১৪
২১. তাম্রচূড় ১৪
২২. চতুৰ ১৫
২৩. মুকুল ১৫
২৪. ভ্রমৰ, চলন্ত মধুকৰ ১৫
২৫. কদম্ব ১৫
২৬. কৃষ্ণসাৱমুখ ১৬
২৭. ঘ্রোণিক ১৬
২৮. সিংহাস্য ১৬
২৯. অঙ্কুশ ১৬
৩০. তন্ত্রীমুখ ১৬

সংযুত হস্তৰ লক্ষণ

১. গজদন্ত ১৭
২. কপোত ১৭
৩. বর্দ্ধমান ১৭
৪. অঞ্জলি ১৭

৫. নিষধ ১৮
৬. কর্কট ১৮
৭. উৎসঙ্গ ১৮
৮. অৱহিথ ১৮
৯. স্বস্তিক ১৯
১০. মকৰ ১৮
১১. দোল ১৯
১২. পুষ্পপুট ১৯
১৩. মৱাল ১৯
১৪. খটকাবর্দ্ধমান ২০

নৃত্তহস্ত ২০

অসংযুত হস্তৰ বিষয় আৰু বিষয়-লক্ষণ

১. পতাক হস্তৰ বিষয় ২১
পতাক হস্তৰ বিষয়-লক্ষণ ২৬
২. পদ্মকোষ হস্তৰ বিষয় ৪৭
পদ্মকোষ হস্তৰ বিষয়-লক্ষণ ৪৮
৩. হংসাস্য হস্তৰ বিষয় ৫০
হংসাস্য হস্তৰ বিষয়-লক্ষণ ৫২
৪. কর্ত্তৰীমুখ হস্তৰ বিষয় ৫৭
কর্ত্তৰীমুখ হস্তৰ বিষয়-লক্ষণ ৫৯
৫. অলপদ্ম হস্তৰ বিষয় ৬৭
অলপদ্ম হস্তৰ বিষয়-লক্ষণ ৬৮
৬. ত্রিপতাক হস্তৰ বিষয় ৬৯
ত্রিপতাক হস্তৰ বিষয়-লক্ষণ ৭১
৭. মুষ্টিক হস্তৰ বিষয় ৮০
মুষ্টিক হস্তৰ বিষয়-লক্ষণ ৮২
৮. শিখৰ হস্তৰ বিষয় ৮৬
শিখৰ হস্তৰ বিষয়-লক্ষণ ৮৭
৯. অর্দ্ধচন্দ্র হস্তৰ বিষয় ৯০
অর্দ্ধচন্দ্র হস্তৰ বিষয়-লক্ষণ ৯১

১০. সর্পশিৱা হস্তৰ বিষয় ৯৫
সর্পশিৱা হস্তৰ বিষয়-লক্ষণ ৯৬
১১. সূচীমুখ হস্তৰ বিষয় ৯৮
সূচীমুখ হস্তৰ বিষয়-লক্ষণ ১০১
১২. খটকামুখ হস্তৰ বিষয় ১০৭
খটকামুখ হস্তৰ বিষয়-লক্ষণ ১০৯
১৩. অৱাল হস্তৰ বিষয় ১১৩
অৱাল হস্তৰ বিষয়-লক্ষণ ১১৫
১৪. শুকতুণ্ড হস্তৰ বিষয় ১২০
শুকতুণ্ড হস্তৰ বিষয়-লক্ষণ ১২১
১৫. সন্দংশ হস্তৰ বিষয় ১২৩
সন্দংশ হস্তৰ বিষয়-লক্ষণ ১২৮
১৬. কাঙ্গুল হস্তৰ বিষয় ১৩৭
কাঙ্গুল হস্তৰ বিষয়-লক্ষণ ১৩৯
১৭. ঊর্ণনাভ হস্তৰ বিষয় ১৪২
ঊর্ণনাভ হস্তৰ বিষয়-লক্ষণ ১৪২
১৮. কপিত্থ হস্তৰ বিষয় ১৪৬
কপিত্থ হস্তৰ বিষয়-লক্ষণ ১৪৭
১৯. মৃগশীর্ষ হস্তৰ বিষয় ১৪৯
মৃগশীর্ষ হস্তৰ বিষয়-লক্ষণ ১৫১
২০. হংসপক্ষ হস্তৰ বিষয় ১৫৫
হংসপক্ষ হস্তৰ বিষয়-লক্ষণ ১৫৬
২১. তাম্রচূড় হস্তৰ বিষয় ১৫৯
তাম্রচূড় হস্তৰ বিষয়-লক্ষণ ১৬০
২২. চতুৰ হস্তৰ বিষয় ১৬২
চতুৰ হস্তৰ বিষয়-লক্ষণ ১৬৫
২৩. মুকুল হস্তৰ বিষয় ১৭১
মুকুল হস্তৰ বিষয়-লক্ষণ ১৭৩
২৪. ভ্রমৰ হস্তৰ বিষয় ১৭৬
ভ্রমৰ হস্তৰ বিষয়-লক্ষণ ১৭৭

২৫. কদম্ব হস্তৰ বিষয় ১৭৮
কদম্ব হস্তৰ বিষয়-লক্ষণ ১৭৯
২৬. কৃষ্ণসাৱমুখ হস্তৰ বিষয় ১৮১
কৃষ্ণসাৱমুখ হস্তৰ বিষয়-লক্ষণ ১৮২
২৭. ঘ্রোণিক হস্তৰ বিষয় ১৮৪
ঘ্রোণিক হস্তৰ বিষয়-লক্ষণ ১৮৪
২৮. সিংহাস্য হস্তৰ বিষয় ১৮৫
সিংহাস্য হস্তৰ বিষয়-লক্ষণ ১৮৫
২৯. অঙ্কুশ হস্তৰ বিষয় ১৮৬
অঙ্কুশ হস্তৰ বিষয়-লক্ষণ ১৮৭
৩০. তন্ত্রীমুখ হস্তৰ বিষয় ১৮৯
তন্ত্রীমুখ হস্তৰ বিষয়-লক্ষণ ১৯০

সংযুত হস্তৰ বিষয় আৰু বিষয়-লক্ষণ

১. গজদন্ত হস্তৰ বিষয় ১৯৩
গজদন্ত হস্তৰ বিষয়-লক্ষণ ১৯৩
২. কপোত হস্তৰ বিষয় ১৯৫
কপোত হস্তৰ বিষয়-লক্ষণ ১৯৫
৩. বর্দ্ধমান হস্তৰ বিষয় ১৯৭
বর্দ্ধমান হস্তৰ বিষয়-লক্ষণ ১৯৮
৪. অঞ্জলি হস্তৰ বিষয় ১৯৯
অঞ্জলি হস্তৰ বিষয়-লক্ষণ ১৯৯
৫. নিষধ হস্তৰ বিষয় ২০০
নিষধ হস্তৰ বিষয়-লক্ষণ ২০১
৬. কর্কট হস্তৰ বিষয় ২০২
কর্কট হস্তৰ বিষয়-লক্ষণ ২০৩
৭. উৎসঙ্গ হস্তৰ বিষয় ২০৫
উৎসঙ্গ হস্তৰ বিষয়-লক্ষণ ২০৬
৮. অৱহিত্থ হস্তৰ বিষয় ২০৭
অৱহিত্থ হস্তৰ বিষয়-লক্ষণ ২০৮

৯. স্বস্তিক হস্তৰ বিষয় ২০৯
স্বস্তিক হস্তৰ বিষয়-লক্ষণ ২১০
১০. মকৰ হস্তৰ বিষয় ২১২
মকৰ হস্তৰ বিষয়-লক্ষণ ২১২
১১. দোল হস্তৰ বিষয় ২১৩
দোল হস্তৰ বিষয়-লক্ষণ ২১৪
১২. পুষ্পপুট হস্তৰ বিষয় ২১৬
পুষ্পপুট হস্তৰ বিষয়-লক্ষণ ২১৭
১৩. মৱাল হস্তৰ বিষয় ২১৮
মৱাল হস্তৰ বিষয়-লক্ষণ ২১৯
১৪. খটকাবৰ্দ্ধমান হস্তৰ বিষয় ২২১
খটকাবৰ্দ্ধমান হস্তৰ বিষয়-লক্ষণ ২২২
অভিনয়ত বিশেষ মন কৰিব লগীয়া ২২৪
নৃত্তহস্ত ২২৬
নৃত্তহস্তবোৰৰ নাম ২২৬
১. কেশবন্ধ হস্ত ২২৭
২. নিতম্ব হস্ত ২২৮
৩. ৱেচিত হস্ত ২২৮
৪. অৰ্দ্ধৱেচিত হস্ত ২২৯
৫. চতুৰ হস্ত ২২৯
৬. উদ্বৃত্ত হস্ত ২২৯
৭. পল্লৱ হস্ত ২৩০
৮. পক্ষৱঞ্চিত হস্ত ২৩০
৯. লতানাম হস্ত ২৩০
১০. নতমুখ হস্ত ২৩১
১১. স্বস্তিক হস্ত ২৩১
১২. বিপ্রকীর্ণ হস্ত ২৩১
১৩. আৱিদ্ধৱক্ত্র হস্ত ২৩২
১৪. সূচ্যাস্য হস্ত ২৩২

১৫. অৰালখটকামুখ হস্ত ২৩২
১৬. বক্ষোমণ্ডলী হস্ত ২৩৩
১৭. উৰঃপার্শ্বার্দ্ধমণ্ডলী হস্ত ২৩৩
১৮. পার্শ্বমণ্ডলী হস্ত ২৩৩
১৯. ঊর্দ্ধমণ্ডলী হস্ত ২৩৪
২০. মুষ্টিকস্বস্তিক হস্ত ২৩৪
২১. পক্ষপ্রদ্যোতক হস্ত ২৩৪
২২. কৰিহস্ত ২৩৫
২৩. দণ্ডপক্ষ হস্ত ২৩৫
২৪. গৰুড়পক্ষ হস্ত ২৩৫
২৫. অলপদ্মোন্নত হস্ত ২৩৬
২৬. উত্তানৱেচিত হস্ত ২৩৬
২৭. নলিনীপদ্মকোষ হস্ত ২৩৬
আৰু যৎকিঞ্চিৎ ২৩৭
চিত্রাৱলী ২৪৩

॥ ভূমিকা ॥

॥ প্ৰাচীন ভাৰতীয় নৃত্য-সাহিত্য ॥

প্ৰাচীন ভাৰতীয় কলাৰ বুৰঞ্জীৰ আদি যুগৰপৰাই নাট্য-সাহিত্য আৰু অভিনয়ে যেনেকৈ গীত আৰু বাদ্যৰ ওপৰত নিৰ্ভৰ কৰি আহিছে, সিবোৰে তেনেকৈ সদায় নৃত্য-কলাৰ এটি উপাদানো গ্ৰহণ কৰিছে। নাট্য-কলাৰ মূল অঙ্গ হ'ল নাট্য বা অভিনয়। এই অভিনয়ৰ আকৌ চাৰিটি বহল ভাগ—অঙ্গ-প্ৰত্যঙ্গ-উপাঙ্গৰ দ্বাৰা নিদৰ্শিত আঙ্গিক অভিনয়, বাক্যৰ সহায়ত বাচিক অভিনয়, হাৰ কেয়ূৰ বেশ আদিৰে অলঙ্কৰণ-স্বৰূপ আহাৰ্য্য-অভিনয়, সাত্ত্বিক-ভাৱ-সমূহৰ দ্বাৰা ভাৱজ্ঞ পাত্ৰৰ দ্বাৰা বিভাৱিত সাত্ত্বিক অভিনয়। শিৰ, হস্ত, বক্ষোদেশ, পাৰ্শ্বদ্বয়, কটিতট আৰু পদদ্বয়—এই ছটাকে সাধাৰণতে অঙ্গ বুলি কোৱা হয়। নেত্ৰ, ভ্ৰূ, নাসিকা, অধৰ, কপোল আৰু চিবুক—এই ছটি হ'ল উপাঙ্গ। সঙ্গীত-ৰত্নাকৰৰ মতে গ্ৰীৱা, বাহুদ্বয়, পৃষ্ঠ, উদৰ, উৰুদ্বয় আৰু জঙ্ঘাদ্বয়—এই ছটি হ'ল প্ৰত্যঙ্গ। আঙ্গিক অভিনয়ত এই অঙ্গ-প্ৰত্যঙ্গ-উপাঙ্গৰ সুকুমাৰ চালনাৰে বিশেষ ভাৱ-অনুভূতি প্ৰকাশ কৰা হয়। আদি যুগৰেপৰা নাট্য আৰু কলাপটুসকলে অঙ্গ-প্ৰত্যঙ্গাদিৰ সঞ্চালনৰ নিয়ম বান্ধি দিবৰ কাৰণে বিশেষ যত্ন কৰি আহিছে। অঙ্গ-প্ৰত্যঙ্গ আদিৰ ভিতৰত হস্তৰ বিশেষ এখনি স্থানো নাট্য-সাহিত্যত দিয়া হৈছে।

বিশেষ বিহিত বা অবিহিত ৰূপত নৃত্যৰ উল্লেখ সকলো যুগৰ ভাৰতীয় সাহিত্যতে পোৱা যায়। সিন্ধু উপত্যকাৰপৰা খনন কাৰ্য্যৰ দ্বাৰা আৱিষ্কাৰ কৰা বিভিন্ন মূৰ্ত্তি-সমূহৰ মাজত নৰ্ত্তকীৰ মূৰ্ত্তিও পোৱা গৈছে। ঋগ্বেদত[১] উদং বুকুৰে নৃত্য কৰা বেশ্যাৰ (নৃতু) উল্লেখ আছে। খ্ৰীস্টপূৰ্ব্ব পঞ্চম কি চতুৰ্থ শতিকাৰ পাণিনিয়ে[২] শিলালী আৰু কৃশাশ্বৰ নট-সূত্ৰৰ কথা কৈছে; কিন্তু এই সূত্ৰবিলাকৰ ভিতৰত কি কথা আছিল, আজি আৰু খাটাংকৈ ক'ব নোৱাৰি।

নাট্যশাস্ত্ৰ নামৰ শাস্ত্ৰখনিয়েই কেৱলযে ভাৰতীয় নাট্য আৰু নৃত্যকলাৰ আটাইতকৈ পুৰণি আৰু বিশদ গ্ৰন্থ, সেয়ে নহয়, এই বিষয়বোৰত আগৰেপৰা

১ ১.৯২.৪।
২ ৪.৩.১১০-১১।

আৰু আগলৈকো এইখনিয়েই শ্রেষ্ঠ প্রামাণিক গ্রন্থ হৈ থাকিব। শাস্ত্রখনি ভৰত নামে এজনা মুনিয়েই লিখিছিল বুলি কোৱা হয়, কিন্তু ইয়াত 'ভৰত' শব্দটো এটা বিশিষ্ট নাম নহৈ এটা মাত্র উপাধি বুজোৱাৰহে সম্ভাৱনা বেছি। কাৰণ 'ভৰত' শব্দটোৱে সাধাৰণতে নর্ত্তক বা অভিনেতাকহে বুজায়। নাট্যশাস্ত্রখনি খ্রীষ্টপূর্ব্ব দ্বিতীয় কি প্রথম শতিকাতে ৰচনা কৰা হৈছিল বুলি পণ্ডিতসকলৰ মত আছে। এই গ্রন্থখনিত মুঠতে একুৰি ষোলটা (এটা তাণ্ডৱগত ৩৭ টা) অধ্যায় আছে। তাৰ ভিতৰত—

(১) চতুর্থ অধ্যায়ত তাণ্ডৱ-লক্ষণ বর্ণনা কৰা হৈছে। সেই প্রসঙ্গতে ৩২ প্রকাৰ অঙ্গহাৰৰ কথা কোৱা হৈছে। এই অঙ্গহাৰবোৰ কিছুমান কৰণৰ সমষ্টি (সর্ৱেষামঙ্গহাৰাণাং নিষ্পত্তিঃ কৰণৈর্যতঃ)। হাত আৰু ভৰিৰ সঞ্চালনৰ দ্বাৰা কৰণৰ নিষ্পত্তি হয় (হস্ত-পাদ-সমায়োগো নৃত্যস্য কৰণং ভৱেৎ)। এই অধ্যায়ত ১০৮ প্রকাৰৰ কৰণৰ বহুল ব্যাখ্যা দিয়া আছে। পাদ, কটি, হস্ত আৰু গ্রীৱাৰ সঞ্চালনৰ ৪ প্রকাৰ ৰেচকৰ বর্ণনাও দিয়া হৈছে। কেইবাজনীও নর্ত্তকী গোট খাই সমাপন কৰা পিণ্ডী বা পিণ্ডীবন্ধৰ ব্যাখ্যাও নাট্যশাস্ত্রকাৰে ইয়াতে দিছে। তদুপৰি, কেতিয়া নৃত্য কৰিব লাগে আৰু কেতিয়া নালাগে, তাৰো বিধান এই প্রসঙ্গতে বিহিত হৈছে।

(২) অষ্টম অধ্যায়ত আঙ্গিক অভিনয়ৰ বিশেষ বর্ণনা আছে। ইয়াত আঙ্গিক অভিনয়ক শাৰীৰ, মুখজ আৰু চেষ্টাকৃত, এই তিনি ভাগে ভগোৱা হৈছে। ছটা অঙ্গ আৰু ছটা উপাঙ্গৰ অভিনয় শাৰীৰ অভিনয়ৰ অন্তর্গত। মুখৰ ভঙ্গীৰ দ্বাৰা মুখজ আৰু সমস্ত শৰীৰৰ ভঙ্গীৰ দ্বাৰা চেষ্টাকৃত অভিনয় সম্পন্ন হয়। এই অধ্যায়ত অঙ্গ-উপাঙ্গৰ বিভিন্ন অভিনয় বর্ণনা কৰা হৈছে ; যেনে—তেৰ প্রকাৰ শিৰঃকর্ম্ম, ছয়ত্রিশ প্রকাৰ দৃষ্টি (তাৰে আঠটাই আঠটাই ৰস, স্থায়ীভাৱ আৰু কুৰিটাই ব্যভিচাৰী ভাৱ ব্যঞ্জিত কৰে), নপ্রকাৰ চকুৰ মণিৰ (তাৰা) কর্ম্ম, আঠপ্রকাৰ ওপৰঞ্চি দৃষ্টি, নপ্রকাৰ চকুৰ পতাৰ (পুট) কর্ম্ম, সাতপ্রকাৰ চেলাউৰিৰ (ভ্রূ) কর্ম্ম, সাতপ্রকাৰ নাসা-কর্ম্ম, ছয়প্রকাৰ চিবুক-কর্ম্ম, ছয়প্রকাৰ মুখৰ কর্ম্ম আৰু নপ্রকাৰ গ্রীৱা-কর্ম্ম আৰু চাৰিপ্রকাৰ মুখ-ৰাগৰ বর্ণনা দিয়া হৈছে।

(৩) বিশেষ মন কৰিব লগীয়া যে নাট্যশাস্ত্রৰ নৱম অধ্যায়ত কেৱল হস্ত-কর্ম্মৰ বর্ণনা আছে। হস্ত-কর্ম্ম বা হস্তকে সাধাৰণ লোকে মুদ্রা বোলে। এই

অর্থত 'মুদ্রা' শব্দৰ প্রয়োগ তন্ত্র-শাস্ত্রত আছে, কিন্তু নাট্যশাস্ত্রত তেনে প্রয়োগ ক'তো নাই। সি যি হওক, ভৰত মুনিৰ নাট্যশাস্ত্রত ৬৭ প্রকাৰ হস্ত-কর্ম্মৰ বর্ণনা আছে। তাৰে ২৪ টি অসংযুত হস্ত, ১৩টি সংযুত হস্ত আৰু ৩০টি নৃত্ত-হস্ত। অধ্যায়টোৰ শেষৰ ফালে আৱেষ্টিত, উদ্বেষ্টিত, ব্যাৱর্ত্তিত আৰু পৰিৱর্ত্তিত,—এই চাৰিপ্রকাৰ কৰ-কৰণ আৰু ১০ প্রকাৰ বাহুৰ কর্ম্ম বর্ণনা কৰা হৈছে।

(৪) দশম অধ্যায়ত শৰীৰৰ অন্যান্য অঙ্গৰ কর্ম্মৰ বর্ণনা দিয়া হৈছে। তাৰ ভিতৰত ৫ প্রকাৰ উৰঃকর্ম্ম, ৫ প্রকাৰ পার্শ্ব-কর্ম্ম, ৩ প্রকাৰ উদৰ-কর্ম্ম, ৫ প্রকাৰ কটি-কর্ম্ম আৰু ৫ প্রকাৰ পাদ-কর্ম্ম বর্ণিত হৈছে।

(৫) একাদশ অধ্যায়ত চাৰী-বিধান দিয়া হৈছে। সাধাৰণতে এটা ভৰিৰে চালনা কৰাকে চাৰী আৰু দুটা ভৰিৰ চালনাকে কৰণ বুলি কোৱা হয়। (এক-পাদ প্রচাৰো যঃ সা চাৰীত্যভিধীয়তে। দ্বি-পাদ-ক্রমেণ যত্তু কৰণং নাম তদ্ভৱেৎ॥) চাৰী মুঠতে ৩২ প্রকাৰ ; তাৰে ষোলবিধ ভৌমী চাৰী আৰু ষোলপ্রকাৰ আকাশিকী চাৰী। চাৰীৰ বর্ণনাৰ পিছত বিভিন্ন অস্ত্র-প্রয়োগৰ সময়ত ল'ব লগীয়া ভঙ্গী বা স্থান ছয়প্রকাৰ আৰু ন্যায় চাৰি-প্রকাৰ বর্ণনা কৰা হৈছে।

(৬) দ্বাদশ অধ্যায়ত মণ্ডলৰ বর্ণনা আছে। মণ্ডল হ'ল চাৰীৰ সংযোগৰ ফল (চাৰীসংযোজানীহ মণ্ডলানি নিবোধত)। মণ্ডল দুই প্রকাৰ—দহবিধ আকাশী আৰু দহবিধ ভৌম।

(৭) ৰজা, সদাগৰ, মন্ত্রী, তপস্বী, ৰোগী, উন্মাদগ্রস্ত আদি বিভিন্ন চৰিত্রৰ উপযোগী বিভিন্ন পাদ-চালনাকে গতি বোলা হয়। ইয়াৰ বর্ণনা ত্রয়োদশ অধ্যায়ত বিশেষভাৱে দিয়া হৈছে। বিভিন্ন চৰিত্রৰ প্রৱেশ আৰু প্রস্থানৰ নীতিও ইয়াতে বান্ধি দিয়া হৈছে। লগতে বিভিন্ন চৰিত্রৰ আসন-বিধিও বিহিত হৈছে।

নন্দিকেশ্বৰৰ অভিনয়-দর্পণৰ ছন-তাৰিখ এতিয়াও খাটাংভাৱে নির্ণীত হোৱা নাই। সাধাৰণতে এই শাস্ত্রখনি শার্ঙ্গদেৱৰ সঙ্গীত-ৰত্নাকৰৰ (ত্রয়োদশ শতিকা) আগৰ বুলি ধৰা হয়। নমস্ক্রিয়া প্রভৃতি প্রাথমিক বিধানৰ পিছত নন্দিকেশ্বৰে ছয় অঙ্গ, ছয় প্রত্যঙ্গ আৰু ষোল উপাঙ্গৰ লেখ দিছে। কিন্তু প্রকৃততে তেওঁ নপ্রকাৰ শিৰঃকর্ম্ম, আঠপ্রকাৰ দৃষ্টি, চাৰিপ্রকাৰ গ্রীৱা, ৫১

প্রকাৰ হস্ত (আঠাইশপ্রকাৰ অসংযুত আৰু তেইশপ্রকাৰ সংযুত হস্ত ; তেৰ প্রকাৰ নৃত্ত-হস্ত যি দিয়া হৈছে সি সংযুত আৰু অসংযুত হস্তৰপৰা পৃথক নহয়), তাৰ লগতে ষোলপ্রকাৰ দেৱ-হস্ত, দহপ্রকাৰ সম্বন্ধ-হস্ত, নপ্রকাৰ গ্রহ-হস্ত, বর্ণনা কৰা হৈছে। ইয়াৰ উপৰি চাৰিপ্রকাৰ পাদ-কর্ম্ম আৰু দহপ্রকাৰ গতি নিৰূপণ কৰা হৈছে। চাৰিপ্রকাৰ পাদ-কর্ম্ম হ'ল—দহপ্রকাৰ মণ্ডল, পাঁচপ্রকাৰ উৎপ্লৱন আৰু সাতপ্রকাৰ ভ্রমৰী।

শার্ঙ্গদেৱৰ সঙ্গীত-ৰত্নাকৰৰ (আনুমানিক ১২৪৭ খ্রীস্টাব্দ) সপ্তম অধ্যায়টো হ'ল নর্ত্তনাধ্যায়। এই অধ্যায়ত এইবোৰ বিষয় বর্ণনা কৰা হৈছে—(১) সাত-প্রকাৰ অঙ্গৰ ভঙ্গী ; তাৰ ভিতৰত উনৈশপ্রকাৰ শিৱঃকর্ম্ম (নাট্যশাস্ত্রৰ চৈধ্য-প্রকাৰ ইয়াৰ অন্তর্গত হৈছে), সাতষষ্ঠিপ্রকাৰ হস্ত (২০ অসংযুত, ১৩ সংযুত আৰু ৩০ নৃত্ত-হস্ত ; প্রত্যেক বিধৰে পিছত একোখনকৈ নতুন হস্ত সংযোগ কৰা হৈছে), পাঁচপ্রকাৰ বক্ষঃ-কর্ম্ম, পাঁচপ্রকাৰ পার্শ্ব-কর্ম্ম, পাঁচপ্রকাৰ কটি-কর্ম্ম, তেৰপ্রকাৰ পাদ-কর্ম্ম আৰু পাঁচ প্রকাৰ বাহু-কর্ম্ম ; (২) নপ্রকাৰ প্রত্যঙ্গৰ চালনা ; তাৰ ভিতৰত হ'ল ৯ প্রকাৰ গ্রীৱা-কর্ম্ম, ১৬ প্রকাৰ কৰ-কর্ম্ম, ৪ প্রকাৰ উদৰ কর্ম্ম, ৫ প্রকাৰ উৰু-কর্ম্ম, ১০ প্রকাৰ জঙ্ঘা-কর্ম্ম, ৫ প্রকাৰ মণিবন্ধ-কর্ম্ম, ৭ প্রকাৰ জানু-কর্ম্ম ; আৰু (৩) ১২ প্রকাৰ উপাঙ্গৰ চালনা ; তাৰ ভিতৰত ৩৬টা দৃষ্টি, ৭ প্রকাৰ ভ্রূ-কর্ম্ম, ৯ প্রকাৰ পুট-কর্ম্ম, ৯ প্রকাৰ তাৰা-কর্ম্ম, ৮ প্রকাৰ বিষয়নিষ্ঠ তাৰা-কর্ম্ম, ৬ প্রকাৰ কপোল-কর্ম্ম, ৬ প্রকাৰ নাসা-কর্ম্ম, ১৯ প্রকাৰ নিশ্বাস-প্রশ্বাসৰ বিধি, ১০ প্রকাৰ অধৰ-কর্ম্ম, ৮ প্রকাৰ দন্ত-কর্ম্ম, ৬ প্রকাৰ জিহ্বা-কর্ম্ম, ৮ প্রকাৰ চিবুক-কর্ম্ম, ৬ প্রকাৰ মুখ-কর্ম্ম। ইয়াৰ উপৰি ৮ প্রকাৰ ভৰিৰ, ৫ প্রকাৰ ভৰিৰ সৰু গাঁঠিৰ, ৭ প্রকাৰ হাতৰ আঙুলিৰ, ৫ প্রকাৰ ভৰিৰ আঙুলিৰ, ৫ প্রকাৰ গোৰোৱাৰ কাম আৰু ৪ প্রকাৰ মুখ-ৰাগৰ বর্ণনাও দিয়া হৈছে।

ভৰত মুনিয়ে তিনিপ্রকাৰ কৰ-প্রচাৰৰ কথা কৈছে। পিছৰ নাট্য-পণ্ডিতসকলে তাতে আৰু দুবিধ যোগ দিছে ; আনফালে শার্ঙ্গদেৱে ১৫ কৰ-প্রচাৰ, ৪ কৰ-কৰণ, ২০ কৰ-কর্ম্ম আৰু ১৪ কৰ-ক্ষেত্রৰ বর্ণনা দিছে। তাৰ পিছত তেওঁ ১০৮টি নৃত্ত-কৰণ, ৩২ অঙ্গহাৰ, ৪ ৰেচক, ১৬ ভৌমী-চাৰী আৰু ১৬ আকাশী-চাৰী, ৫৪ দেশী-চাৰী বর্ণাইছে। তাৰ পিছত আহিছে ৬ পুৰুষ-

স্থান, ৭ স্ত্রী-স্থান, ২৩ দেশী-স্থান, ৯ উপৰিষ্ট-স্থান, ৬ সুপ্ত-স্থান, ১০ আকাশী-মণ্ডল, ১০ ভৌম-মণ্ডল, ১০ লাস্যাঙ্গ আৰু ৬ ঘর্ষৰ।

নাট্যশাস্ত্রকে অনুসৰণ কৰি অগ্নিপুৰাণে নাট্য আৰু নৃত্তৰ বর্ণনা দিছে। এই পুৰাণৰ ৩৪১শ অধ্যায়ত বিভিন্ন অঙ্গ-প্রত্যঙ্গৰ চালনা দেখুওৱা হৈছে। তাতে ২৪ খন অসংযুত হস্ত আৰু কিছু সংযুত হস্তৰ বর্ণনা সন্নিৱেশ কৰা হৈছে। বিষ্ণুধর্ম্মোত্তৰতো[১] নৃত্যৰ বর্ণনা আছে। এই শাস্ত্র ৫০০ খ্রীস্টাব্দৰ পিছৰ নহয় বুলি সাধাৰণতে কোৱা হয়, এইটো ঠিক যে এইখন সঙ্গীত-ৰত্নাকৰৰ বহুত আগৰ ৰচনা।

গীত, বাদ্য আৰু নৃত্য, সঙ্গীতৰ এই তিনিটা অঙ্গৰ বিষয়ে পুথি ৰচনা কৰা পণ্ডিতৰ লেখ নাই। ব্রহ্মা, শিৱ, নাৰদ আদি পৌৰাণিক নাম ধাৰণ কৰা সঙ্গীত শাস্ত্র-কর্ত্তাৰ উপৰিও অনেক সঙ্গীত-পণ্ডিতৰে নামৰ বাহিৰে আন পৰিচয় আজি পাবলৈ নাই। আন কি, নাট্যশাস্ত্রতে কোহল আদি নাট্য-পণ্ডিতৰ উল্লেখ আছে। সঙ্গীত-ৰত্নাকৰৰ টীকাকাৰ কল্লিনাথে কোহলৰ শাস্ত্রৰপৰা কেইটামান কৰৱর্ত্তনা আৰু মধুপ-চাৰী নামে কেইটামান নতুন চাৰী উদ্ধাৰ কৰি দেখুৱাইছে। অভিনৱগুপ্তই তেওঁৰ নাট্যশাস্ত্রৰ টীকা 'অভিনৱ-ভাৰতী'ত দত্তিলাচার্য্য, নন্দী বা নন্দিকেশ্বৰ, তুম্বুৰু, বিশাখিল আদি পণ্ডিতৰ নাম লৈছে। এইসকলৰ ভিতৰত মাত্র নন্দিকেশ্বৰক অভিনয়-দর্পণৰ গ্রন্থকাৰ বুলি চিনাক্ত কৰিব পাৰি।

নাট্যশাস্ত্রৰ টীকাৰ ভিতৰত কাশ্মীৰৰ শৈৱ পণ্ডিত অভিনৱগুপ্তৰ (দশম শতিকাৰ শেষ বা ১১শ শতিকাৰ আৰম্ভণি) ৰচনাখনি মাত্র পোৱা যায়। এওঁৰ বাহিৰে লোল্লট, উদ্ভট, শঙ্কুক(ল), কীর্ত্তিধৰ, মাতৃগুপ্ত, ভট্টনায়ক আৰু শ্রীহর্ষ নামৰ পণ্ডিতসকলেও নাট্যশাস্ত্রৰ টীকা বা ছায়া ৰচনা কৰিছিল বুলি জনা যায়। কিন্তু তেওঁলোকৰ লেখাবিলাক আজি আৰু পাবলৈ নাই।

ধনঞ্জয়ৰ দশৰূপক (দশম শতিকা), ৰামচন্দ্র আৰু গুণচন্দ্রৰ নাট্যদর্পণ (দ্বাদশ শতিকা) আৰু নাট্য-সাহিত্যৰ আলোচনাৰে বিশ্বনাথ কবিৰাজৰ সাহিত্য-দর্পণ আদি পিছৰ যুগৰ নাট্যশাস্ত্রবোৰত সাধাৰণতে আঙ্গিক অভিনয়ৰ বিশদ বর্ণনা পোৱা নাযায়। এই সময়ৰপৰা অভিনয় বা তাৰ কোনো অংশৰ বিষয়লৈ বিশদ বর্ণনাৰে নতুন শাস্ত্র ৰচিত হ'বলৈ ধৰে।

১ ৩.২০ ইত্যাদি

প্রাচীন ভাৱতীয় সঙ্গীত-সাহিত্যৱ বিষয়ে আলোচনা কৰা এটি প্রবন্ধত [১] মাদ্রাজ বিশ্ববিদ্যালয়ৰ অধ্যাপক ডক্টৰ ভি. ৰাঘৱনে নৃত্যৱ বিষয়ে আলোচনা থকা পিছৱ যুগৰ তলত নাম দিয়া পুথিখিনিৰ নাম লৈছে।—

চালুক্যৰাজ সোমেশ্বৰৱ অভিলষিতার্থ-চিন্তামণি বা মানসোল্লাস (১১৩১ খ্রীস্টাব্দ); ইয়াত নৃত্তৱ বিষয়ে অধ্যায় কেইটিমান আছে।

অর্জ্জুন-ভৱত—গীত আৰু নৃত্য-বিষয়ক; তাঞ্জোৰৱ সৰস্বতী মহল লাইব্রেৰিত হাতে-লিখা নকল আছে।

ঔমাপত—গীত আৰু নৃত্য-বিষয়ক; হাতে-লিখা নকল মাদ্রাজ ছৰকাৰৱ ওৰিয়েণ্টাল মেনাস্ক্রিপ্ট্ লাইব্রেৰিত; উক্ত লাইব্রেৰিয়ে এটা সংস্কৰণ ছপাও কৰিছে।

ভৱত-চন্দ্রিকা—এখন তেলুগু টীকা সহ, মাদ্রাজ ছৰকাৰৱ ওৰিয়েণ্টাল মেনাস্ক্রিপ্ট্ লাইব্রেৰিৰ কেটেলগত বর্ণিত।

ভৱতার্ণৱ—৪,০০০ শ্লোক-সমন্বিত; অভিনয়-দর্পণত ইয়াৰ উল্লেখ আছে; একমতে অভিনয়-দর্পণ এই বৃহৎ পুথিৰ সাৰাংশ মাত্র। ভৱতার্ণৱ নামৱ পুথি মাদ্রাজ আৰু তাঞ্জোৰৱ মেনাস্ক্রিপ্ট্ লাইব্রেৰি আৰু পুনাৰ ভাণ্ডাৰকৰ ওৰিয়েণ্টাল বিছার্চ্চ ইন্‌স্টিটিউটত সংৰক্ষিত আছে। বর্ত্তমানে পোৱা ৰূপত পুথিখনি সম্পাদন কৰি অধ্যাপক ৰাসুদেৱ শাস্ত্রীয়ে তাঞ্জোৰৱ সৰস্বতী মহল লাইব্রেৰিৰপৰা প্রকাশ কৰিছে।

কোহলীয় অভিনয়-শাস্ত্র—মাদ্রাজৰ মেনাস্ক্রিপ্ট্ লাইব্রেৰিত সংৰক্ষিত।

নন্দি-ভৱতোক্ত সঙ্কৰহস্তাধ্যায়—মাদ্রাজৰ মেনাস্ক্রিপ্ট্ লাইব্রেৰিত সংৰক্ষিত।

জয়সিংহ বা জয়সেনাপতিৰ নৃত্তৰত্নাৱলী—তাঞ্জোৰ মেনাস্ক্রিপ্ট্ লাইব্রেৰি; ডক্টৰ ভি. ৰাঘৱনে সম্পাদন কৰি মাদ্রাজ ছৰকাৰৱ ওৰিয়েণ্টাল মেনাস্ক্রিপ্ট্ লাইব্রেৰিৰপৰা প্রকাশ কৰিছে।

পেডকোমতি ৱেম ভূপালৰ (১৪শ শতিকাৰ শেষ বা ১৫শ শতিকাৰ আগ ভাগ) সঙ্গীত-চিন্তামণি—ত্রিবান্দ্রমৰ ৰজাঘৰীয়া পুথিভঁৰালত সংৰক্ষিত।

নাৰায়ণ আয়েঙ্গাৰৱ (১৯শ শতিকা) নৃত্যৱ বিষয়ে তামিল পুথি অভিনয়-সাৰসম্পুটম্।

১ *Journal of the Music Academy*, Vols. III & IV.

দামোদৱৱ সঙ্গীত-দর্পণ—(আনুমানিক ১৬৩০ খ্রীস্টাব্দ) নৃত্যৱ বিষয়ে আলোচনাৰে।

দেৱণভট্টৱ (আনুমানিক ১৪০০ খ্রীস্টাব্দ প্রায়খিনি নৃত্যৱ কথাৰে সঙ্গীত-মুক্তাৱলী; তাঞ্জোৰ লাইব্রেৰিত সংৰক্ষিত।

ৱেদৱ (১৭ শতিকাৰ আগভাগ) সঙ্গীত-পুষ্পাঞ্জলি বা নৃত্য-পুষ্পাঞ্জলি; তাঞ্জোৰ লাইব্রেৰিত সংৰক্ষিত।

চিত্রকূটৱ কুম্ভকর্ণৱ (১৪৪৯ খ্রীস্টাব্দ) সঙ্গীত-ৰাজ, নৃত্যৱ বিষয়ে এটি অধ্যায়েৰে: পিছত পুথিখন ব্রহ্মাদ্রিৰ কলাসেনৰ নামত চলোৱা হয়; ৰাজস্থান পুৰাতত্ত্ব মন্দিৰৱপৰা প্রকাশিত।

তাঞ্জোৰৱ ৰজা তুলজাৰ (১৭২৯-৩৫ খ্রীস্টাব্দ) সঙ্গীত-সাৰামৃত, নৃত্যৱ বিষয়ে আলোচনাৰে; পুথিখনিৰ নৃত্য-সম্পর্কীয় অংশটি মাদ্রাজৰ মিউজিক্ একাডেমিৰ সংস্কৰণৰ পাতনিৰ লগতে ডক্টৰ ভি. ৰাঘৱনৰ দ্বাৰা সম্পাদিত হৈ প্রকাশ পাইছে।

হৰিপালদেৱৰ সঙ্গীত-সুধাকৰ (১৪শ শতিকা?)—দক্ষিণ ভাৱতৰ গ্রন্থাগাৰ-সমূহত সংৰক্ষিত।

জৈন গ্রন্থকাৰ পার্শ্বদেৱৰ সঙ্গীত-সময়-সাৰ; ত্রিবান্দ্রম সংস্কৃত ছিৰিজৱপৰা প্রকাশিত হৈছে; ডক্টৰ ৰাঘৱনে ইয়াৰ এটি সমীক্ষামূলক সংস্কৰণ যুগুত কৰিছে।

বিজয়নগৰৱ ৰজা কৃষ্ণদেৱৰায়ৰ (১৫০৯-৩০ খ্রীস্টাব্দ) অধীনে লক্ষ্মণ বা লক্ষ্মীনাৰায়ণে লিখা সঙ্গীত-সূর্য্যোদয়, নৃত্তৰ বিষয়ে আলোচনাৰে।

শিৱাজীৰ ককায়েক শম্ভুজীৰ বাৰে ৱেদৰ দ্বাৰা ৰচিত সঙ্গীত-মকৰন্দ; সৰস্বতী মহল লাইব্রেৰিৰ পত্রিকাত ক্রমিকভাৱে প্রকাশিত।

পার্লাখিমিডিৰ ৰজা নাৰায়ণৰ সঙ্গীত-নাৰায়ণ। ৰজা জগজ্জ্যোতির্ম্মল্লৰ সঙ্গীত-সাৰ-সংগ্রহ।

মাদ্রাজ বিশ্ববিদ্যালয়ৰ সঙ্গীতৰ অধ্যাপক সম্বমূর্ত্তিয়ে তেওঁৰ সঙ্গীতা-ভিধানৰ[১] তলত দিয়া শাস্ত্রৱোৰৰ উল্লেখ কৰিছে।—

ছিক্ক ভূপালৰ নৃত্য-সম্পর্কীয় অভিনয়-ভৱত-সাৰ।

শৃঙ্গাৰশেখৰৱ অভিনয়লক্ষণ; তাঞ্জোৰৱ লাইব্রেৰিত সংৰক্ষিত।

১। P. Sambamoorthy, *Dictionary of South Indian Music.*

ত্রিবাঙ্কুৰৰ মহাৰজা বালৰাম ৱৰ্ম্মাৰ (১৭২৪-৯৮ খ্রীস্টাব্দ) নৃত্যৰ শাস্ত্র বালৰাম-ভৰত।

ভৰত-কল্প-লতা-মঞ্জৰী, নৃত্যৰ বিষয়ে, মাদ্রাজৰ ওৰিয়েণ্টাল লাইব্রেৰিত সংৰক্ষিত।

এম্. ৰামকৃষ্ণ কৱিয়ে তেওঁৰ ভৰতকোশৰ পাতনিত আন পুথিৰ লগতে তলত নাম দিয়া কেইখনৰ উল্লেখ কৰিছে।—

অশোকমল্লৰ এখন বৃহৎ সঙ্গীতগ্রন্থৰ অভিনয়-সম্পর্কীয় একাংশ, ২,০০০ শ্লোকেৰে।

জ্যোতিপুৰৰ (জোধপুৰ) ৰজা নাগমল্লৰ (আনুমানিক ১৭০০ খ্রীস্টাব্দ) নাগেন্দ্র-সঙ্গীত।

জামনগৰৰ শক্র-শল্য ৰাজধানীৰ কবি শ্রীকণ্ঠৰ (১৬ শ শতাব্দী) ৰসকৌমুদী।

বিপ্রদাসৰ সঙ্গীত-চূড়ামণি; ইয়াৰ নৃত্য-সম্পর্কীয় অংশ 'নৃত্তপ্রকাশ' মাত্র পোৱা গৈছে; এই অংশটোৰ নেপালৰ ৰজা জগজ্যোতির্ম্মল্লই (১৭ শতিকাৰ আগভাগ) এখন টীকা ৰচনা কৰিছিল।

তাঞ্জোৰৰ সৰস্বতী মহল লাইব্রেৰিৰ অধ্যাপক ৰাসুদেৱ শাস্ত্রীয়ে তলত দিয়া নামবোৰ যোগ দিছে।—

ৰীৰ ভল্লটৰ শৃঙ্গাৰ-প্রকাশ।

আদি-ভাৰত; এই পুথিৰপৰা উদ্ধৃতি সৰস্বতী মহল লাইব্রেৰিত থকা এখন সঙ্কলনৰ বিভিন্ন তাণ্ডৱণত পোৱা গৈছে।

গন্ধর্ৱ-ৱেদ; সৰস্বতী মহল লাইব্রেৰিত সংৰক্ষিত যামলাষ্টক নামে পুৰণি পুথিত ১৮ অধ্যায় আৰু ৩৬,০০০ শ্লোকৰ পুথি বুলি গন্ধর্ৱ-ৱেদৰ উল্লেখ পোৱা যায়।

ইয়াৰ উপৰি নাট্য-মনোৰমা, হস্তাধ্যায় (বোডলিয়ান লাইব্রেৰি, অক্সফোর্ড) আদি পুথিৰ উল্লেখ পোৱা যায়। পূৰ ভাৰতত শুভঙ্কৰ কবিৰ হস্তমুক্তাৱলী, তাৰ ওপৰত নির্ভৰ কৰি লিখা ৰজা ৰাঘৱৰায়ৰ হস্তৱত্নাৱলী (বোডলিয়ান লাইব্রেৰি, অক্সফোর্ডে), ঘনশ্যাম দাসৰ সঙ্গীত-সাৰ-সংগ্রহ আদিৰ উল্লেখ কৰিব পাৰি। কেৱলৰ কথাকলিৰ গুৰুসকলে ভৰতৰ নাট্য-শাস্ত্রৰ উপৰিও হস্ত-লক্ষণ-দীপিকা (মাদ্রাজ ছৰকাৰৰ ওৰিয়েণ্টাল মেনাস্ক্রিপ্ট্

লাইব্রেৰি) নামে এখনি হস্ত-কর্ম্মৰ পুথিৰ ওপৰত নির্ভৰ কৰে। উৎকলৰ মহেশ্বৰ মহাপাত্রই (১২শ শতিকা) নৃত্ত-বিষয়ক অভিনয়-চন্দ্রিকা নামে এখনি পুথি ৰচনা কৰিছিল। উৎকল বিশ্ববিদ্যালয়ৰপৰা নৃত্তৰ যৎকিঞ্চিৎ চর্চ্চা থকা সঙ্গীত-মুক্তাৱলী প্রকাশিত হৈছে। অসমৰ ওজা-গায়নৰ মুখত তৌর্য্যত্রিক-সাৰ বা মুদ্রাধ্যায় নামৰ পুথিৰ নাম শুনা যায়। অসমত পোৱা সঙ্গীত-শাস্ত্র এতিয়ালৈকে দুখন—তাল-বিষয়ক বাদ্য-প্রদীপ[১] আৰু হস্তলক্ষণৰ পুথি হস্ত-মুক্তাৱলীৰ মূলে সৈতে প্রাঞ্জল অসমীয়া ভাঙনি এখন। ইয়াৰ উপৰি কোনো কোনো সত্রত নাচৰ তালৰ আর্য্যা পোৱা যায়।

॥ শুভঙ্কৰ কৱিৰ হস্তমুক্তাৱলী আৰু তাৰ মূল্যায়ন ॥

শুভঙ্কৰ কবি সঙ্গীত-শাস্ত্রৰ এজন নিপুণ লেখক। অলপ দিনৰ আগলৈকে অন্ততঃ পূৰ ভাৰতত তেওঁক সঙ্গীত-শাস্ত্রৰ এজন প্রামাণ্য গ্রন্থকাৰ-ৰূপে লোকে মানি আহিছিল। নাৰদৰ সঙ্গীত-মকৰন্দত যি ৰাগ-ৰাগিণী অর্থাৎ ৰাগৰ পুৰুষ-স্ত্রীৰ বিভাগ প্রতিপন্ন কৰা হৈছিল, তাক মানি লোৱা ওপৰ শ্রেণীৰ গ্রন্থকাৰৰ ভিতৰত শুভঙ্কৰ কবিও এজন। বর্ত্তমানলৈকে আৱিষ্কৃত হোৱা তেওঁৰ দুখন সঙ্গীতশাস্ত্র শ্রীহস্তমুক্তাৱলী আৰু সঙ্গীত-দামোদৰত তেওঁ বিশ্লেষণশীলতা, সূক্ষ্মতাৰ প্রতি আগ্রহ আৰু স্বাধীন চিন্তাৰ পৰিচয় দিছে[২]।

শুভঙ্কৰৰ দুয়োখন শাস্ত্রৰ ভিতৰত হস্তমুক্তাৱলী বা শ্রীহস্তমুক্তাৱলী[৩] তেওঁৰ প্রথম ৰচনা, কাৰণ, সঙ্গীত-দামোদৰত তাৰ স্পষ্ট উল্লেখ কেইবা-ঠাইতো আছে।

॥ হস্তমুক্তাৱলীৰ পাণ্ডুলিপি ॥

শিৱসাগৰ জিলাৰ মাজুলীৰ আউনীআটি সত্রৰ সত্রীয়া পুথিভঁৰালত হস্তমুক্তাৱলীৰ এটি সাঁচিপতীয়া পাণ্ডুলিপি (১৬″ × ৪″) পোৱা গৈছে।

১। অসম সঙ্গীত নাটক অকাদমীৰ প্রকাশন *Rhythm in the Vaishnava Music of Assam*-অত সন্নিৱিষ্ট, লক্ষ্মীনাথ দাস আৰু মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত।

২। অধ্যাপক কে. ৰাসুদেৱ শাস্ত্রীয়ে নাৰদী-শিক্ষাৰ শুভঙ্কৰ-বিৰচিত এক টীকাৰ কথা উল্লেখ কৰিছে।

৩। শুভঙ্কৰে প্রতিখন হস্তৰ লক্ষণ-বর্ণনাৰ শেষত এযোৰ দুডলীয়া দাঁড়িৰ মাজত 'শ্রী' আখৰটো নিয়োগ কৰিছে, আৰু কৈছে যে যিসকলে এলাহৰ বাবে বা কিতাপ ডাঙৰ হ'ব বুলি 'শ্রী'টো নিলিখে, সেই মর্য্যাদা লঙ্ঘনোদ্যতসকলক 'শ্রী' শব্দই ত্যাগ কৰিব (শ্লোক ৮-৯)। এই বাবে সমাপ্তবাল্যভাৱে 'হস্তমুক্তাৱলী'ৰ নামান্তৰ হৈছে 'শ্রীহস্তমুক্তাৱলী'।

এতিয়ালৈকে পোৱা হস্তমুক্তাৱলীৰ পাণ্ডুলিপিৰ ভিতৰত এইখনেই বিশেষ-ভাৱে নির্ভৰযোগ্য। মুঠ পাতৰ সংখ্যা ১০২, শ্লোকৰ সংখ্যা ৯১৬। অৱশ্যে ঠায়ে ঠায়ে শ্লোকৰ দুই-এশাৰী হেৰাইছে। এইটোও মন কৰিব লগীয়া যে এতিয়ালৈকে পোৱা পুথিৰ ভিতৰত এইখনেই আপেক্ষিকভাৱে সম্পূর্ণ। পুথিখনৰ শেষত এইদৰে লিখা আছে—

'ইতি শ্রীহস্তমুক্তাৱলী সমাপ্ত।

'শ্রীৰামচন্দ্রায় নমো নমঃ॥ বৈশাখৰ তিনিদিন যাওঁতে শুক্রবাৰে ৰামনৱমী তিথি শুক্লপক্ষত শ্রীহস্তমুক্তাৱলী সমাপ্ত॥ সুচন্দ বাই ওঝাৰ পুস্তক॥ লিখকৰ জগৰা নাম॥ সুচন্দ বাই ওঝাৰ পুস্তক সমাপ্ত॥'

পুথিখনি গুৱাহাটীত নকল কৰাৰ তাৰিখ ১৩৪০ বঙলা ছন অর্থাৎ ১৮৫৫ শকাব্দ বা ১৯৩৩ খ্রীস্টাব্দ। যিমান দূৰ বুজা যায়, সুচন্দ বাই পুথিখনৰ মালিকৰ নাম। অৱশ্যে আমি কল্পনা কৰিব পাৰোঁ যে এই ওজাজনেই হস্ত-মুক্তাৱলীৰ শ্লোকবিলাকৰ লগে লগে দিয়া সুন্দৰ অসমীয়া ছায়া বা অনুবাদ কাৰোবাৰ হতুৱাই প্রস্তুত কৰাইছিল। আউনীআটি সত্রৰ বর্ত্তমান সত্রাধিকাৰ শ্রীশ্রীহেমচন্দ্র গোস্বামী প্রভুৰপৰা আমি যি শুনিছো, এই সুচন্দ বাই ওজা আউনীআটি সত্র বা কোনো সত্রৰে ওজা নহয়; তেওঁ আন কোনো ঠাইৰ ব্যাহ গোৱা ওজাপালিৰ ওজাহে। দুই-এঠাইৰ বাহিৰে সাধাৰণভাৱে এই অনুবাদটি নির্ভৰযোগ্য। অনুবাদকে প্রায় সকলো ঠাইতে সংস্কৃত শ্লোকৰ আখৰে আখৰে অনুবাদ কৰি গৈছে; আৰু আৱশ্যকীয় ঠাইত মূল শ্লোকৰ ওপৰত নির্ভৰ কৰি হস্ত-সমূহৰ বিনিয়োগৰ বহল বর্ণনা দিছে। অনুবাদৰ ভাষা প্রাঞ্জল; ফল-ফুল, চৰাই-পহুৰ সংস্কৃত নামবোৰো সহজ-ভাৱে অসমীয়াত দিয়া হৈছে। অনুবাদৰ ভাষালৈ চাই পুথিখনি অষ্টাদশ শতিকাৰ পিছৰ নহ'ব বুলি আমাৰ অনুমান হয়। এই পুথিৰ সংস্কৃত শ্লোকৰ পাঠ আৰু অসমীয়া অনুবাদে শুভঙ্কৰৰ মূল পুথিৰ পাঠ-নির্ণয়ত প্রভূতভাৱে-যে সহায় কৰিব, তাত কোনো সন্দেহ নাই।

কনকলাল বৰুৱা ডাঙৰীয়াৰ যত্নত কামৰূপ অনুসন্ধান সমিতিয়ে সত্রৰ পুথিখনি কিছু দিনলৈ ধাৰলৈ আনে আৰু তাৰ এটি প্রতিলিপি তৈয়াৰ কৰে। সেই প্রতিলিপি এতিয়া কাৰ হাতত আছে থিবাংকৈ জানিব পৰা

নগ'ল। কিন্তু অনুসন্ধান সমিতিৰ মুখপত্রত [১] অধ্যাপক দিৱাকৰ গোস্বামী আৰু শ্রীনাথ চক্রৱর্ত্তীয়ে পুথিখনৰ মূল শ্লোকৰ আৰম্ভৰ ১৩২টি ইংৰাজী অনুবাদে সৈতে প্রকাশ কৰিছিল। পুথিখনিৰ আন এটি প্রতিলিপি কালিৰাম মেধি ডাঙৰীয়াই তৈয়াৰ কৰি ৰাখিছিল, আৰু তাকে আমাক সম্পাদন কৰি প্রকাশ কৰিবৰ বাবে দিছিল। আমি ৰামধেনুৰ সম্পাদক থকা সময়তে একেলগে মূল সংস্কৃত আৰু প্রাচীন অসমীয়া অনুবাদ ধাৰাবাহিকৰূপে সেই কাকতত প্রকাশ কৰিবলৈ লওঁ। কিন্তু আমি সেই কাকতৰ সম্পাদকৰ দায়িত্ব এৰি দিয়াৰ লগে লগে কাকতখনত হস্তমুক্তাৱলীৰ প্রকাশ বন্ধ হয়। ৰামধেনুত খটকামুখ হস্তৰ বিষয়-লক্ষণ বর্ণনাৰ শেষলৈকে মাথোন ছপা হৈছিল।[২] তেতিয়াই এই মূল্যৱান সম্পদটিৰ প্রতি অসমৰ নৃত্য-ৰসিকসকলৰ অনুৰাগ বাঢ়ি উঠে। কিন্তু আমি এতিয়ালৈকে পুথিখনি ছপা কৰাৰ কোনো দিহা কৰিব পৰা নাছিলো। মাদ্রাজৰ মিউজিক একাডেমিৰ পত্রিকাৰ সম্পাদক অধ্যাপক ভি. ৰাঘৱনৰ উদ্যোগত সেই কাকতত মূল শ্লোকখিনি এখন বহল পাতনিৰে সৈতে প্রকাশিত হয়।[৩] সেই কাকতত প্রকাশ হোৱা ৰূপতে গ্রন্থখনিৰ সংস্কৃত সংস্কৰণ এটি অলপতে পুথিৰূপে প্রকাশ হ'ব।

'বঙলা হৰফত' লিখা, 'দেখাত নতুন' আৰু 'বর্ণবিন্যাস থুলমুলভাৱে শুদ্ধ', তাৰিখ নোহোৱা এখন হস্তমুক্তাৱলী পুথি নেপালৰ ৰজাৰ দৰবাৰ গ্রন্থাগাৰত আৱিষ্কৃত হয়। এই পুথিৰ বিৱৰণ মহামহোপাধ্যায় হৰপ্রসাদ শাস্ত্রীয়ে তেওঁৰ কেটেলগত[৪] দিছে। পুথিখনৰ শেষ শ্লোকৰ সংখ্যা হ'ল ৯৫, আৰু তাতেই 'ইতি শুভঙ্কৰৱিৰচিতা হস্তমুক্তাৱলী সমাপ্তা' বুলি পুষ্পিকা দিয়া হৈছে। কিন্তু এই পুথিৰ শেষৰ শাৰীটো হ'ল 'সর্ৱলোকানুৰাগশ্চ নৃপচিত্তে সদা স্থিতিঃ।'; আৰু ই আমাৰ পুথিৰ ৯০২-সংখ্যক শ্লোকৰ শেষ মাত্র। মহা-মহোপাধ্যায় শাস্ত্রীয়ে পুথিখনৰ যি অলপমান উদ্ধৃতি দিছে, তাৰপৰাই অনুমান হয়, সত্রৰ পুথিৰ লগত মিলালে তাত বহুতোৰোৰ পাঠান্তৰ ওলাব।

১। *The Journal of Assam Research Society*, Vols. VIII—IX, 1941—43.

২। ৰামধেনু, ৩য় বছৰ, ৭ম সংখ্যা (কাতি, ১৮৭২ শক)—৪র্থ বছৰ ষষ্ঠ সংখ্যা (আহিন, ১৮৭৩ শক)।

৩। *The Journal of the Music Academy, Madras*, Vol. XXIV, 1953—Vol. XXX, 1959

৪। *A Catalogue of Palm-leaf and Selected Paper Manuscripts belonging to the Durbar Library, Nepal*, Calcutta, 1905, pp. 270-72

নেপালৰ দৰবাৰ গ্ৰন্থাগাৰত হস্ত-মুক্তাৱলী-সাৰ-সমুদ্ধৃতিকা' নামে ৭৯৫ নেৱাৰী ছনত (১৬৭৫ খ্ৰীস্টাব্দ) ঘনশ্যাম বোলা এজনে লিখা হস্তমুক্তাৱলীৰ টীকা এখনি পোৱা হৈছে। এই টীকা লিখা হৈছিল নেপালৰ ৰজা জগজ্জ্যোতির্ম্মল্লৰ (১৬১৭-৩৩ খ্ৰীস্টাব্দ) জীয়েকৰ পুতেক অনন্তৰ পুত্ৰক বিষয়টো বুজাবৰ বাবে। এই পুথিখনিৰ বৰ্ণনাও মহামহোপাধ্যায় শাস্ত্ৰীয়ে তেওঁৰ কেটেলগৰ ২৭২ পৃষ্ঠাত দিছে।

মিথিলাৰ অন্তৰ্গত দাৰভাঙ্গাৰ পণ্ডিত মহামহোপাধ্যায় পৰমেশ্বৰ ঝাৰ হাতত তাৰিখৰ উল্লেখ নথকা, বহুত ভুল থকা আৰু জৰাজীৰ্ণ তালপাতৰ এখন হস্তমুক্তাৱলী পোৱা গৈছে। এই পুথিত অৱশ্যে মৃগশীৰ্ষ হস্তৰ বিষয়-লক্ষণৰ বৰ্ণনাৰ শেষলৈকেহে অৰ্থাৎ আমাৰ পুথিৰ ৬০৩-সংখ্যক শ্লোকলৈহে আছে।[১] দেখা যায় ইয়াত ১২ খন অসংযুত-হস্ত, সকলো সংযুত-হস্ত আৰু নৃত্তহস্তৰ বৰ্ণনা বাদ পৰি গৈছে।

ওপৰৰ কথাৰপৰা দেখা যাব যে এতিয়ালৈকে পাব পৰা পুথিৰ ভিতৰত আউনীআটি সত্ৰৰ পুথিখনিয়েই আটাইতকৈ সম্পূৰ্ণ। এই পুথি যুগুত কৰোঁতেযে কেইবাখনিও পুথিৰ সাহায্য লোৱা হৈছিল তাক ১৭৭-সংখ্যক শ্লোকৰ পিছৰ এই কথাআষাৰৰপৰাই বুজা যায়—ক্বচিৎ পুস্তকে অংসস্থে চলিতৌ পুৰ ইতি পাঠঃ ॥

মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ অধ্যাপক ডক্টৰ ভি. ৰাঘৱনে মোলৈ লিখা এখন চিঠিত জনাইছে যে তেওঁ কেইবছৰমান আগতে ইউৰোপ ভ্ৰমণ কৰিবলৈ যাওঁতে লণ্ডনৰ এটা পুথি-ভঁৰালত হস্তমুক্তাৱলীৰ এটি প্ৰতিলিপি পাই তাৰ এটা মাইক্ৰোফিল্ম নকল যোগাৰ কৰি আনিছে। মাদ্ৰাজৰ মিউজিক একাডেমিৰপৰা ওলাব লগীয়া হস্তমুক্তাৱলীৰ আমাৰ তাণ্ডৱণৰ আগকথা লিখোঁতে ডক্টৰ ৰাঘৱনে এই পুথিৰপৰা কিছু পাঠান্তৰ সংযোগ কৰাৰ কথা আছে।

অক্সফোৰ্ডৰ বোডলিয়ান লাইব্ৰেৰিত[২] হস্ত-ৰত্নাৱলী নামে এখনি হস্তৰ পুথি পোৱা গৈছে। পুথিখনি অসমীয়া-বঙলা হৰফত লিখা। তাৰে এটা ফটোস্টেট্ নকল অন্ধ্ৰ প্ৰদেশৰ এন্. এছ্. কৃষ্ণমূৰ্ত্তিয়ে সংগ্ৰহ কৰি আমালৈ

১। Kashi Prasad Jayaswal, *A Descriptive Catalogue of Manuscripts in Mithila*, Patna, 1933, pp. 170-f.

২। Bodleian Library, Oxford, H. H. Wilson Collection, No. 234 (Aufrecht, Oxford Cat., pp. 101-02).

পঠাইছিল। ইয়াত গ্ৰন্থকাৰৰ নাম শ্ৰীৰাঘৱৰায়। গ্ৰন্থখন শুভঙ্কৰৰ হস্ত-মুক্তাৱলীৰ পুনঃসংযোজন মাত্ৰ। গ্ৰন্থখনৰ বিষয়বস্তুৰ পৰিসৰ এইদৰে নিৰূপণ কৰা হৈছে,—

শ্ৰীহস্তমুক্তাৱলিকৃৎপ্ৰবন্ধে ভূয়ো যদুক্তান্ ৱিষয়ান্ ববন্ধ।
শ্ৰীৰাঘৱঃ ক্ষোণিপতিস্তদেতাং শ্ৰীহস্তৰত্নাৱলীমাতনোতি ॥

ৰাঘৱৰায় শুভঙ্কৰৰপৰা আঁতৰি যোৱা নাই। তেওঁ পোনতে হস্ত-মুক্তাৱলীৰ সকলো হস্তৰ নাম আৰু অসংযুত আৰু সংযুত হস্তৰ লক্ষণ প্ৰায় শুভঙ্কৰৰ উদ্ধৃতিৰে দি গৈছে। তাৰ পিছতে তেওঁৰ প্ৰকৃত কাম আৰম্ভ হৈছে; তেওঁ হস্তৰ বিষয় অনুসৰি হস্তৰ বিনিয়োগ দেখুৱাইছে। তেওঁ বিষয়ৰ সংখ্যা মুঠ ৪০৫টা বুলি নিৰূপণ কৰিছে (পঞ্চাধিকা ৱিনির্দিষ্টা ৱিষয়াণাং চতুঃশতী) তেওঁ সেই বিষয় অনুসৰি হস্ত-মুক্তাৱলীৰপৰা বিষয়-লক্ষণৰ বৰ্ণনা টুকি টুকি আমাক দিছে। দুখৰ বিষয় অক্সফোৰ্ডৰ পাণ্ডুলিপিখন খণ্ডিত ; ১২৬-সংখ্যক বিষয়তে সি শেষ হৈছে। সন্দেহ নাই যে ৰাঘৱৰায়ৰ অপূৰ্ব্ব আলোচনা-পদ্ধতিয়ে তেওঁৰ গ্ৰন্থখন সকলো নৃত্যশিল্পীৰ বাবে সহজভাৱে কামত লগাব পৰা কৰি তুলিলেহেঁতেন। ৰাঘৱৰায়ৰ ৪০৫টা বিষয়ৰ কেইটামানৰ নাম ক'লেই পাঠকে তেওঁৰ পদ্ধতি বুজিব পাৰিব—দেৱতা, বিষ্ণুৰ দশাৱতাৰ, স্ৱৰ্বেশ্যা, অৱতাৰ, অগ্নিসমূহ, কামদেৱ, চন্দ্ৰ আৰু সূৰ্য্য, ৰাহু, তাৰা।

॥ হস্তমুক্তাৱলীৰ গুৰুত্ব ॥

হস্তমুক্তাৱলী হ'ল হস্ত-কৰ্ম্মৰ পুথি। ইয়াত শৰীৰৰ অন্য অঙ্গ, প্ৰত্যঙ্গ বা উপাঙ্গৰ বৰ্ণনা নাই। এই শাস্ত্ৰৰ এটি মূল হ'ল ভৰত মুনিৰ নাট্যশাস্ত্ৰ। পুথিখনিৰ দুঠাইত ভৰতৰ উল্লেখ পোৱা যায়।—

ৱতৌ নিগদিতা তৰ্হি ভৰতেন ৱসাৱহা ॥২৬৯
যত্ৰ যা যা ময়া প্ৰোক্তাস্তা প্ৰোক্তা ভৰতাদিভিঃ ॥৫৩৯

অন্য সঙ্গীত-শাস্ত্ৰকাৰৰ বা কোনা সঙ্গীতশাস্ত্ৰৰ নাম পুথিখনিত ক'তো নাই। অৱশ্যে শুভঙ্কৰে ঠায়ে ঠায়ে বহলভাৱে আনসকলৰ মতো উল্লেখ কৰিছে।—

নিযধো নাম হস্তোঽয়ং তদা স্যাৎ কৱিসম্মতঃ ॥৬৯
স্বস্তিকো হস্তঃ কথিতো হস্তকোৱিদৈঃ ॥৭৩
প্ৰোক্তং নাট্য-ৱিশাৱদৈঃ ॥১৮৫
ভৱেৎ প্ৰৱীণ-সম্মতঃ ॥৩৩৩

নৃত্যৱিদঞ্চৈৱভিধীয়তে ।।৩৬৫
ইতি সর্ৱস্ৱ সম্মতাঃ ।।৪৮২

পুথিখন লিখাৰ আগতে সকলো সঙ্গীত-শাস্ত্ৰ আলোচনা কৰিছিল বুলিও শুভঙ্কৰে দাবী কৰিছে।—

যত্নাৎ সঙ্গীতশাস্ত্ৰাণি ৱিলোক্য নিখিলান্যপি।
ৰচিতা ভাৰতীমেতামাদ্রিয়ন্ত ৱিচক্ষণাঃ ।।৯১১

ভালেমান ঠাইত তেওঁ আন লেখকৰ ওপৰত নির্ভৰ কৰিলেও নিজৰ মত প্রতিপন্ন কৰিবৰ বাবে বিশেষ যত্ন কৰা দেখা যায়।—

মুকৰঃ শুভঙ্কৰৱৰসাৱহঃ ।।৮৪
কথিতৌ শুভঙ্কৰকৰেঃ প্রিয়ৌ ।।১১৩

অনেক থলত তেওঁ নিজৰ স্ৱতন্ত্র ব্যাখ্যা দি গৈছে। নাট্যশাস্ত্ৰৰ চৰম নেতা ভৰত মুনিৰপৰাও তেওঁ সাহসেৰে আঁতৰি গৈছে। তেওঁৰ সেই আত্মপ্রত্যয় আছে, যাৰ বলত তেওঁ নিজৰ কথা এইদৰে ক'ব পাৰিছে,—

ধীবন্ধুগুর্ণসিন্ধুদুর্ধৰতৰোদ্গাঢ়াৱগাঢ়স্ফুৰ-
জ্জ্যোতির্নর্তকনর্তকীভির্ৱিলস্ত সঙ্গীতৱিদ্যোৎসুকঃ ।।

আৰু নিজৰ পুথিৰ বিষয়ে ক'ব পাৰিছে,—

সদ্বর্ণোজ্জ্বলৰূপিণী গুণযুতা ৱৈদগ্ধ্যচিত্রান্ৱিতা।
নানাভাৱৰসান্ৱিতা ৰসকৰী সীমন্তিনী ৱাপৰা ।।

আগতে কোৱা হৈছে আউনীআটি সত্রৰ পুথি অনুসৰি হস্তমুক্তাৱলীত ৯১৬টা শ্লোক আছে। ইয়াৰ প্রায় সকলোখিনি অনুষ্টুভ্ ছন্দত ৰচিত। পুথিখনৰ অধ্যায়-বিভাগ নির্দ্দেশ কৰা হোৱা নাই। কিন্তু তাৰ বিষয়-বস্তু সুসংবদ্ধভাৱে আৰু বিস্তাৰিতভাৱে আলোচনা কৰা হৈছে।

বিষয়-বস্তু-বিস্তাৰৰ ক্রম এনেঃ মঙ্গলাচৰণ আৰু বিষয়-বস্তুৰ নির্দ্দেশ (শ্লোক ১—১১); হস্তসমূহৰ অসংযুত, সংযুত আৰু নৃত্ত-হস্ত, এই তিনিভাগে বিভাজন (শ্লোক ১২—১৪); ৩০ খন অসংযুত হস্তৰ নাম (শ্লোক ১৫—১৯); ১৪খন সংযুত-হস্তৰ নাম (শ্লোক ২০—২২); ২৭ খন নৃত্তহস্তৰ নাম (শ্লোক ২৩—২৯); ৩০খন অসংযুত হস্তৰ লক্ষণ (৩০—৬৩); ১৪খন সংযুত হস্তৰ লক্ষণ (শ্লোক ৬৪—৭৯); অসংযুত হস্তবোৰৰ বিষয় আৰু বিষয়-লক্ষণ (শ্লোক ৮০—৭৩৬); সংযুত হস্তবোৰৰ বিষয় আৰু বিষয়-লক্ষণ (শ্লোক ৭৩৭—৮৫৮); নৃত্তহস্তবোৰৰ নামৰ পুনৰুল্লেখ (শ্লোক ৮৫৯—৮৬৬); নৃত্তহস্ত বুজাবলৈ সংযুত হস্তৰ প্রয়োগ (শ্লোক ৮৬৭—৮৯৪); হস্ত-সমূহৰ বিষয়ে জানিব লগীয়া যৎকিঞ্চিৎ আৰু উপসংহাৰ (৮৯৫—৯১৬)।

শুভঙ্কৰে তেওঁৰ দ্বিতীয় কৃতি সঙ্গীত-দামোদৰৰ কেইবাঠাইতো তেওঁৰ প্রথম ৰচনা হস্তমুক্তাৱলীৰ উল্লেখ কৰিছে। তলত সেই উল্লেখবোৰ উদ্ধাৰ কৰি দিয়া হ'ল—

এতেষাং সর্ৱেষাং হস্তকানাং ৱিষয়লক্ষণাণি···। অতো মৎকৃৎহস্তমুক্তাৱল্যাং সকলানি ৱিশেষতো বোদ্ধৱ্যানি বুদ্ধিমদ্ভিৰিতি। (চতুর্থ স্তৱক)

তৎ সর্ৱং মমৈৱ হস্তমুক্তাৱল্যাং ৱর্ততে, তত্রৈৱানুসন্ধেয়ং যুক্তিমদ্ভিৰিতি। (চতুর্থ স্তৱক)।

খটিকাপটপুণ্যানি সিদ্ধুথং খটিকাদয়ঃ।
হস্তমুক্তাৱলীকর্তুৰ্ৱিষং কৰিমুদে কৃতিঃ ॥ (পঞ্চম স্তৱক)

সঙ্গীতদামোদৰহস্তমুক্তাৱলীসুধাসেৱনমেৱ শেৱধিঃ।
সঙ্গীতশাস্ত্রৈর্গদিতৈঃ কিমন্যৈর্যত্রাধিযুক্তেক্ষুপুলাকসিক্থৈঃ ॥
(পঞ্চম স্তৱক)

॥ শুভঙ্কৰ কবিৰ সঙ্গীত-দামোদৰ ॥

অলপতে কলিকতা সংস্কৃত কলেজৰ গৱেষণা গ্রন্থাৱলীৰপৰা সঙ্গীত-দামোদৰখন ছপা হৈ ওলাইছে।[১] ইয়াৰ আগতে সেই পুথিৰ কোনো সংস্কৰণ ওলোৱা আমাৰ চকুত নপৰে। মাদ্রাজৰ মিউজিক্ একাডেমিৰ পত্রিকাত আৰু কলিকতাৰ প্রবাসী কাকতত বিভিন্ন লেখকৰ এই গ্রন্থ-বিষয়ক প্রবন্ধ প্রকাশ পাইছিল। ফৰাচী প্রাচ্যতত্ত্ৱৱিদ্ আৰু সঙ্গীততত্ত্ৱৱিদ্ Alain Danielou-এ পেৰিছৰ ৰাষ্ট্রীয় গ্রন্থাগাৰত থকা পুথি (৬৭টা পাত, তাৰিখ ১৬৪৪ শক; মৈথিলী হৰফত লিখিত) আৰু লণ্ডনৰ ইণ্ডিয়া অফিচত সংৰক্ষিত পুথি (৫২টা পাত, ১৬৪৩ শক) দুখন মিলাই ছপাৰৰ কাৰণে এটি পাঠ ঠিক কৰি থৈছে। সংস্কৃত কলেজৰ সংস্কৰণটি এই দুখন পুথিৰ পাঠ

১। *Sangita-damodarah* of Subhankara, ed. by Gaurinath Sastri and Govindagopal Mukhopadhyaya, Calcutta Sanskrit College Series, No. XI, Calcutta, 1960.

আৰু কলেজৰ পুথি-ভঁৰালত থকা দুখন পুথিৰ পাঠ মিলাই সম্পূৰ্ণ কৰা হৈছে। ১২১টা পাতৰ এখন সঙ্গীত-দামোদৰ পুথি কৃষ্ণনগৰৰ গ্ৰন্থাগাৰত আছিল। পিছত তাক কলিকতাৰ এছিয়াটিক্ ছোচাইটিৰ গ্ৰন্থাগাৰলৈ নিয়া হয়; তাৰ পিছত আৰু সেই পুথিৰ বিষয়ে একো জনা নাযায়। অসমত এই পুথিৰ কোনো নকল এতিয়ালৈকে আৱিষ্কাৰ হোৱাৰ সম্বাদ আমি পোৱা নাই।

সঙ্গীত-দামোদৰ পাঁচটি স্তৱকত সম্পূৰ্ণ কৰা হৈছে। প্ৰথম স্তৱকত ভাৱ, হাৱ, অনুভাৱ, বিভাৱ, অভিসাৰিকাৰ গমনকাল, নায়ক-নায়িকাৰ অনঙ্গ-দশা আৰু দূতীৰ বৰ্ণনা দিয়া হৈছে। দ্বিতীয় স্তৱকত নায়িকাৰ বহল বিশ্লেষণ, সখী আৰু নায়কৰ কথা কৈ নাদৰ কথা আৰু গীতৰ অঙ্গবিভাগ দিয়া হৈছে। তৃতীয় স্তৱকৰ বিষয়-বস্তু হ'ল স্বৰ, গমক, গণ, মূৰ্চ্ছনা, বৰ্ণ, তাল, গ্ৰাম, ৰাগ আৰু তাল; এই স্তৱকতে বহুতো ৰাগৰ লক্ষণ বা ৰূপ দিয়া হৈছে। চতুৰ্থ স্তৱকৰ আলোচ্য বিষয় হ'ল শ্ৰুতি, নায়কৰ সচিব, কলা, তত শূষিৰ আনদ্ধ আৰু ঘনৰূপে বাদ্য-বিভাগ, মাত্ৰা, অঙ্গহাৰ, নৃত্ত আৰু নৃত্যৰ বিভিন্ন অঙ্গ, নাট্য, ৰঙ্গবিন্যাস, জৰ্জ্জৰ-পূজা, পূৰ্ব্ব-ৰঙ্গ আদি, বৃত্তি, ভাষাবিভাগ, বিভাষা, ৰূপকৰ প্ৰকাৰ-ভেদ। পঞ্চম স্তৱকত আলোচনা কৰা হৈছে গায়ন-দোষ, গীতৰ লয়, ৰস-বিভাগ।

অধ্যাপক Danielou-এ সঙ্গীত-দামোদৰৰ বিষয়ে লিখিছে, 'এইটো নিশ্চিত কথা যে বৰ্ত্তমানে সকলো ঠাইতে প্ৰচলিত উত্তৰ-ভাৰতৰ সঙ্গীতৰ প্ৰাচ্য শাখাৰ পদ্ধতি ইয়াত বৰ্ণিত হৈছে। সঙ্গীত-ৰত্নাকৰৰ পিছত ৰচিত সঙ্গীত-শাস্ত্ৰবোৰৰ ভিতৰত সঙ্গীত-দামোদৰেই সকলোতকৈ গুৰুত্বপূৰ্ণ আৰু সৰাতো বিস্তৃত গ্ৰন্থ যেন লাগে। ই সঙ্গীত-তত্ত্ব আৰু সঙ্গীত-পদ্ধতিৰ বিভিন্ন দিশৰ বিস্তৃত আৰু দীঘলীয়া বৰ্ণনা দিছে। অলপ দিনলৈকে ই ভাৰতৰ পূৰ অংশত অবিসম্বাদিত প্ৰামাণ্য গ্ৰন্থ-ৰূপে আছিল আৰু এনে লাগে যেন ইয়াত বৰ্ণিত সঙ্গীত-পদ্ধতি আমাৰ সময়ৰ আগলৈকে বাহাল আছিল।' শুভঙ্কৰে সঙ্গীত-দামোদৰত তেওঁৰ আগৰ অনেক সঙ্গীত আৰু নাট্য-শাস্ত্ৰৰ উল্লেখ কৰিছে। তাৰ ভিতৰত প্ৰধান হ'ল দশৰূপ, নাট্যদৰ্পণ, সঙ্গীত-চূড়ামণি, ৰত্নকোশ, সঙ্গীত-ৰত্নাকৰ আৰু নাট্যলোচন। এই গ্ৰন্থত উল্লিখিত গ্ৰন্থকাৰসকলৰ ভিতৰত ভৰত, নাৰদ, বাৎসায়ন, কালিদাস আৰু উজ্জলদত্ত প্ৰধান।

॥ শুভঙ্কৰৰ পৰিচয় ॥

শুভঙ্কৰৰ পৰিচয়, স্থান আৰু কাল সম্পৰ্কে নিশ্চিতকৈ এতিয়াও একো ক'ব পৰা হোৱা নাই। অসম, বঙ্গ আৰু মিথিলাৰ লেখকসকলে তেওঁক নিজৰ নিজৰ ৰাজ্যৰ সম্পত্তিৰূপে দাবী কৰি আহিছে। হস্তমুক্তাৱলীৰ ৯১২শ শ্লোকত শুভঙ্কৰে 'কুষিণৰ-মহত্তৰ'সকলক তেওঁৰ গ্ৰন্থখনি আদৰ কৰিবলৈ এটি মিনতি জনাইছে।—

যে যে হস্তকশাস্ত্ৰজ্ঞাঃ কুষিণৰমহত্তৰাঃ।
তেঽনুগৃহ্নন্তু পৰয়া মুদা মদ্ভাৰতীমিমাম্॥

ইয়াত 'কুষিণৰ' শব্দটোৰ পৰিৱৰ্ত্তে 'কুশীলৱ' পাঠ গ্ৰহণ কৰিবৰ বাবে এটা প্ৰবৃত্তি ওপজে। কিন্তু পুৰণি অসমীয়া অনুবাদখনিত 'কুষিণৰ-মহত্তৰাঃ' কথাংশটোৰ ৰূপান্তৰ কৰা হৈছে—'কুষিণৰ দেশৰ মহন্তসকল'। সম্ভৱতঃ এই-টোৱেই অনুবাদখনিৰ সময়ত সৰ্ব্বজন-গৃহীত অৰ্থ; আৰু সম্ভৱতঃ সেই সময়ত পাৰ পৰা হস্তমুক্তাৱলীৰ টীকা-ছায়া আদিত এনে অৰ্থই গৃহীত হৈছিল। ইয়াত 'কুষিণৰ' শব্দটোৰ আচল ৰূপ বা ৰূপান্তৰ 'কুশীনাৰা' বুলি ধৰিব পৰা হয়। কুশীনাৰা বা কুশীনগৰ ভগৱান বুদ্ধদেৱৰ মহাপৰিনিৰ্ব্বাণৰ স্থান। ইয়াক বৰ্ত্তমান গোৰক্ষপুৰৰ ৩৭ মাইল পূৰৰ কাসিয়া নামৰ গাঁওখন বুলি চিনাক্ত কৰা হৈছে। সেই স্থানত কিছু প্ৰাচীন ভগ্নাৱশেষো পোৱা গৈছে। ঠাইডোখৰৰ অতি প্ৰাচীন নাম আছিল কুশাৱতী; সি আছিল দক্ষিণ কোশলৰ ৰাজধানী। কাসিয়াৰ বৰ্ত্তমান অৱস্থালৈ চাই তাত নৃত্য-গীতৰ চৰ্চ্চা থকা কলা-কৌশলীসকলৰ এখন স্থান আছিল বুলি হঠাতে ভাবিব নোৱাৰি। এই প্ৰসঙ্গত ডক্টৰ সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াই 'মহাপৰিনিৰ্ব্বান-সূত্ত'ৰ এটি ছেদলৈ আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। মহাপৰিনিৰ্ব্বাণৰ আগে আগে যেতিয়া ভগৱান বুদ্ধই কুশাৱতীৰ নিচিনা এখন পিছ পৰা ঠাইলৈ খোজ লয়, তেওঁৰ পৰমানুৰক্ত আনন্দই সন্দিহান হৈ প্ৰশ্ন কৰিলে। বুদ্ধদেৱে তেতিয়া ক'লে, মল্লসকলৰ ৰাজধানী কুশাৱতীক এসময়ত দিনে-ৰাতিয়ে দহপ্ৰকাৰ শব্দই ধ্বনিত-প্ৰতিধ্বনিত কৰি ৰাখিছিল।—

১। N. L. Dey, *The Geographical Dictionary of Ancient and Mediaeval India*, London, 1927, pp. 111-ff.

'কুসাৱতী আনন্দ! ৰাজধানী দসহি সদ্দেহি অৱিত্তা অহোসি দিবা চেব ৰত্তি চ। সেয্যথিদং—হত্থিসদ্দেন, অস্সসদ্দেন, ৰথসদ্দেন, ভেৰিসদ্দেন, মুদিঙ্গসদ্দেন, ৰিণাসদ্দেন, গীতসদ্দেন, সঙ্খসদ্দেন, সম্মসদ্দেন, অন্নাথ পিৰথ খাদথাতি দসমেন সদ্দেন।'[১]

আমি মাত্ৰ অনুমান কৰিব পাৰোঁ, ভগৱান বুদ্ধৰ দিনত দহপ্ৰকাৰ সঙ্গীতময় আৰু অসঙ্গীতময় ধ্বনিৰে ভৰা কুশাৱতী বা কুশীনাৰাত শুভঙ্কৰ কৰিব দিনত আকৌ নানাজন সঙ্গীত-পটু লোকৰ উদ্ভৱ হৈছিল। যুক্তপ্ৰদেশৰ পূৰ্বভাগৰ এই ঠাইতে হয়তো শুভঙ্কৰৰ জন্ম হৈছিল। ই অৱশ্যে অনুমানৰহে কথা।

শুভঙ্কৰৰ স্থান সম্পৰ্কত এটি সৰু কথা আমি মন কৰিব পাৰোঁ।—সেয়ে হ'ল 'কিৰাত' (শ্লোক ৩৪৮) শব্দটোৰ উপৰিও জাতিবাচক 'কোচ' (শ্লোক ৫১৮) শব্দৰ উল্লেখ। (অনুবাদত 'কিৰাত' শব্দৰ অৰ্থ কৰা হৈছে 'কছাৰী' বুলি।) ইয়াৰপৰা অন্ততঃ এইটো অনুমান কৰিব পাৰি যে শুভঙ্কৰ পূৰ ভাৰতৰ লোক। লগতে এইটোও ভাবিব পাৰিনেকি যে কমতাক কেন্দ্ৰ কৰি কোচ ৰাজশক্তিৰ অভ্যুদয়ৰ সময়তে শুভঙ্কৰ জীয়াই আছিল? এই প্ৰসঙ্গত আৰু এটা কথালৈ আঙুলিয়াই দিব পাৰোঁ যে জ্যোতিৰীশ্বৰ কবিশেখৰৰ মৈথিলী গদ্যত লিখা বৰ্ণৰত্নাকৰ পুথিৰ পঞ্চম কল্লোলত[২] মৃগয়াৰ প্ৰশস্ত ঠাই অৰণ্যৰোৰত বাস কৰা জনজাতিবোৰৰ নাম এইদৰে দিয়া হৈছে—

'কোচ কিৰাত কোল্হ ভিল যস পুলিন্দ সবৰ ছৈৰঙ্গ মেজ গোণ্ঠ বোট নেট পহলিয়া পোধ দীতৰাৰ সাগৰ বান্তৰ প্ৰভৃতি অনেক জে ম্লেচ্ছ জাতি তাক নিৰাসস্থান।'

হস্তমুক্তাৱলীত কবিয়ে নিজতে 'কৰি চক্ৰৱৰ্তি-পদৱী-সঙ্গেন সঙ্গীতৰিং' উপাধি প্ৰয়োগ কৰিছে। এই কথাৰ অসমীয়া অনুবাদ কৰা হৈছে এইদৰে—কবি চক্ৰৱৰ্ত্তীৰ সঙ্গত থাকি যি সঙ্গীতবিদ হৈছে। অসমৰ কোনো কোনো লেখকে এই কবি-চক্ৰৱৰ্ত্তী শব্দই ৰুদ্ৰসিংহ (১৬৯৪-১৭১৪) আৰু শিৱসিংহ (১৭১৪-৪৪) স্বৰ্গদেৱৰ সভাকবি ৰামনাৰায়ণ কবিৰাজ চক্ৰৱৰ্ত্তীক বুজাইছে বুলি ভাবিবৰ অৱকাশ পাইছে। কিন্তু পুৰণি অসমীয়া অনুবাদখনিৰ এই

১। মহাপৰিনিৰ্ব্বানসুত্ত, ২০৬।

২। ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায়ঃ 'The Varṇa-ratnākara of Jyotirīśvara Kaviśekharācārya', *Proceedings of the Fourth Oriental Conference*, Allahabad, Vol. II, p. 568.

ভাঙনি আৰু নতুন লেখকসকলৰ এই মত গ্ৰহণীয় নহয়। মন কৰিব লগীয়া যে সঙ্গীত-দামোদৰতো শুভঙ্কৰে নিজৰ বিষয়ত একে ধৰণেৰে এটি বিশেষণ প্ৰয়োগ কৰিছে—খ্যাতো যঃ কৰি-চক্ৰৱৰ্তি-পদতো। ইয়াৰপৰা বুজা যায় যে কৰি-চক্ৰৱৰ্ত্তী শুভঙ্কৰৰ ঈপ্সিত বা প্ৰাপ্ত এটি পদবী।

আউনীআটি সত্ৰৰ পুথিখনি উদ্ধাৰ হোৱাৰ পিছৰপৰা শুভঙ্কৰক অসমৰ লোক বুলি দাবী কৰি অহা হৈছে।[১] শ্ৰীশ্ৰীআউনীআটীয় সত্ৰাধিকাৰ প্ৰভুৱে এখনি পত্ৰত লিখিছে যে হস্তমুক্তাৱলীক নিজৰ সত্ৰৰ এক আচুতীয়া সম্পত্তি বুলি ভাবি অহা হৈছে। কিন্তু আমি এতিয়াই দেখা পাম যে শুভঙ্কৰ কবি অসমত সত্ৰ-প্ৰতিষ্ঠাৰ বহুত আগৰ লোক। দ্বিতীয়তে, হস্ত-মুক্তাৱলীৰ মঙ্গলাচৰণত সত্ৰীয়া নিয়মেৰে শ্ৰীকৃষ্ণক নমস্কাৰ নজনাই ভগৱান শিৱকহে অভিবাদন জনোৱা হৈছে। তদুপৰি, আমাৰ সত্ৰসমূহত হস্তমুক্তাৱলীৰ প্ৰয়োগ বিৰল বা শূন্য বুলিয়েই ক'ব পাৰি। অৱশ্যে এইটো বোধ হয় সম্ভৱ যে হস্তমুক্তাৱলীৰ অসমীয়া অনুবাদটি সত্ৰীয়া বা অসত্ৰীয়া ব্যাহ গোৱা ওজা-পালিৰ ব্যৱহাৰৰ কাৰণেই প্ৰস্তুত হৈছিল।

কোনো কোনো লেখকে শুভঙ্কৰ কবিক মিথিলাৰ সঙ্গীত-বিশাৰদ নৃপতি শুভঙ্কৰ ঠাকুৰ (১৫৮৩-১৬১৯) বুলি বিবেচনা কৰিছে। বিশেষকৈ মিথিলাৰ আধুনিক পণ্ডিতসকলে শুভঙ্কৰ কবি বা এই মহাৰাজ শুভঙ্কৰ ঠাকুৰকে জ্যোতিষ-শাস্ত্ৰ তিথি-নিৰ্ণয় আৰু সঙ্গীত-দামোদৰৰ গ্ৰন্থকাৰ বুলি ধৰিছে।[২] মহাৰাজ শুভঙ্কৰ ঠাকুৰৰ পিতৃৰ নাম গোপাল বা মহেশ ঠাকুৰ। কিন্তু শুভঙ্কৰ কবিয়ে সঙ্গীত-দামোদৰত দিয়া বংশ-লতাত এই নাম পোৱা নাযায়। গতিকে হস্তমুক্তাৱলী আৰু সঙ্গীত-দামোদৰৰ কবি শুভঙ্কৰ আৰু মহাৰাজ শুভঙ্কৰ ঠাকুৰ একেজন মানুহ হ'ব নোৱাৰে।

শুভঙ্কৰে সঙ্গীত-দামোদৰত তেওঁৰ আজোককাক নাৰায়ণৰপৰা নিজৰ চাৰিজন পুত্ৰলৈকে বংশলতা আঁকিছে এইদৰে—

১। K. L. Barua, *Early History of Kamarupa*, Shillong, 1935, p. 326; B. K. Barua: 'A short note on Sri Hastamuktavali', *Journal of the Assam Research Society*, Gauhati, Vol. VIII, pp. 71-ff

২। পণ্ডিত পৰমেশ্বৰ ঝা, মিথিলাতত্ত্বৰিমৰ্শ; S. N. Sinha, *History of Tirhut*, 1922, p. 172; Jayakanta Mishra, *A History of Maithili Literature*, Allahabad, 1949, pp. 34-ff.

নাৰায়ণানিৰুদ্ধ-শ্রীধৰ-কুল-সিন্ধু-কুমুদিনী-বন্ধুঃ।
দোষাকৰ-তাৰস্কোনস্কঃ স শুভস্কৰো জয়তি ॥
শ্রীদেৱকীনন্দন-ৰাজশেখৰৌ সুসেন-দামোদৰকৌ সহোদৰৌ।
এষাং মদীয়াঙ্গ-ভুৱাঞ্চতুর্ণাং কৃতে কৃতিং ৱিস্তৰসেন পূর্ণাম্ ॥
অপুনর্ভৱ এৱাস্তু ভৱশ্চেদিতি জাগ্রতু।
লাহাড়ীয়কুলে জন্ম কৱিতা হৱিভক্তয়ঃ।

ইয়াত 'লাহাড়ীয়কুলে জন্ম' কথাটোৰ ওপৰতে ঘাইকৈ নির্ভৰ কৰি এজন বঙালী লেখকে [১] বঙ্গদেশৰ কোনো বাৰেন্দ্র শ্রেণীৰ লাহিড়ী নামৰ ব্রাহ্মণ বংশত হস্তমুক্তাৱলী আৰু সঙ্গীত-দামোদৰৰ লেখক শুভস্কৰৰ জন্ম হৈছিল বুলি ক'বলৈ বিচাৰিছে। উক্ত লেখকজনে এই মর্ম্মে কুলপঞ্জীও বাহিৰ কৰিছে। কিন্তু কুলপঞ্জীৰ কথাৰ ওপৰত নির্ভৰ কৰা সদায় নিৰাপদ নহয়।

সঙ্গীত-শাস্ত্রকাৰ আৰু এজন শুভস্কৰৰ নাম পোৱা গৈছে। এছিয়াটিক ছোচাইটিৰ সংস্কৃত ভাষাৰ পুথিৰ ভিতৰত সঙ্গান-সাগৰ নামৰ এখনি সঙ্গীত-শাস্ত্রৰ পুথিৰ দুটা নকল পোৱা গৈছে। এই পুথিৰ পুষ্পিকাত আছে—সপ্তম-চক্রৱর্ত্তী-শ্রীমজ্জয়চ্চন্দ্রদেৱ-সভানন্দ-কৱি-বাল-সৰস্বতী-শ্রীশুভস্কৰ-ৱিৰচিতে সংগানসাগৰে...।[২]

এই উল্লেখৰ সপ্তম-চক্রৱর্ত্তী জয়চ্চন্দ্রদেৱ কোন আৰু তেওঁৰ সভাকবি বালসৰস্বতী শুভস্কৰক হস্তমুক্তাৱলী আৰু সঙ্গীত-দামোদৰ গ্রন্থকাৰৰ লগত একে বুলি ভাবিব পাৰিনেকি, ক'ব নোৱাৰি।

সঙ্গান-সাগৰ পুথিখন খণ্ডিত; তাৰ দুয়োটা নকলৰে বহুতৰোৰ পাত নাই। শাস্ত্রখনৰ নর্ত্তন অধ্যায় আৰম্ভ হৈছে এইদৰে,—

পূর্ৱং যেন কৃতং স্ৱয়ং ভগৱতা নৃত্যং ৱৰং তাণ্ডৱং
গৌৰীপ্রীতিকৰং হৱেণ সুচিৰং নত্বা তমীশং ৱিভুম্।
আচার্যং ভৱতং প্রণম্য শিৱসা শ্রীনন্দিকেশং ততঃ
শ্রীমানেষ শুভস্কৰো ৱিতনুতে নৃত্যস্য লক্ষ্মাধুনা ॥

১। দীনেশচন্দ্র ভট্টাচার্য্য, সঙ্গীত-দামোদৰ (বাঙ্গালীৰ ৰচিত চিৰলুপ্ত গ্রন্থ), প্রবাসী, ২য় খণ্ড, কার্ত্তিক-চৈত্র, ১৩৫৪ সন, পৃষ্ঠা ৩৮—।

২। H. P. Sastri, *A Descriptive Catalogue of the Sanskrit Manuscripts in the Collection of the Asiatic Society*, Vol. XIV, Calcutta, 1955, pp. 38-40, No. 61.

মতঙ্গমতমালোক্য পার্থশ্রীভোজভূভুজঃ
ততঃ সোমেশ্ৱরস্যাপি সুস্পষ্টং লক্ষ্মসংযুতম্।

মন কৰিব লগীয়া হস্তমুক্তাৱলীৰ গ্রন্থকাৰেও গ্রন্থৰ আৰম্ভতে হৰ-গৌৰীক স্মৰণ কৰিছে। সঙ্গীত-দামোদৰতো ভৰত আৰু মতঙ্গৰ দৰে প্রাচীন নাট্য-শাস্ত্রকাৰসকলক স্মৰণ কৰা হৈছে। অৱশ্যে হস্তমুক্তাৱলীত স্পষ্ট উল্লেখৰূপে ভৰতৰহে নাম পোৱা যায়। এনে সামান্য উল্লেখৰপৰা আমাৰ গ্রন্থকাৰক সঙ্গান-সাগৰৰ গ্রন্থকাৰৰ লগত একে কৰিবৰ ঠেক পোৱা নাযায়। আনফালে সঙ্গীত-দামোদৰক নন্দিকেশ (অভিনয়-দর্পণৰ গ্রন্থকাৰ নন্দিকেশ্ৱৰ), পৰমাৰ নৃপতি ভোজ (১০১০—৫৫) আৰু সোমেশ্ৱরৰ (সম্ভৱতঃ মানসোল্লাস বা অভিলষিতার্থচিন্তামণিৰ গ্রন্থকাৰ চালুক্যৰাজ দ্বিতীয় সোমেশ্ৱর) নামৰ সঙ্গীত-দামোদৰত উল্লেখ হোৱা নাই। মুঠতে, হস্তমুক্তাৱলী আৰু সঙ্গান-সাগৰৰ গ্রন্থকাৰ দুজন বুলিয়েই ধৰিব লাগিব।

শুভস্কৰৰ কাল ॥

সঙ্গীত-দামোদৰৰ আৰম্ভণিতে শুভস্কৰে কেইবাখনো প্রাচীন সঙ্গীতশাস্ত্র আৰু কেইবাজনো সঙ্গীত-শাস্ত্রকাৰৰ নাম লৈছে—সঙ্গীত-কল্প-ৱল্লী, সঙ্গীত-শেখৰ, নাট্য-লোচন, সঙ্গীত-কলা-কল্পবৃক্ষ, দশৰূপ, নাট্যদর্পণ, ৰত্নকোশ, সঙ্গীত-ৰত্নাকৰ, সঙ্গীত-শাৰদা, মুক্তাৱলী, নাৰদ আৰু ভৰত। Alain Danielou-এ মন্তব্য কৰিছে, 'সঙ্গীত-ৰত্নাকৰৰ নাম গ্রন্থকাৰে আলোচনা কৰা পুথিৰ তালিকাত এবাৰ মাথোন দেখা যায়। তাৰ গ্রন্থকাৰৰ নাম ক'তো দিয়া হোৱা নাই। পুথিখনৰ নামটোৱে শার্ঙ্গদেৱৰ গ্রন্থকে সম্ভৱতঃ বুজাইছে; কিন্তু এই বিষয়ে থিৰাংকৈ একো ক'ব নোৱাৰি। এই নামৰ কেইবাখনো গ্রন্থ আছে।'

ৰামকৃষ্ণ কৱিয়ে লিখিছে, 'সঙ্গীত-দামোদৰৰ গ্রন্থকাৰ জগদ্ধৰৰ পিছত জীৱিত আছিল আৰু হস্তমুক্তাৱলী ৰচনা কৰিছিল। নেপালৰ ঘনশ্যামে এই হস্তমুক্তাৱলীৰ এখন টীকা ৰচনা কৰে। (শুভস্কৰে) দুখন নাট্যলোচন (অভিনয় আৰু ত্রিলোচনৰ), দুখন নাট্যদর্পণ (গুণচন্দ্রৰ আৰু কোনোবা এজন নিনাও লেখকৰ), নটোৰগী, শাৰদা (শাৰদা-তনয়), সঙ্গীত-চূড়ামণি (সাগৰনন্দী), তুম্বুৰু-নাটক, নাগৰ-সর্ব্বস্ব (পদ্মশ্রী), ধূর্ত্তসমাগম

(জ্যোতিৰীশ্বৰ) উল্লেখ কৰিছে।[১] এটি পাঠমতে শুভঙ্কৰে সঙ্গীতসর্ব্বস্ব নামে শাস্ত্ৰৰ নাম লৈছে আৰু শাস্ত্ৰখনি মৈথিল মহাপণ্ডিত জগদ্ধৰৰ ৰচিত বুলি অনুমান কৰা হৈছে। ৰামকৃষ্ণ কৰিৰ মতে জগদ্ধৰ ১৫০০ খ্ৰীস্টাব্দমানৰ লোক। কাৰণ সঙ্গীত-শেখৰৰ গ্ৰন্থকাৰ এই জগদ্ধৰে সঙ্গীতৱল্লী, সঙ্গীত-শেখৰ, ত্ৰিলোচনৰ নাট্য-লোচন আৰু নাট্য-দর্পণৰ (গুণচন্দ্ৰৰখন নহয়) উল্লেখ কৰিছে। শুভঙ্কৰে উল্লেখ কৰা মুক্তাৱলী সম্ভৱতঃ দেৱেন্দ্ৰৰ সঙ্গীত-মুক্তাৱলী (আনুমানিক ১৪০০ খ্ৰীস্টাব্দ)। এই সঙ্গীত-মুক্তাৱলীৰ উল্লেখ ১৩৫০ শক বা ১৪২৮ খ্ৰীস্টাব্দত লিখিত সঙ্গীত-শিৰোমণিত পোৱা যায়। আনফালে দেৱেন্দ্ৰই চতুর্দ্দশ শতিকাৰ দ্বিতীয় ভাগৰ দেৱণভট্টৰ প্ৰামাণ্য উদ্ধাৰ কৰিছে।

শুভঙ্কৰে নাম উল্লেখ কৰা গ্ৰন্থবোৰ ত্ৰয়োদশ শতিকা বা তাৰ আগৰ। শাৰদা বা সঙ্গীত-শাৰদাখন সম্ভৱতঃ শাৰদাতনয়ৰ শাৰদীয় নামৰ গ্ৰন্থখনেই। ইয়াৰ উল্লেখ শাৰদাতনয়ে নিজে ভাৱপ্ৰকাশত দিছে (১২শ বা ১৩শ শতাব্দ)। মিথিলা বা মগধৰ ৰজা নান্যদেৱে ৰত্নকোশৰ উল্লেখ কৰিছে ; নান্যদেৱৰ উল্লেখ আকৌ পোৱা যায় শাৰ্ঙ্গদেৱত। পশ্চিম চালুক্য ৰজাসকলৰ মাজৰ ৰজা জগদেকমল্লই (১৩৩৪-৪৩) লিখা এখন সঙ্গীত-চূড়ামণি আছে। একে নামৰ আৰু এখন শাস্ত্ৰ পোৱা যায় কৰি চক্ৰৱর্ত্তী নামে এজন গ্ৰন্থকাৰৰ। জগদ্ধৰে যিবিলাক শাস্ত্ৰৰ নাম উল্লেখ কৰিছে, শুভঙ্কৰেও সেইবোৰৰ নাম দিছে।

ধূর্ত্তসমাগম নামে এখন প্ৰহসনৰ নাম সঙ্গীত-দামোদৰত দিয়া হৈছে চতুর্থ স্তৱকত, য'ত শুভঙ্কৰে বিবিধ ৰূপক আৰু উপৰূপকৰ উদাহৰণ-স্বৰূপে দময়ন্তী-সংহাৰ, বালী-বধ, সত্যভামা, মায়াকাপালিক আদি নামবোৰ উদ্ধাৰ কৰিছে। ধূর্ত্ত-সমাগম প্ৰহসনখন এখন আদি-ৰসাত্মক প্ৰহসন। এইখনৰ নাট্যকাৰ হ'ল শৃঙ্গাৰ-তত্ত্বৰ পুথি পঞ্চ-সায়ক আৰু মৈথিলী গদ্যৰ পুথি বর্ণৰত্নকাৰৰ গ্ৰন্থকাৰ জ্যোতিৰীশ্বৰ কবিশেখৰ। মিথিলাৰ কর্ণাটকী ৰজা হৰিসিংহদেৱৰ (বা হৰসিংহদেৱ) ৰাজত্বৰ কালত প্ৰহসনখন লিখা হয়। মহামহোপধ্যায় হৰপ্ৰসাদ শাস্ত্ৰী আৰু চি. বেণ্ডালৰ মতে এইজন ৰজা মিথিলাৰ ছিমৰাওনৰ শাসনকর্ত্তা আছিল আনুমানিক ১৩২৪ ছনত।[২]

১। ভৰতকোশ, Introduction, p. xx.
২। *Catalogue of Palm-leaf and Select Paper Manuscripts belonging to the Darbar Library, Nepal*, Calcutta, 1905.

পঞ্চসায়কৰ নিচিনা আৰু এখন শৃঙ্গাৰতত্ত্বৰ পুথি নাগৰসর্ব্বস্বৰ গ্ৰন্থকাৰ পদ্মশ্ৰীজ্ঞানো মিথিলাৰ মানুহ। এই গ্ৰন্থৰ এখন টীকা ৰচিত হৈছিল ষোড়শ শতিকাৰ শেষ কিম্বা সপ্তদশ শতিকাৰ আৰম্ভণৰ নেপালৰ ৰজা জগজ্জ্যোতির্ম্মল্লদেৱৰ ৰাজত্বত।

মুঠতে, শুভঙ্কৰ কবিৰ সময় চতুর্দ্দশ শতিকাৰ প্ৰথম ভাগতকৈ আগ হ'ব নালাগে। যদি ৰামকৃষ্ণ কৰিৰ মত ঠিক হয়, শুভঙ্কৰৰ তাৰিখ ষোড়শ শতিকাৰ প্ৰথম ভাগৰ আগলৈ নাযায়।

এতিয়া শুভঙ্কৰৰ তাৰিখ কিমান পিছলৈ যাব পাৰে, তাকো চোৱা যাওক। ৰজা ৰাঘৱৰায়ৰ হস্তৰত্নাৱলী পুথিখন হস্তমুক্তাৱলীৰ ওপৰত নির্ভৰ কৰি লিখা। এইজন ৰজা নৱদ্বীপৰ অধিপতি আছিল বুলি জনা গৈছে।[১] 'দ্বিজন্মবংশপ্ৰসূত' ৰাঘৱৰায়ৰ সম্পর্কে সংস্কৃতত ৰচিত নৱদ্বীপৰ ৰাজবংশাৱলী 'ক্ষিতীশৱংশাৱলীচৰিত'[২] আৰু বঙলাত লিখা ৰজা কৃষ্ণচন্দ্ৰৰ জীৱনীৰপৰা (লণ্ডন, ১৮১১) বহুতখিনি কথা জানিব পৰা হৈছে। ৰাঘৱৰায় অষ্টাদশ শতিকাৰ আৰম্ভৰ নৱদ্বীপৰ ৰজা কৃষ্ণচন্দ্ৰৰায়ৰ প্ৰপিতামহৰ পিতামহ। এই ৰাজবংশটিৰ প্ৰতিষ্ঠাতা কান্যকুব্জৰ ব্ৰাহ্মণ নৃপতি ক্ষিতীশৰ পুত্ৰ ভট্টনাৰায়ণ গৌড়েশ্বৰ আদিস্থৰৰ দিনত ৯৯৯ শকত গৌড়ৰাজ্যলৈ আহি কিছু গাঁও কিনি লৈ তাৰ অধিপতি হয়। ৰাঘৱৰায়ে ১৬৩২ খ্ৰীস্টাব্দলৈ একাৱন্ন বছৰ নৱদ্বীপত ৰাজত্ব কৰিছিল। এওঁ 'নিখিলগুণসম্পন্ন প্ৰজাহিতান্বেষী সুপ্ৰসিদ্ধ' ৰজা। দিল্লীশ্বৰৰপৰা ৰাঘৱৰায়ে হস্তীপ্ৰসাদ আৰু মহাৰাজ উপাধি লাভ কৰিছিল। তেওঁ প্ৰতিষ্ঠা কৰা ৰেউই আৰু মাদুর্ণা নগৰৰ নাম তেওঁৰ পুত্ৰ ৰুদ্ৰৰায়ৰ দিনত ক্ৰমে কৃষ্ণনগৰ আৰু শ্ৰীনগৰ হয়। নৱদ্বীপৰ ৰাজবংশ সাহিত্য-সংস্কৃতিৰ পৃষ্ঠপোষক আছিল। সপ্তদশ শতিকাৰ শেহৰ ফালে ৰাঘৱৰায়ে এই ৰাজ্যতে এই হস্তৰত্নাৱলী ৰচনা কৰে।

সঙ্গীত-সাৰ-সংগ্ৰহ আৰু গীত-চন্দ্ৰোদয় নামৰ দুখন গ্ৰন্থৰ গ্ৰন্থকাৰ বঙ্গদেশৰ ঘনশ্যাম দাস বা নৰহৰি দাসে (সপ্তদশ শতিকাৰ শেষভাগ বা অষ্টাদশ শতিকাৰ প্ৰথম ভাগ) তেওঁৰ দুয়োখন পুথিতে সঙ্গীত-দামোদৰৰ উদ্ধৃতি দিছে।

১। দীনেশচন্দ্ৰ ভট্টাচার্য্য, সঙ্গীত-দামোদৰ, প্ৰবাসী, ২য় খণ্ড, কার্ত্তিক-চৈত্ৰ ১৩২৪ সাল।
২। ক্ষিতীশৱংশাৱলীচৰিতং, A Chronicle of the Family of Raja Krishnachandra of Navadvipa, Bengal, edited and translated by W. Pertsch, Berlin, 1852.

নেপালৰ ৰজা জগজ্জ্যোতির্ম্মল্লৰ কন্যাৰ পুত্ৰ অনন্তৰ কাৰণে ঘনশ্যাম বোলা এজনে ১৬৭৫ ছনত হস্তমুক্তাৱলীৰ টীকা হস্তমুক্তাৱলী-সাৰ-সমুদ্ধৃতিকা ৰচনা কৰে।

পাঁচটা তৰঙ্গত ৰচিত সঙ্গীত-শাস্ত্ৰ ৰাগ-তৰঙ্গিণীত সঙ্গীতদামোদৰৰপৰা অনেক উদ্ধৃতি দিয়া হৈছে। এই পুথিখন দাৰভাঙ্গাৰ ৰাজপৰিয়ালৰ প্ৰতিষ্ঠাতা মহেশ ঠাকুৰৰ পৰিনাতি মহীনাথৰ ভায়েক নৰপতি ঠাকুৰৰ আজ্ঞাক্ৰমে ১৬৭৫ বা ১৬৮৫ ছনত ৰচনা কৰা হৈছিল বুলি বিৱেচনা কৰা হয়। এই ৰাগতৰঙ্গিণীৰপৰা হৃদয়নাৰায়ণেও (১৬৬৭ ছন) উদ্ধৃতি দিয়া দেখা যায়।

সঙ্গীত-দামোদৰ ৰচনা হোৱাৰ পিছতে সি পূৰ ভাৰতত জনপ্ৰিয় হৈ উঠিছিল বুলি অনুভৱ কৰিব পাৰি। নৰনাৰায়ণ ৰজাৰ ভ্ৰাতৃ আৰু সেনাপতি শুক্লধ্বজ বা চিলাৰায়ে তেওঁৰ গীত-গোৱিন্দৰ টীকা সাৰৱতীত সঙ্গীত-দামোদৰৰপৰা মালৱ, গুৰ্জ্জৰী আদি কেইবাটাও ৰাগ-ৰূপ উদ্ধাৰ কৰি দিছে। শুক্লধ্বজৰ আদেশক্ৰমে লিখা ভৰানন্দ ঠাকুৰৰ সদৰ্প-কন্দৰ্পতো সঙ্গীত-দামোদৰৰ উল্লেখ আছে। শুক্লধ্বজৰ মৃত্যু হয় ১৫৭১ ছনত। গতিকে বুজিব পাৰি ষোড়শ শতিকাৰ আগভাগ বা মাজভাগৰ আগতে সঙ্গীত-দামোদৰ ৰচিত হৈছিল। এইখিনিতে এইটো কথাও উল্লেখ কৰিব পাৰি যে অসমীয়া কবি ৰাম সৰস্বতীয়ে তেওঁৰ গীত-গোৱিন্দৰ পদ-ভাঙনিত সঙ্গীত-দামোদৰৰ ৰাগ-ধ্যানৰ কেইটিমানৰপৰা ভাঙনি সন্নিৱিষ্ট কৰিছে।

ওপৰৰ আলোচনাৰপৰা আমি ইমানকে ক'ব পাৰোঁ যে সঙ্গীত-দামোদৰ আৰু হস্তমুক্তাৱলী ষোড়শ শতিকাৰ মাজভাগৰ আগতেই ৰচিত হৈছিল।

॥ হস্তমুক্তাৱলীৰ বিষয়-প্ৰস্তাৱ ॥

আমি ইতিমধ্যে সন্নিৱেশ কৰা হস্তমুক্তাৱলীৰ বিশ্লেষণৰপৰা দেখা যাব যে এই গ্ৰন্থত ৩০খন অসংযুত হস্ত, ১৪ খন সংযুত হস্ত আৰু ২৭ খন নৃত্তহস্তৰ বিশদ বৰ্ণনা আছে। এই বিষয়-বস্তুৰ হস্তমুক্তাৱলীয়েই সৰাতো বহল গ্ৰন্থ। হস্তৰ লক্ষণ আৰু বিষয়ৰ লক্ষণৰ বিষয়ত শুভঙ্কৰ কবিয়ে নাট্যশাস্ত্ৰ আৰু সঙ্গীত-ৰত্নাকৰ আলোচনা কৰিছিল আৰু সিবোৰ বহুত দূৰলৈকে মানি লৈছিল বুলি ক'ব লাগিব। ভৰতৰ নাম এই শাস্ত্ৰত আছে; কিন্তু শাৰ্ঙ্গদেৱৰ বা সঙ্গীত-ৰত্নাকৰৰ নামৰ উল্লেখ ক'তো নাই। শুভঙ্কৰৰ দ্বিতীয়

গ্ৰন্থ সঙ্গীত-দামোদৰতহে ৰত্নাকৰৰ সামান্য উল্লেখ পোৱা যায়। শুভঙ্কৰৰ ওপৰত নন্দিকেশ্বৰ বা অভিনয়-দৰ্পণৰ প্ৰত্যক্ষ প্ৰভাৱ পৰা যেন নালাগে।

তলত আমি শুভঙ্কৰৰ হস্ত-লক্ষণ সম্পৰ্কে অলপ তুলনামূলক আলোচনা কৰিছো। ১

॥ অসংযুত হস্ত ॥

নাট্যশাস্ত্ৰ আৰু ভক্তি-ৰত্নাকৰত একে ২৪ খন অংসযুত হস্ত আছে, কিন্তু ভক্তি-ৰত্নাকৰত নিকুঞ্চক নামে এখন অধিকা হস্তৰ বৰ্ণনা দিয়া হৈছে মতান্তৰ-ৰূপে। অভিনয়-দৰ্পণত নাট্যশাস্ত্ৰ আৰু সঙ্গীত-ৰত্নাকৰৰ অংসযুত হস্তৰ ভিতৰত ২৩খন সন্নিৱেশ কৰিছে আৰু ঊৰ্ণনাভ হস্তখন বাদ দিছে আৰু অৰ্দ্ধপতাক, সিংহমুখ, চন্দ্ৰকলা, ময়ূৰ আৰু ত্ৰিশূল নামে পাঁচখন হস্ত যোগ দি অসংযুত হস্তৰ মুঠ সংখ্যা ২৮ কৰিছে। কিন্তু এই শাস্ত্ৰত আৰু চাৰিখন ওপৰঞ্চি হস্ত আছে—অৰ্দ্ধসূচী, ব্যাঘ্ৰ, কটক আৰু পল্লী।

হস্তমুক্তাৱলীত মুঠ ৩০খন অসংযুত হস্ত আছে; সেয়া হ'ল—নাট্যশাস্ত্ৰ আৰু ভক্তি-ৰত্নাকৰ দুই শাস্ত্ৰতে থকা ২৪খন হস্তৰ উপৰি সিংহাস্য (ইয়াৰ নামান্তৰ অভিনয়-দৰ্পণত সিংহমুখ), কদম্ব, কৃষ্ণসাৰমুখ, ঘ্ৰোণিক, অঙ্কুশ আৰু তন্ত্ৰীমুখ হস্ত। তদুপৰি এই পুথিত ভ্ৰমৰ হস্তৰ এক ওপৰঞ্চি ৰূপান্তৰ দিয়া হৈছে—চলন্মধুকৰ।

১. **পতাক** (পতাকা): (হ. মু. ৩১, ৮১-২০১ ; না. শা. ৯.১৮-২৭ ; অ. দ. ৯৩-৯৯ ; স. ৰ. ৭.১০২-০৮): হাতৰ সকলো আঙুলি একেলগ কৰি পোন কৰি বুঢ়া আঙুলি অলপমান সঙ্কুচিত কৰিব লাগে। কেয়োখন শাস্ত্ৰতে ই একে আকৃতিৰ। কথাকলিত এই হস্তক ত্ৰিপতাক বোলা হয়।

২. **পদ্মকোষ** (পদ্ম-কলি): (হ. মু. ৩২, ২০২-১৩ ; না. শা. ৯.৭৯-৮৩, অ. দ. ১৩৪-৩৭, স. ৰ. ৭.১৪২-৪৩) : হাতখন চিত কৰি, আঙুলিবোৰ আঁতৰা-আঁতৰি কৰি তলুৱাৰ মুখে কিঞ্চিৎ বেঁকা কৰি বৰ্ত্তুলাকাৰ কৰিব লাগে। কেয়োখন শাস্ত্ৰতে এই হাতৰ আকৃতি একে।

১। না. শা.=নাট্যশাস্ত্ৰ, এম্. ৰামকৃষ্ণ কৱিৰ দ্বাৰা সম্পাদিত, ৰবোদা, ১৯৩৪, দ্বিতীয় খণ্ড।
অ. দ.=অভিনয়-দৰ্পণ, অশোকনাথ শাস্ত্ৰীৰ দ্বাৰা সম্পাদিত, কলিকতা, ১৩৪৪ বঙলা সন।
স. ৰ.=সঙ্গীত-ৰত্নাকৰ, এছ্. সুব্ৰহ্মণ্য শাস্ত্ৰীৰ দ্বাৰা সম্পাদিত, মাদ্ৰাজ, চতুৰ্থ খণ্ড।

৩. **হংসাস্য** (হাঁহৰ ঠোঁট) : (হ. মু. ৩৩, ২১৪-৩৬ ; না. শা. ৯.১০৪-০৫ ; অ. দ. ১৫৪-৫৭ ; স. ৰ. ৭.১৬১-৬৩) : বুঢ়া আঙুলি, তর্জ্জনী আৰু মধ্যমাক একেলগ কৰি হাঁহৰ ঠোঁটৰ নিচিনা কৰি অনামিকা আৰু কেঞা আঙুলি মেলি দিব লাগে। নাট্যশাস্ত্ৰ, সঙ্গীত-ৰত্নাকৰ আৰু কথাকলি পদ্ধতিত এই হস্ত একেই ; কিন্তু অভিনয়-দৰ্পণত মধ্যমাক তর্জ্জনী আৰু বুঢ়া আঙুলিৰে লগ নলগাই অনামিকা আৰু কেঞা আঙুলিৰ দৰে আঁতৰা-আঁতৰিকৈ মেলি দিবলৈ দিয়া হৈছে।

৪. **কর্ত্তৰীমুখ** (কেঁচিৰ পাত) : (হ. মু. ৩৪-৩৫, ২৩৭-৮৪ ; না. শা. ৯.৩৯-৪১ ; অ. দ. ১০৫-০৭ ; স. ৰ. ৭.১১৯-২১) : এই হস্তৰ দুটা ৰূপ বৰ্ণোৱা হৈছে : (১) পতাক হস্তৰ মধ্যমাৰ পিঠিভাগলৈ তর্জ্জনীয়ে মু' কৰা কৰি অনামিকাক কেঁকোৰা কৰিব লাগে। (২) কেঞা আঙুলি, অনামিকা আৰু বুঢ়া আঙুলিৰে তলুৱাৰ ওপৰত মুঠি মাৰিব আৰু বাকী দুটা আঙুলি একেলগে থিয় কৰি মেলিব। ইয়াৰ প্ৰথমবিধ নাট্যশাস্ত্ৰ আৰু সঙ্গীত-ৰত্নাকৰতো আছে ; কিন্তু অভিনয়-দৰ্পণত ই সামান্য পৃথক। কথাকলিত পৃথক আন দুবিধ কর্ত্তৰীমুখ দেখা যায়।

৫. **অলপদ্ম** (ফুলা পদুম) : (হ. মু. ৩৬, ২৮৫-৯৪, না. শা. ৯.৯১-৯২ ; অ. দ. ১৪৬-৪৯, স. ৰ. ৭.১৪৭-৫১) : সকলো আঙুলি আঁতৰা-আঁতৰি কৰি গাৰ ফালে ঘূৰাই বর্ত্তুলাকাৰ কৰা হয়। নাট্যশাস্ত্ৰত এই হাতক অলপল্লৱ বা অলপদ্মক বোলা হৈছে ; সঙ্গীত-ৰত্নাকৰে বুলিছে অলপল্লৱ।

৬. **ত্রিপতাক** (তিনিপতীয়া পতাকা) : (হ. মু. ৩৭, ২৯৫-৩৪৫ ; না. শা. ৯.২৬-৩২, অ. দ. ১০০-০২, স. ৰ. ৭.১০৯-১৬) : পতাক হস্তৰ অনামিকা তলুৱাৰ ফালে ভাঁজ কৰিব। সকলো শাস্ত্ৰতে ই একে। কথাকলিত কিন্তু এই হস্তক পতাকহে বোলা হয়। অভিনয়-দৰ্পণত (শ্লোক ১০৩-০৪) অর্দ্ধপতাক নামে আৰু এখনি হস্ত আছে ; সেই হস্তত ত্রিপতাকৰ কেঞা আঙুলিটোও ভাঁজ কৰা হয়।

৭. **মুষ্টিক** (মুঠি) : (হ. মু. ৩৮, ৩৪৬-৬০ ; না. শা. ৯.৫৫-৫৬, অ.দ. ১১৬-১৮, স. ৰ. ৭.১২৮-৩০) : চাৰিটা আঙুলি তলুৱাৰ ওপৰত মুঠি কৰি তাৰ ওপৰত বুঢ়া আঙুলিটো ৰাখিব। সঙ্গীত-ৰত্নাকৰমতে বুঢ়া আঙুলি

মধ্যমাৰ ওপৰত মাত্ৰ ৰয়। আন কেইখন শাস্ত্ৰৰ মুষ্টিৰে হস্ত-মুক্তাৱলীৰ মুষ্টিক একে।

৮. **শিখৰ** (টিং) : (হ. মু. ৩৯. ৩৬৮-৭৮ ; না. শা. ৯.৫৭-৫৮ ; অ. দ. ১১৮-২১ ; স. ৰ. ৭. ১৩০-৩১) : মুষ্টিক হস্তৰ বুঢ়া আঙুলিটো থিয় কৰি ধৰিব লাগে। আন কেইখন শাস্ত্ৰতো ই একেই ; কথাকলিত কিন্তু পৃথক।

৯. **অর্দ্ধচন্দ্র** (কাঁচি জোন) : (হ. মু. ৪০-৪১, ৩৭৯-৯৬ ; না. শা. ৯.৪৩-৪৫ ; অ. দ. ১১১-১৩ ; স. ৰ. ৭.১১৭-১৯) : এই হস্তৰ দুটা ৰূপ দিয়া হৈছে : (১) চাৰিওটা আঙুলি একেলগ কৰি অলপ কেঁকোৰা কৰিব আৰু বুঢ়া আঙুলিটো অলপ কেঁকোৰা কৰি ধৰিব। এই সংজ্ঞা নাট্যশাস্ত্ৰৰ অনুৰূপ। অভিনয়-দৰ্পণ আৰু সঙ্গীত-ৰত্নাকৰত বুঢ়া আঙুলি কেঁকোৰা কৰাৰ নির্দ্দেশ নাই। (২) মধ্যমা অনামিকা আৰু কনিষ্ঠাক তলুৱাৰ ওপৰত মুঠি কৰি ধৰিব, তর্জ্জনী আৰু বুঢ়া আঙুলিক আঁতৰা-আঁতৰি কৰি মেলি দিব। এই বর্ণনা কথাকলিৰ অর্দ্ধচন্দ্র আৰু অভিনয়-দৰ্পণৰ ওপৰঞ্চি হস্ত চন্দ্রকলাৰ অনুৰূপ।

১০. **সর্পশিৰা** (সাপৰ ফেঁট) : (হ. মু. ৪২, ৩৯৭-৪০৮ ; না. শা. ৯.৮৪-৮৫ ; অ. দ. ১৩৭-৩৯ ; স. ৰ. ৭.১৫২-৫৩) : সকলো আঙুলি একেলগ কৰি তলুৱাৰ ফালে অলপমান কেঁকোৰা কৰা হয়। সকলো ঠাইতে এই হস্ত একে। ইয়াৰ নামৰ ৰূপান্তৰ সর্প-শীর্ষ।

১১. **সূচীমুখ** বা **সূচ্যাস্য** (বেজীৰ মুখ) : (হ. মু. ৪৩, ৪০৯-৪২ ; না. শা. ৯.৬৪-৭১ ; অ. দ. ১২৭-৩১ ; স. ৰ. ৭.১৪৯-৫১) : মধ্যমাৰ মুখত বুঢ়া আঙুলিৰে ধৰিব ; আন তিনিটা আঙুলি থিয় কৰি মেলিব। আন কেইখনি শাস্ত্ৰত এই হস্ত পৃথক। অভিনয়-দৰ্পণত ইয়াৰ নাম সূচী।

১২. **খটকামুখ** (কেঁকোৰাৰ মুখ) : (হ. মু. ৪৪, ৪৪৩-৬০ ; না. শা. ৯.৬০-৬৩ ; অ. দ. ১২৪-২৭ ; স. ৰ. ১৩৪-৩৭০) : তর্জ্জনী আৰু মধ্যমাৰ মুখত বুঢ়া আঙুলিৰ মুখেৰে ধৰিব, অনামিকাক অলপ চপৰাব আৰু কনিষ্ঠাক ওখ কৰি মেলিব। আন শাস্ত্ৰৰ বর্ণনাৰ লগত এই হস্ত নিমিলে।

১৩. **অৰাল** (বেঁকোৰা) (হ. মু. ৪৫, ৪৬১-৮৫ ; না. শা. ৯.৪৬-৫২, অ. দ. ১১৪ ; স. ৰ. ৭.১২২-২৮) : বুঢ়া আঙুলি আৰু তর্জ্জনী ধেনুৰ দুই আগৰ নিচিনাকৈ কেঁকোৰা হ'ব ; বাকী তিনি আঙুলিক আগলৈ পোনকৈ

মেলিব (অগ্রৱলিতাঃ)। নাট্যশাস্ত্রমতে শেষ তিনিটা আঙুলি সুকীয়া সুকীয়াকৈ ওপৱলৈ মেলিব লাগে (ভিন্নোর্ধ্ৱৱলিতাঃ)। 'ভিন্নোর্ধ্ৱৱলিত' কথাটোৰ অভিনৱগুপ্তই অর্থ কৰিছে—পূর্ৱস্যাং পৃষ্ঠেঘদূৱে তিষ্ঠন্তি; সঙ্গীত-ৰত্নাকৰত এই অর্থতে অধিক ভিৰ দিয়া হৈছে। অভিনয়-দর্পণমতে পতাক হস্তৰ তর্জ্জনীক দোঁৱালেই অৱাল হস্ত হৈ যায়।

১৪. **শুকতুণ্ড** (ভাটৌৰ ঠোঁট): (হ. মু. ৪৬, ৪৮৬-৯৮; না. শা. ৯.৩৩-৫৪; অ. দ. ১১৫-১৬; স. ৰ. ৭.১৩৭-৩৯): অৱাল হস্তত শিৱৰ ত্রিশূলৰ দৱে অনামিকাক কেঁকোৱা কৱা হয়। আন তিনিওখন শাস্ত্রতে অৱালত এই অনামিকা বেঁকা কৱাৰ ব্যৱস্থা আছে; কিন্তু বাকীবোৰ আঙুলিৰ লক্ষণ নিজ নিজ ধৱণেই থাকিব।

১৫. **সন্দংশ** (সঁৱাহ বা চেপেনা): (হ. মু. ৪৭, ৪৯৯-৫৪২; না. শা. ৯. ১১০-১৬; অ. দ. ১৫৯-৬১; স. ৰ. ৭.১৭৫-৮১): অৱাল হস্তৰ তর্জ্জনীৰ মূৰ বুঢ়া আঙুলিৰ মূৰেৰে লগা-লগি হয়। নাট্যশাস্ত্র আৰু সঙ্গীত-ৰত্নাকৰত এই একে ব্যৱস্থাৰ নির্দ্দেশ আছে; কিন্তু দুইখনতে তলুৱাক খোৰ পতাৱো নির্দ্দেশ দিয়া হৈছে। অভিনয়-দর্পণমতে পদ্মকোশ হস্ত এৱাৰ জপালে এৱাৰ মেলিলেই এই হস্ত হয়।

১৬. **কাঙ্গুল** (বৃশ্চিক): (হ. মু. ৪৮,৫৪৩-৫৯; না. শা. ৯. ৮৮-৮৯; অ. দ. ১৪৪-৪৬; স. ৰ. ৭. ১৪০-৪১): বুঢ়া আঙুলি, তর্জ্জনী আৰু মধ্যমাৰ আগ সমান কৰি পৱস্পৰ লগা-লগি নোহোৱাকৈ ৰাখিব; অনামিকাক কেঁকোৱা কৰিব আৰু কেঞা আঙুলিক ওপৱলৈ তুলিব। নাট্যশাস্ত্র আৰু সঙ্গীত-ৰত্নাকৰত এই হস্ত একেই। নাট্যশাস্ত্রত প্রথম তিনিটা আঙুলিৰ অৱস্থাক 'ত্রেতাগ্নিসংস্থিতাঃ' বুলি আৰু সঙ্গীত-ৰত্নাকৰত 'ত্রেতাগ্নিসংস্থানাঃ' বুলি বর্ণোৱা হৈছে; তাৰে সিংহভূপালে অর্থ কৰিছে—ত্রেতাগ্নিৱৎ ত্রিকোণাকাৱাঃ স্থিতাঃ। অভিনয়-দর্পণমতে পদ্মকোশ হস্তৰ তর্জ্জনী নম্রা হ'লেই কাঙ্গুল হস্ত হয়। অভিনৱভাৱতীত কাঙ্গুল শব্দৰ বৃশ্চিকৰ বাহিৰে আৰু এটা অর্থ দিয়া হৈছে—কঙ্গুঃ প্রিয়ঙ্গুঃ তাং লাতীতি তস্যায়মর্থঃ।

১৭. **উর্ণনাভ** (মকৱা): (হ. মু. ৪৯, ৫৬০-৭১; না. শা. ৯.১২০-২১; স. ৰ. ৭.১৭৩-৭৫): পদ্মকোষ হস্তৰ সকলো আঙুলি কেঁকোৱা হ'ব।

নাট্যশাস্ত্র আঁৰু সঙ্গীত-ৰত্নাকৰত এই হস্ত একেই ধৱণৰ। অভিনয়-দর্পণত ঊর্ণনাভ নাই।

১৮. **কপিত্থ** (ঔটেঙা): (হ. মু. ৫০,৫৭২-৮০; না. শা. ৯.৫৯-৬০; অ. দ. ১২১-২৪; স. ৰ. ১৩২-৩৪): শিখৰ হস্তৰ তর্জ্জনীক বেঁকা কৰি বুঢ়া আঙুলিৰ মূৰত লগাব। আন শাস্ত্রতো এই হাত একে।

১৯. **মৃগশীর্ষ** (হৰিণাৰ মূৰ): (হ. মু. ৫১, ৫৮১-৬০৩; না. শা. ৯. ৮৬-৮৭; অ. দ. ১৩৯-৪১; স. ৰ. ৭. ১৫৯-৬০): বুঢ়া আৰু কেঞা আঙুলি থিয় হ'ব; বাকী তিনি আঙুলিক একেলগ কৰি তললৈ কৰিব। আন শাস্ত্রতো ই একেই। নাট্যশাস্ত্রত কিন্তু কোৱা হৈছে, হাতৰ আঙুলিবোৰ পোনতে তললৈ মু' কৰিব (অধোমুখীনাং সর্ৱাসামঙ্গুলীনাং সমাগমঃ)।

২০. **হংসপক্ষ** (বাজহাঁহৰ পাখি): (হ. মু. ৫২, ৬০৪-১৫; না. শা. ১০৬-০৯; অ. দ. ১৫৭-৫৯; স. ৰ. ৭.১৬৩-৬৭): বুঢ়া আঙুলি কেঁকোৱা হ'ব, কেঞা আঙুলি ওপৱলৈ উঠিব, মাজৰ তিনি আঙুলি একেলগ হৈ আগলৈ মেল খাব। নাট্যশাস্ত্র আৰু সঙ্গীত-ৰত্নাকৰত ই একে। অভিনয়-দর্পণত সর্পশীর্ষৰ কনিষ্ঠা মেল খালেই হংসপক্ষ হয়।

২১. **তাম্রচূড়** (কুকুৱাৰ মূৰৰ জুঁ বা ফুল): (হ. মু. ৫৩, ৬১৬-২৬; না. শা. ৯. ১২২-২৬; অ. দ. ১৬৩-৬৪; স. ৰ. ৭. ১৮১-৮৪): মধ্যমা আৰু অঙ্গুষ্ঠৰ মূৰ লগা-লগি হয়, তর্জ্জনী ওখ হৈ কেঁকোৱা হয়, আন দুটা আঙুলিৰে তলুৱাত মুঠি পৰে। নাট্যশাস্ত্র আৰু সঙ্গীত-ৰত্নাকৰত এই হাত একেই, কিন্তু ৰত্নাকৰত তাৰ দ্বিতীয় এটা ৰূপ দিয়া হৈছে—কেঞা আঙুলি দীঘলকৈ মেলিব, বুঢ়া আঙুলিয়ে আন তিনিটা আঙুলিক একেলগে কেঁকোৱা হোৱা অৱস্থাত হেঁচা মাৰি ধৰিব। আনহাতে, প্রথমটো ৰূপত তর্জ্জনীৰে টিলিকি মৱাৰ (চোটিকা) ব্যৱস্থা শার্ঙ্গদেৱে দিছে। এই হস্তৰ নামকৰণৰ ব্যাখ্যা দিছে অভিনৱগুপ্তই—চূড়া-মুক্ত-কুক্কুটাকাৰত্বাৎ তাম্রচূড়ঃ।

২২. **চভুৰ** (চাৰিৰ মুঠ): (হ. মু. ৫৪, ৬২৭-৪৭; না. শা. ৯.৯৩-১০০; অ. দ. ১৪৯-৫২, স. ৰ. ৭.১৫৪-৫৮): কেঞা আঙুলি ওপৱলৈ তুলিব, মাজৰ তিনি আঙুলি মেলি দিব; সেই তিনি আঙুলিৰ মাজত বুঢ়া আঙুলি থাপিব। এই হাত নাট্যশাস্ত্রত প্রায় একেই; অভিনৱভাৱতীত

তিনি আঙুলিৰ মাজত (তাসাং মধ্যে) মানে মধ্যমাৰ মাজত (মধ্যমায়া মধ্য এৰ) বুলি ব্যাখ্যা কৰা হৈছে। সঙ্গীত-ৰত্নাকৰত একেটা কথাকে 'মধ্যমায়া মধ্যপৰ্ৱোদবে' বুলি আৰু নিৰূপিত কৰা হৈছে। অভিনয়-দর্পণত কিন্তু বুঢ়া আঙুলি অনামিকাৰ মূলত থাপিবলৈ নির্দ্দেশ দিয়া হৈছে : অঙ্গুষ্ঠো অনামিকামূলে তির্যক্।

২৩. **মুকুল** (কলি) : (হ. মু. ৫৫,৬৪৮-৮৪ ; না. শা. ৯. ১১৭-২১ ; অ. দ. ১৬১-৬৩ ; স. ৰ. ৭.১৬৯-৭৩) : সকলো আঙুলি চিত কৰি আগবোৰ একেলগ কৰিব। অভিনয়-দর্পণত এই হাত একেই। নাট্যশাস্ত্রত কোৱা হৈছে, হংসমুখ হস্তৰ আঙুলিবিলাক ঊর্দ্ধ, সমাগতাগ্র আৰু সহিত হ'লে মুকুল হস্ত হয়। অভিনৱগুপ্তই বিট-চুম্বনত বিনিয়োগ দেখুৱাবলৈ কৈছে, —যদি ৱা ৱিটৈর্নাৰীণাং কুচ-চিবুকাদিস্থানেষু অঙ্গুলি-পঞ্চকেন সমং সশব্দং নখস্পর্শনে কাম-সূত্রেষ্বাচ্ছুৱিতকমিতি তদ্বিটচুম্বনম্। সঙ্গীত-ৰত্নাকৰত এই হস্তত কেয়োটা আঙুলি থিয় কৰা আৰু সিহঁতৰ আগবোৰ একেলগ কৰা সূচোৱা হৈছে।

২৪. **ভ্রমৰ** (ভোমোৰা) : (হ. মু. ৫৬,৬৬৫-৭৪ ; না. শা. ৯.১০১-০৩ ; অ. দ. ১৫২-৫৪ ; স. ৰ. ৭. ১৬৭-৬৯) : বুঢ়া আঙুলিয়ে মধ্যমাৰ মূৱত ধৰিব ; বাকী তিনি আঙুলি আঁতৰা-আঁতৰিকৈ থিয়কৈ মেল খাব। নাট্যশাস্ত্র আৰু সঙ্গীত-ৰত্নাকৰমতে তর্জ্জনীও বক্র হ'ব লাগে। হস্তমুক্তাৱলীত এই হাতৰ এটা ৰূপান্তৰ দিয়া হৈছে চলন্মধুকৰ (উৰি যোৱা ভোমোৰা) : বুঢ়া আঙুলিৰে মধ্যমাৰ মূৱত ধৰিব, কেঞা আঙুলি থিয় কৰিব, আন দুটা আঙুলি বেঁকা কৰি হাতখন কঁপাব।

তলত নাম দিয়া হস্ত কেইখন পুৰণি তিনিওখন শাস্ত্রতে নাই, মাত্র সিংহাস্য বা সিংহমুখ অভিনয়-দর্পণতো (১৪২-৪৪) আছে।—

২৫. **কদম্ব** (কদম ফুল) : (হ. মু. ৫৮, ৬৭৫-৮৬) : পদ্মকোশ হাততে আঙুলিবোৰ পদ্মকোষতকৈ অধিক সঙ্কুচিত হ'ব লাগে। এইপ্রকাৰে এই হাত পদ্মকোষৰ সামান্য ৰূপান্তৰ মাথোন।

২৬. **কৃষ্ণসাৱমুখ** (কৃষ্ণসাৰ হৰিণৰ মুখ) : (হ. মু. ৫৯,৬৮৭-৯৫) ; মধ্যমা, অনামিকা আৰু অঙ্গুষ্ঠ তলুৱাৰ ফালে দোঁ খাই মুখে মুখে একেলগ হয় আৰু আন দুটা আঙুলি অলপ নম্র অলপ ঊর্দ্ধ হৈ থাকে।

২৭. **ঘ্রোণিক** (গাহৰিৰ মুখ) : (হ. মু. ৬০,৬৯৬-৯৯) : সকলো আঙুলিৰ আগ একেলগ কৰি গাহৰিৰ মুখৰ নিচিনা কৰিব।

২৮. **সিংহাস্য** (সিংহৰ মুখ) : (হ. মু. ৬১,৭০০-০৬ ; অ. দ. ১৪২-৪৪) : বুঢ়া আঙুলি আৰু কেঞা আঙুলি একেলগ কৰিব, বাকী তিনিটা আঙুলি একেলগ কৰি আগবোৰ অলপ ওপৰ কৰি মেলিব। অভিনয়-দর্পণত কোৱা হৈছে, মধ্যমা, অনামিকা আৰু অঙ্গুষ্ঠ যদি মিশ্রিত হয় আৰু বাকী দুটা আঙুলি যদি প্রসাৰিত হয় তেতিয়াই সিংহাস্য হস্ত হ'ব।

২৯. **অঙ্কুশ** (হাতীৰ আঁকুহি বা লাংচিং) : (হ. মু. ৬২, ৭০৭-১৮) : তর্জ্জনীৰ আগ অলপ কেঁকোৰা হ'ব, বাকী তিনি আঙুলিয়ে তলুৱাত মুঠি মাৰি ধৰিব।

৩০. **তন্ত্রীমুখ** (বীণা) : অনামিকা আৰু মধ্যমা তলুৱাৰ ফালে অলপ কেঁকোৰা হ'ব, বাকী তিনি আঙুলি আঁতৰা-আঁতৰিকৈ মেল খাব।

॥ সংযুত হস্ত ॥

নাট্যশাস্ত্র আৰু সঙ্গীত-ৰত্নাকৰত একেই তেৰখন সংযুত হস্ত দেখা পোৱা যায় ; সঙ্গীত-ৰত্নাকৰত মতান্তৰ মানি চতুর্দ্দশ এখনি হস্ত (ত্রিশিখৰ) যোগ দিয়া হৈছে। অভিনয়-দর্পণত নাট্যশাস্ত্রৰ তেৰখনৰ আঠখন মাত্র হস্ত লোৱা হৈছে, বাকী পাঁচখন (গজদন্ত, বর্দ্ধমান, নিষধ, অৱহিত্থ আৰু মকৰ) বাদ দিয়া হৈছে, আৰু ওপৰঞ্চি পোন্ধৰখন (শিৱলিঙ্গ, কর্ত্তৰীস্বস্তিক, শকট, শঙ্খ, চক্র, সম্পুট, পাশ, কীলক, মৎস্য, কূর্ম্ম, ৰৰাহ, গৰুড়, নাগবন্ধ, খট্ৱা আৰু ভেৰুণ্ড) যোগ দিয়া হৈছে। আনন্দ কুমাৰস্বামীৰ *The Mirror of Gesture*-অত নাট্যশাস্ত্রত থকা অৱহিত্থক অৱশ্যে বাদ দিয়া হোৱা নাই।

হস্ত-মুক্তাৱলীয়ে ভৰত আৰু শাৰ্ঙ্গদেৱৰ তেৰখন সংযুত হস্ত আৰু মৰাল নামে এখন হস্ত বর্ণনা কৰিছে।

১. **গজদন্ত** (হাতী-দাঁত) : (হ. মু. ৬৫, ৭৩৮-৪৬ ; না. শা. ৯. ১৫৪-৫৫ ; স. ৰ. ৭. ২০৪-০৭) : সর্পশিৰা হস্ত দুখন শিলাকুটি কোঁচাই আগলৈ মেলিব লাগে। নাট্যশাস্ত্রই সর্পশীর্ষ হস্ত দুখন 'কূর্পৰাংসোচিতৌ' হ'ব লাগে বুলি কৈছে ; অভিনৱগুপ্তই এই শব্দৰ অর্থ কৰিছে—দুই হাত পৰস্পৰ বাহুত স্থাপিত হ'ব লাগে (কূর্পৰাংস-শব্দেনোভয়-সামীপ্যং তয়োৰন্তৰালং গৃহ্যতে

পূর্ব-দক্ষিণে তু যথা তত্রাকুঞ্চিতৌ তৎস্থানসংৱেষ্টনপৰৌ। তদ্‌যথা ৱামে বাহৌ দক্ষিণো দক্ষিণে ৱামহস্তঃ স্তম্ভাকাৰ-ৱেষ্টিত-দন্তাকৃতি-যোগাদ্ গজদন্তঃ)। সঙ্গীত-ৰত্নাকৰত ইখন হাতে সিখনৰ কিলাকুটি আৰু বাহুৰ মাজত ধৰাৰ বিধান দিয়া হৈছে (স্কন্ধ-কূর্পৰয়োর্মধ্যমন্যোন্যস্য যদা কৰৌ); কিন্তু গজদন্ত হস্তৰ দ্বিতীয় ৰূপ এটাও দিয়া হৈছে—সর্পশীর্ষ হস্ত দুখন মুখা-মুখি হৈ কিলাকুটিত নিজ নিজ স্কন্ধৰ ফালে ভাঁজ হ'ব। হস্তমুক্তাৱলীৰ গজদন্ত এই দ্বিতীয় ৰূপটোৰ লগত প্রায় মিলে।

২. **কপোত** (কপৌ): (হ.মু. ৬৬, ৭৪৭-৫৬; না.শা. ৯. ১৩০-৩৩; অ.দ. ১৭৭-৭৮ স.ৰ. ৭. ১৮৬-৮৮): দুইখন হাত (অসমীয়া ভাঙনিমতে দুই পতাক হস্ত) একেলগ কৰি মাজত এডোখৰ শূন্য ঠাই কৰিব। নাট্যশাস্ত্রত হাত দুখন পৰস্পৰ দাঁতি দাঁতিয়ে লগা-লগি হ'লেই কপোত হয় বুলি কোৱা হৈছে। অভিনয়-দর্পণমতে কপোত হস্তত হাতৰ মূল, আগ আৰু পার্শ্ব শ্লিষ্ট হ'ব লাগে বুলি বিধান দিয়া হৈছে। সঙ্গীত-ৰত্নাকৰে একে বর্ণনাকে দিছে আৰু হস্তখনৰ নামান্তৰ দিছে—কূর্ম্মক।

৩. **বর্দ্ধমান** (বাঢ়ন্ত হাত): (হ. মু. ৬৭, ৭৫৭-৬৩; না.শা. ৯. ১৫৮; স.ৰ. ৭. ২১৪-১৬): মৃগশীর্ষ হাত দুখন সমুখত একেলগ কৰিব লাগে। নাট্যশাস্ত্রমতে দুখন হংসপক্ষ হস্ত পিঠীয়া-পিঠি কৰি থাপন কৰিব লাগে; কিন্তু কীর্ত্তিধৰৰ পাঠমতে মুকুল হস্ত যেতিয়া কপিথ হস্তৰ দ্বাৰা পৰিৱেষ্টিত হয়, তেতিয়াই বর্দ্ধমান হয়। সঙ্গীত-ৰত্নাকৰমতে হংসপক্ষ হাত দুখন স্বস্তিকৰ দৰে ধৰিলে বর্দ্ধমান হস্ত সম্পন্ন হয়। অভিনয়-দর্পণত এই হস্ত নাই।

৪. **অঞ্জলি** (আঁজলি): (হ.মু. ৬৮, ৭৬৪-৭০, না. শা. ৯.১২৮-২৯; স. ৰ. ৭. ১৮৫-৮৬): পতাক দুই হস্তক চিত কৰি দাঁতিয়ে দাঁতিয়ে লগাই কোঁচ খুৱাব লাগে। দুখন পতাক হস্তৰ সংশ্লেষ হ'লেই অঞ্জলি হয় বুলি নাট্যশাস্ত্রই কয়; এই 'সংশ্লেষ'ৰ অর্থ অভিনৱভাৱতীত দিয়া হৈছে—সম্যগ্ গ্রহণেন সংমুখং সর্ৱাসামঙ্গুলীনাময়ং শ্লেষো লক্ষ্যতে। সঙ্গীত-ৰত্নাকৰ আৰু অভিনয়-দর্পণো এই বিষয়ত দ্বিমত নহয়। গতিকে একমাত্র হস্তমুক্তাৱলীৰ মত স্বতন্ত্র হৈ ৰৈছে।

৫. **নিষধ** (চেপা খোৱা): (হ.মু. ৬৯, ৭৭১-৭৫ না. শা. ৯. ১৪১-৪৭; স.ৰ. ৭. ২০৯-১১): দুই হাতেৰে দুই হাতৰ কিলাকুটিত

ধৰিব। কপিথ হস্তই মুকুল হস্তক পৰিৱেষ্টিত কৰিলেই নিষধ হস্ত হয় বুলি নাট্যশাস্ত্রত আছে; অভিনৱভাৱতী আৰু সঙ্গীত-ৰত্নাকৰেও এই ৰূপকে গ্রহণ কৰিছে। কিন্তু নাট্য-শাস্ত্রত পাঠ-ভেদে নিষধৰ আৰু তিনিটা ৰূপান্তৰ পোৱা যায়: (১) মৃগশীর্ষই শিখৰ হস্তক চেপা মাৰি ধৰিব। (২) বাঁও হাতে (সোঁ হাতৰ) কিলাকুটিৰ ভিতৰফালে (অর্থাৎ ওপৰলৈ) ভুজত ধৰিব, সোঁ হাতেও বাঁও হাতৰ কিলাকুটিৰ ভিতৰফালে ধৰিব মুঠিকৈ। (৩) দুখন হংসপক্ষ হস্ত পিঠীয়া-পিঠিকৈ ধৰিব। সঙ্গীত-ৰত্নাকৰত কোৱা হৈছে যে তাত উল্লিখিত গজদন্তৰ প্রথম ৰূপটোকে কোনোৱে নিষধ বুলি কয়। এই ৰূপ হস্তমুক্তাৱলীৰ নিষধেৰে প্রায় মিলে।

৬. **কর্কট** (কেঁকোৱা): (হ.মু. ৭০, ৭৭৬-৮৭; না.শা. ৯. ১৩৩-৩৫; অ.দ. ১৭৮-৮০; স.ৰ. ৭. ১৮৮-৯২): এখন হাতৰ আঙুলিৰোৰ আনখন হাতৰ আঙুলিৰ মাজে মাজে সোমাই এটা লতাৰে সজা ঘৰৰ দৰে হ'ব। আন কেয়োখনি শাস্ত্রতো এই হস্ত একেই।

৭. **উৎসঙ্গ** (আলিঙ্গন): (হ.মু. ৭১, ৭৮৮-৯৫; না.শা. ৯. ১৩৯-৪০; অ.দ. ১৮৪-৮৫; স.ৰ. ৭. ১৯৮-২০১): দুখন অৰাল হস্ত বহল কৰি আঙুলিৰ আগ থিয় কৰি আগত চিত কৰিব। নাট্যশাস্ত্রমতে অৰাল হাত দুখন বিপর্য্যস্ত কৰি থাপন কৰিব লাগে—অৰালৌ তু ৱিপর্যস্তা-ৱুত্তানৌ ৱর্ধমানকৌ। সঙ্গীত-ৰত্নাকৰত যদিও কোৱা হৈছে যে দুখন সর্পশীর্ষ হস্তেৰেহে উৎসঙ্গ হস্ত কোনোৱে নির্ম্মাণ কৰে (এই বিষয়ত অভিনয়-দর্পণৰ মত মিলে), তথাপি অৰাল হস্ত দুখনতে চাৰিটা সুকীয়া সুকীয়া প্রকাৰে থাপন কৰি উৎসঙ্গ হস্ত সিদ্ধ কৰা দেখুওৱা হৈছে: (১) অৰাল হাত দুখন ইখন সিখনৰ ওপৰে নি ৱিপৰীত বাহুৰ ওচৰত সমুখলৈ মেলিব। (২) হাত দুখন ইখন সিখনৰ ওপৰে নি শৰীৰৰ সোঁ ফালে ধৰিব। (৩) হাত দুখন বিপৰীত কাষলটিত সুমুৱাই তলুৱা দুখন তলমুৱাকৈ ধৰিব। (৪) হাতৰ তলুৱাৰ পিঠি দুখন কাষ-মুৱা কৰিব।

৮. **অৱহিত্থ** (গোপন কার্য্য): (হ. মু. ৭২, ৭৯৬-৯৯; না. শা. ৯. ১৫৬-৫৭; স.ৰ. ৭. ২০৮-০৯.): দুখন শুকতুণ্ড হস্ত তির্য্যকভাৱে ওপৰলৈ থিয় কৰি বুকৰ আগত ৰাখিব। নাট্যশাস্ত্র আৰু সঙ্গীত-ৰত্নাকৰ-

মতে শুকতুণ্ড হাত দুখন পোনতে বুকুৰ ফালে মু' কৰি তাৰ পিছত তললৈ তলুৱা কৰি নামি যাব।

৯. **স্বস্তিক** : (হ.মু. ৭৩, ৮০০-১০ ; না.শা. ৯. ১৩৫-৩৭ ; অ. দ. ১৮০-৮১ ; স. ৰ. ৭. ১৯২-৯৪) : অৰাল হস্ত দুখন বাঁও কাষলৈ ওপৰলৈ তলুৱা কৰি মণিবন্ধৰ স্থানত লগা-লগি কৰিব। নাট্যশাস্ত্রত এই হাত একেই। অভিনয়-দর্পণত অৰালৰ পৰিৱর্ত্তে দুখন পতাক হস্তৰ ব্যৱহাৰৰ বিধান দিয়া আছে। অভিনৱভাৰতীত কোনো বিনিয়োগত অৰালৰ ঠাইত পতাকৰ সংযোগ নির্দ্দেশ দিয়া হৈছে। সঙ্গীত-ৰত্নাকৰত অৰাল আৰু পতাক দুইবিধ হাতৰে প্রয়োগ মানি লোৱা হৈছে।

১০. **মকৰ** (মগৰ) : (হ. মু. ৭৪, ৮১১-১৭ ; না. শা. ৯. ১৫২-৫৩ ; স. ৰ. ৭. ২১২-১৩) : তললৈ মু' কৰা এখন পতাক হস্তৰ ওপৰত তেনে আনখন পতাক হস্ত থাপি দুই বুঢ়া আঙুলি থিয় কৰি ধৰিব। নাট্যশাস্ত্র আৰু সঙ্গীত-ৰত্নাকৰত এই হাত একেই। হস্তমুক্তাৱলীৰ অসমীয়া ভাঙনিত বাঁও হাতৰ ওপৰত সোঁ হাত দিবলৈ দিয়া হৈছে।

১১. **দোল** (দোলনা) : (হ.মু. ৭৫, ৮১৮-২৫ ; না.শা. ৯. ১৪৮-৪৯ ; অ.দ. ১৮১-৮২ ; স.ৰ. ৭. ১৯৫-৯৬) : পতাক হস্ত দুখন লম্বিত আৰু তললৈ ঢিলাকৈ লৰালে এই হস্ত হয়। নাট্যশাস্ত্রমতে স্কন্ধদ্বয় শিথিল আৰু পতাক হস্ত দুখন লম্বমান হ'ব লাগে। সঙ্গীত-ৰত্নাকৰত আঙুলিবোৰো শ্লথ হ'ব লাগে বুলি কোৱা হৈছে। অভিনয়-দর্পণমতে পতাক হস্ত দুখন উৰ্দ্ধদেশত ৰ'ব লাগে। নাট্যশাস্ত্র আৰু সঙ্গীত-ৰত্নাকৰত দোল, ডোল আৰু অভিনয়-দর্পণত ডোলা নাম দেখা যায়।

১২. **পুষ্পপুট** (ফুলৰ কুঁকি) : (হ.মু. ৭৬, ৮২৬-২৯, না.শা. ৯, ১৫০-৫১ ; অ. দ. ১৮২-৮৩ ; স. ৰ. ৭. ১৯৬-৯৭) : সর্পশিৰা হস্ত দুখন কেঞা আঙুলি দুটা লগাই একেলগ কৰি কুলাৰ আকৃতি কৰিব লাগে। আন শাস্ত্রতো এই হাত একে।

১৩. **মৰাল** (ৰাজহাঁহ) : (হ.মু. ৭৭, ৮৩০-৪৩) : দুই হাতৰ আঙুলিবোৰ বিৰল কৰি কঁপাব। আন শাস্ত্রত এই হাত নাই।

১৪. **খটকাবর্দ্ধমান** (ডাঙৰ কেঁকোৰা) : (হ. মু. ৭৮, ৮৪৪-৫১ ; না.শা. ৯. ১৩৭-৩৮ ; অ. দ. ১৮৭-৮৮ ; স. ৰ. ৭. ২০২-০৪) : দুখন খটকা মুখ

একেলগ কৰিব। হাত দুখন কেনেকৈ একেলগ কৰিব লাগে, কোৱা হোৱা নাই। নাট্যশাস্ত্রত খটকামুখৰ ওপৰত অন্যখন খটকামুখ ন্যস্ত হ'ব লাগে বুলি কোৱা হৈছে ; অভিনৱগুপ্তৰ মতে হাত দুখন পৰস্পৰ মুখা-মুখি হ'ব লাগে। অভিনয়-দর্পণমতে দুই খটকামুখ হাতেৰে মণিবন্ধৰ ওচৰত স্বস্তিকৰ আকৃতি কৰিলে খটকাবর্দ্ধন হস্ত হয়। সঙ্গীত-ৰত্নাকৰত হাত দুখন মুখা-মুখি হোৱা আৰু দুইখনে স্বস্তিক গঠন কৰা, দুইটা রূপকে অনুমোদন কৰা হৈছে।

॥ নৃত্তহস্ত ॥

নাট্যশাস্ত্র আৰু সঙ্গীত-ৰত্নাকৰে ৩০খন নৃত্তহস্তৰ নাম দ্বিবচনত দিছে। সঙ্গীত-ৰত্নাকৰে ইয়াৰ উপৰি শেষত ৰৰদাভয়ৌ নামে ওপৰঞ্চি এখন নৃত্তহস্তৰ নাম দিছে। অভিনয়-দর্পণত তেৰখন মাথোন নৃত্তহস্ত আছে। তাৰ পাঁচখনৰ নাম অসংযুত হস্তৰ তালিকাত পোৱা যায়—পতাক, কপিথ, শিখৰ, হংসাস্য আৰু অলপদ্ম ; আৰু আঠখনৰ নাম সংযুত হস্তৰ তালিকাত আছে—স্বস্তিক, ডোলা, অঞ্জলি, খটকাবর্দ্ধন, শকট, পাশ, কীলক আৰু কূর্ম্ম।

হস্তমুক্তাৱলীৰ ওঠৰখন নৃত্তহস্তৰ নাম নাট্যশাস্ত্র আৰু সঙ্গীত-ৰত্নাকৰত সাইলাখ পোৱা যায়, আৰু চাৰিখনৰ (পক্ষৰঞ্চিত, আৱিদ্ধৰক্ত্র, অৰালখটকামুখ আৰু উৰঃপার্শ্বার্দ্ধমণ্ডলী) নাম প্রায় একে (পক্ষৰঞ্চিতকৌ, আৱিদ্ধৰক্ত্রকৌ, অৰালকটকামুখৌ, আৰু উৰঃপার্শ্বার্দ্ধমণ্ডলৌ)। তদুপৰি নতমুখ, সূচ্যাস্য আৰু বক্ষোমণ্ডলী নাম তিনিটা এই দুই আদি শাস্ত্রত তলমুখৌ, সূচিমুখৌ আৰু উৰোমণ্ডলিনৌ-রূপে পোৱা গৈছে। শুভঙ্কৰৰ উত্তানৰেচিত হ'ল ভৰত আৰু শার্ঙ্গদেৱৰ উত্তানৰঞ্চিতৌ। এইদৰে হস্তমুক্তাৱলীৰ সাতাইশখন নৃত্তহস্তৰ ছাবিশখনেই পুৰণি শাস্ত্র দুখনত পোৱা গ'ল। মাত্র শুভঙ্কৰৰ অলপদ্মোন্নত হস্ত আগতে দেখা নাযায়। তাৰ পৰিৱর্ত্তে'আমি পাওঁ অলপল্লৱৌ আৰু উল্লণৌ নামে দুখন হস্ত ; কোনো কোনোৰ মতে নাট্যশাস্ত্রত অলপল্লৱৌ উল্লণৌ শব্দৰ বিশেষণ মাত্র। শুভঙ্করে পুৰণি শাস্ত্রৰ ললিতৌ আৰু বলিতৌ নৃত্তহস্ত দুখন বাদ দিছে। এইটোও মন কৰিব লগীয়া যে শুভঙ্করে নৃত্তহস্তৰ নামবোৰ দ্বিবচনত নিদি একবচনতে দিছে। হস্তমুক্তাৱলীৰ মূল সংস্কৃত পাঠত প্রতি নৃত্তহস্তৰ এটা মাত্র লক্ষণ বর্ণোৱা হৈছে, কিন্তু অসমীয়া ভাঙনিত একাধিক লক্ষণৰ বর্ণনা আছে ; তলৰ আলোচনাত প্রথমখন নৃত্তহস্তৰ বিষয়ত এই কথা দেখুওৱা হ'ল।

৭০ Ass - 1109

১. **কেশবন্ধ ঃ** (হ.মু. ৮৬৭ ; না. শা. ৯.১৯৭ ; স. ৰ. ৭.২৪২-৪৩) ঃ দুখন ত্রিপতাক হস্ত কেশৰ ওচৰৰপৰা আঁতৰাই নি কাষত ৰখা হয়।

অসমীয়া ভাঙনিত ত্রিপতাক হাত দুখনৰ চাৰিপ্রকাৰ চালনা নির্দ্দেশ কৰা হৈছে ঃ (১) হাত দুখন কেশৰপৰা অলপ আঁতৰত ৰাখি পুনৰ কেশৰ ওচৰলৈ অনা হয় ; (২) হাত দুখন চমক খুৱাই কাণৰ ওচৰৰপৰা ওপৰলৈ তোলা হয়, অলপ আঁতৰা-আঁতৰি কৰা হয় আৰু পুনৰ কাণৰ ওচৰলৈ অনা হয় ; (৩) হাত দুখন পুনঃ পুনঃ লাহ লগাই কপালৰ আগৰপৰা কান্ধৰ ওপৰে পিঠিৰ পাছলৈ নিয়া হয়, (৪) হাত দুখন কপালৰ আগৰপৰা আৰু আগলৈ নিয়া হয়, পুনৰ কপালৰ আগলৈ অনা হয়, তাৰ পিছত সিহঁতক লুটিয়াই লৈ কান্ধৰ ওপৰে পাছ ফাললৈ নিয়া হয়, তাৰ পিছত কাণৰ ওপৰলৈ, তাৰ পিছলৈ কাষলৈ আৰু শেষত কপালৰ আগলৈ অনা হয়।

নাট্যশাস্ত্রমতে দুখন হাত (কোনো বিশেষ হস্তৰ নাম ধৰা হোৱা নাই) চুলিৰপৰা আঁতৰাই নি কাষত ধৰা হ'লেই কেশবন্ধ হস্ত হয়। সঙ্গীত-ৰত্নাকৰমতে কেশবন্ধ হস্তত হাত দুখন কাষৰপৰা মুৰত নলগাকৈ মুৰৰ ওপৰলৈ তুলি তাৰ পিছত নিতম্ব হস্তৰ দৰে চুলিৰ ওচৰৰপৰা আঁতৰাই নি পুনৰ চুলিৰ ওচৰলৈ আনিব লাগে।

২. **নিতম্ব ঃ** (হ. মু. ৮৬৮ ; না. শা. ৯.১৬৯ ; স. ৰ. ৭. ২৩৮-৩৯) দুখন ত্রিপতাক হস্ত বাহু-মূলৰপৰা তপিনাৰ পাছলৈকে চলাই নিয়া হয়। নাট্যশাস্ত্রতো এই হস্ত একেই। অভিনৱভাৰতী আৰু সঙ্গীত-ৰত্নাকৰমতে হাত দুখন পতাক হব লাগে।

৩. **ৰেচিত ঃ** (হ. মু. ৮৬৯ ; না. শা. ৯.১৯৩ ; স. ৰ. ৭.২৩৫-৩৭) ঃ দুখন হংসপক্ষ হস্ত বেগেৰে কোলাৰপৰা কাষলৈ মেলি দিয়া হয়। কোনোৱে ইয়াকে মকৰ বোলে। নাট্যশাস্ত্রত হংসপক্ষ হস্ত দুখন ওপৰলৈ তলুৱা কৰি খৰকৈ লৰাবলৈ দিয়া হৈছে। সঙ্গীত-ৰত্নাকৰে একে চালনাকে নির্দ্দেশ কৰিছে, কিন্তু হাত দুখনৰ নাম দিয়া নাই ; কিন্তু তাৰে দুটা ৰূপান্তৰ সূচাইছে ঃ (১) দুখন হংসপক্ষ খৰকৈ চলোৱা, (২) এই দুয়োবিধ চালনা সংযোগ কৰা। শার্ঙ্গদেৱে কৈছে, এই ৰেচিত হস্ত নৃসিংহই দৈত্যৰ (হিৰণ্যকশিপুৰ) বুকু বিদাৰণ কৰাত বিনিয়োগ কৰিব পাৰি।

৪. **অর্দ্ধৰেচিত ঃ** (হ. মু. ৮৭০ ; না. শা. ৯.১৯৪ ; স. ৰ. ৭.২৩৭) ঃ অর্দ্ধৰেচিতৰ এখন হাত ৰেচিতৰ দৰে আৰু বাকীখন খটকামুখ হ'ব লাগে। নাট্যশাস্ত্রমতে বাঁও হাত চতুৰস্ৰ আৰু সোঁ হাত ৰেচিত হ'ব। সঙ্গীত-ৰত্নাকৰত কোনখন হাত চতুৰস্ৰ হ'ব লাগে, স্পষ্টকৈ নাই।

৫. **চতুৰস্ৰ ঃ** (হ. মু. ৮৭১ ; না. শা ৯. ১৮৪ ; স. ৰ. ৭. ২১৬—১৭) দুখন খটকামুখ হস্ত ছয় ইঞ্চিমান আঁতৰা-আঁতৰিকৈ সমুখত ৰাখিব লাগে ; এনে কৰোঁতে কিলাকুটি দুটা সমানত ৰ'ব লাগিব। নাট্যশাস্ত্র আৰু সঙ্গীত-ৰত্নাকৰতো এই হাতে একেই ; পিছৰখন শাস্ত্রত মাত্র কোৱা হৈছে, দুইখন হাত আগ-মুৱা (পুৰোমুখৌ) হ'ব লাগে।

৬. **উদ্বৃত্ত ঃ** (হ. মু. ৮৭২ ; না. শা. ৯. ১৮৫ ; স. ৰ. ৭. ২১৮—২০) ঃ দুখন হংসপক্ষ বুকুৰ সমুখত থাকি তাল পাতৰ দৰে কঁপে। নাট্যশাস্ত্রত এই নৃত্তহস্ত একে। সঙ্গীত-ৰত্নাকৰ ঃ চতুৰস্ৰ হস্তৰ হংসপক্ষ হাতৰ এখন তললৈ মু' কৰি তললৈ নমোৱা হয় আৰু আনখন তলুৱা ওপৰলৈ কৰি বুকুৰ ওচৰত ৰখা হয়।

৭. **পল্লৱ ঃ** (হ. মু. ৮৭৩ ; না. শা. ৯. ১৯৬ ; স. ৰ. ৭. ২৩৯—৪২) ঃ দুখন পদ্মকোশ হস্ত পাতে সৈতে গছৰ আকৃতি কৰি কাষে কাষে বা সমুখত লগ লগোৱা হয়। নাট্যশাস্ত্র ঃ মণিবন্ধনমুক্তৌ তু পতাকৌ পল্লৱৌ স্মৃতৌ। সঙ্গীত-ৰত্নাকৰত পল্লৱৰ কেইবাটাও ৰূপ দিয়া হৈছে।

৮. **পক্ষৰঞ্চিত ঃ** (হ. মু. ৮৭৪ ; না. শা. ৯. ২০০ ; ৭. ২৫৫) ঃ দুখন ত্রিপতাক মুৰ আৰু কঁকালত দিব লাগে। নাট্যশাস্ত্রত এই নৃত্তহস্ত একেই ; সঙ্গীত-ৰত্নাকৰত প্রায় একেই।

৯. **লতা ঃ** (হ. মু. ৮৭৫ ; না. শা. ৯. ১৯৮ ; স. ৰ. ৭. ২৪৬—৪৭) ঃ দুখন ত্রিপতাক তির্য্যক্‌ভাৱে কাষৰত থ'ব লাগে। নাট্যশাস্ত্র আৰু সঙ্গীত-ৰত্নাকৰত একে।

১০. **নতমুখ ঃ** (হ. মু. ৮৭৬ ; না. শা. ৯. ১৮৬ ; স. ৰ. ৭. ২২১—২২) ঃ তলমুৱা দুখন হংসপক্ষ বুকুৰ সমুখত থৈ মুখামুখি আৰু বেঁকাকৈ ওপৰমুৱা কৰা হয়। নাট্যশাস্ত্র আৰু সঙ্গীত-ৰত্নাকৰত এই হাতৰ নাম তলমুখ। নাট্যশাস্ত্র ঃ চতুৰস্ৰৰ হাত দুখনেৰে হংসপক্ষ হস্ত কৰি তির্য্যক্‌ভাৱে মুখা-মুখি

কৰিব লাগে। সঙ্গীত-ৰত্নাকৰ : উদ্বৃত্তৰ হাত দুখনেৰে হংসপক্ষ হস্ত কৰি মুখা-মুখি কৰিব লাগে।

১১. **স্বস্তিক :** (হ, মু. ৮৭৭ ; না. শা. ৯. ১৮৭ ; স. ৰ. ৭. ২২২) : ওপৰলৈ আগ কৰি হংসপক্ষ হস্ত দুখন বক্রভাৱে মণিবন্ধত লগ লগাব লাগে। না. শা. : তলমুখ হস্তৰ হাত দুখন মণিবন্ধত স্বস্তিকৰ আকৃতি কৰি লগ লগাব লাগে। স. ৰ. : হংসপক্ষ হাত দুখন লগ লগাই স্বস্তিকৰ আকৃতি কৰিব লাগে।

১২. **বিপ্রকীর্ণক :** (হ. মু. ৮৭৮ ; না.শা. ৯. ১৮৭ ; স.ৰ.৭. ২২৩—২৪) পৰস্পৰ বিমুখ দুখন হংসপক্ষ বুকুৰ সমুখত তলমুৱা বা ওপৰমুৱা কৰি ৰাখিব। না. শা. : স্বস্তিকৰ দৰেই কিন্তু হাত দুখন আঁতৰা-আঁতৰি হৈ ৰ'ব। স. ৰ. : স্বস্তিকৰ হাত দুখন বেগেৰে আঁতৰাই বুকুৰ সমুখত আঙুলিবোৰ ওপৰ বা তললৈ টোঁৱাই ৰখা হয়।

১৩. **আৱিদ্ধৰক্ত্র :** (হ. মু. ৮৭৯ ; না. শা. ৯. ১৯০ ; স. ৰ. ৭. ২৩০—৩১) : স্কন্ধদেশ ওপৰলৈ তুলি কিলাকুটি লগ লগাই দুখন তলমুৱা অৰাল হস্ত লৰোৱা হয়। না.শা., স.ৰ. : পৃথক।

১৪. **সূচ্যাস্য :** (হ. মু. ৮৮০ ; না. শা. ৯. ১৯১—৯২ ; স. ৰ. ৭. ২৩২-৩৫) : কিলাকুটি কোঁচাই দুখন সর্পশীর্ষৰ মধ্যমা অঙ্গুষ্ঠত লগাই বক্রভাৱে মেলি দিয়া হয়। না. শা. আৰু স. ৰ. : সূচিমুখ প্রায় একে।

১৫. **অৰালখটকামুখ :** (হ. মু. ৮৮১-৮২ ; না. শা. ৯. ১৮৮ ; স. ৰ. ৭. ২২৪-২৯) : বাঁও অৰাল বক্রভাৱে কিঞ্চিৎ মেলি আৰু সোঁ অৰাল বাহিৰ-মুৱা কৰি বুকুৰ সমুখত ৰখা হয়। না. শা. : অৰালকটকামুখ বা অৰালকটকাত দুখন ওপৰমুৱা অলপদ্ম (অলপল্লৱ) পদ্মকোষত পৰিণত হয়।

১৬. **বক্ষোমণ্ডলী :** (হ. মু. ৮৮৩। উৰোমণ্ডলিনৌ—না. শা. ৯.২০৪ ; স. ৰ. ৭.২৬৪-৬৭) : এখন (পতাক) হাত ওপৰত আৰু এখন তলত কৰি বুকুৰ ওচৰত চক্রাকাৰে ঘূৰোৱা হয়। ইয়াৰ লগত নাট্যশাস্ত্রৰ উৰোমণ্ডলিনৌ মিলে ; সঙ্গীত-ৰত্নাকৰত বিভিন্ন ৰূপ-ৰূপান্তৰ দিয়া হৈছে।

১৭. **উৰঃপার্শ্বার্দ্ধমণ্ডলী :** (হ. মু. ৮৮৪ ; না. শা. ৯. ২০৫ ; স. ৰ.

৭. ২৬৭-৬৯) : এখন অলপদ্ম আৰু এখন অৰাল বুকুৰ দুই কাষত লৰাব লাগে। না. শা. : প্রায় একে ; স. ৰ. : অলপ সুকীয়া।

১৮. **পার্শ্বমণ্ডলী :** (হ. মু. ৮৮৫ ; না. শা. ৯.২০৩ ; স. ৰ. ৭.২৬২-৬৩) এখন অলপদ্ম আৰু এখন অৰাল প্রত্যেকে একাষত ঘূৰে। না. শা. : দুখন হাত (নাম নাই) একাষত চক্রাকাৰে ঘূৰে। স. ৰ. : পৃথক।

১৯. **ঊর্দ্ধমণ্ডলী :** (হ. মু. ৮৮৬; না. শা. ৯. ২০৩ ; স.ৰ. ৭.২৬০-৬২) : ওপৰমুৱা দুখন পদ্মকোশ মণিবন্ধত লগা-লগি কৰা হয়। না. শা. : দুখন হাত (নাম নাই) শৰীৰৰ ওপৰ ভাগৰ কাষত চক্রাকাৰে গতি কৰি থাকে। স. ৰ. : নাট্যশাস্ত্রেৰে প্রায় একে।

২০. **মুষ্টিকস্বস্তিক :** (হ. মু. ৮৮৭; না.শা. ৯. ২০৬ ; স.ৰ. ৭. ২৭০-৭১) : দুখন অৰাল বাহুৰ ফালে ঘোৰাই খটকামুখত পৰিণত কৰা হয়। নাট্যশাস্ত্র আৰু অভিনয়ভাৰতী লগ লগাই পঢ়িলে এই একে অর্থই হয়। স. ৰ. : পৃথক।

২১. **পক্ষপ্রদ্যোতক :** (হ. মু. ৮৮৮ ; না শা. ৯. ২০১ ; স.ৰ. ৭. ২৫৫-৫৬) : এখন ত্রিপতাক নিতম্বত আনখন মুৰত দি ক্রমে মুৰ আৰু নিতম্বলৈ নিয়া হয় ; এই চালনা ঘুৰাই ঘুৰাই কৰি থকা হয়। না. শা. : একে। স. ৰ. : প্রায় একে।

২২. **কৰিহস্ত :** (হ. মু. ৮৮৯ ; না. শা. ৯. ১৯৯ : স.ৰ. ৭. ২৪৮-৫৪) : এখন ত্রিপতাক হস্ত একাষে মেলি কঁপাই কঁপাই তললৈ নিয়া হয় আৰু আনখন ত্রিপতাক কাণৰ কাষত ৰখা হয়।

২৩. **দণ্ডপক্ষ :** (হ. মু. ৮৯০ ; না. শা. ৯. ২০২ ; স. ৰ. ৭. ২৫৭-৫৮) : দুখন হংসপক্ষ বক্রভাৱে মেলি এবাৰ ওপৰ এবাৰ তলমুৱা কৰা হয়। না.শা. : একে। স. ৰ. : পৃথক।

২৪. **গৰুড়পক্ষ :** (হ. মু. ৮৯১ ; না.শা. ৯. ২০১ ; স.ৰ. ৭. ২৫৯-৬০) : কিলাকুটি অলপ কোঁচাই দুখন ত্রিপতাক তললৈ ঘোৰাই বক্রভাৱে মেলি দিয়া হয়। না. শা. : তলুৱা তলমুৱা কৰি হাত দুখন খৰকৈ লৰোৱা হয়, অভিনয়গুপ্তৰ মতে নিতম্বদেশৰপৰা।

২৫. **অলপদ্মোন্নত :** (হ. মু. ৮৯২) : দুখন অলপদ্ম ওপৰলৈ তুলি নিয়া হয়। নাট্যশাস্ত্র আৰু সঙ্গীত-ৰত্নাকৰত এই নৃত্তহস্তৰ পৰিৱর্ত্তে অলপল্লৱৌ আৰু উল্বণৌ নামে দুখন নৃত্তহস্ত আছে।

২৬. **উত্তানৱেচিত ঃ** (হ.মু. ৮৯৪ ; না.শা. ৯. ১৯৫ ; স.ৱ. ৭. ২৪৪-৪৬) ঃ কিলাকুটি কোঁচাই দুখন ত্রিপতাক তির্য্যক্‌ভাৱে মেলি দিয়া হয়। নাট্যশাস্ত্ৰৰ উত্তানৱঞ্চিতৌ ইয়াৰে একে। সঙ্গীত-ৰত্নাকৰে দুটা ৰূপান্তৰ দিছে।

২৭. **নলিনীপদ্মকোষ ঃ** (হ. মু. ৮৯৪ ; না. শা. ৯. ২০৭ ; স. ৰ. ৭. ২৭২-৭৬) ঃ ওপৰমুৱা দুখন পদ্মকোষ আঁঠুৰ ওচৰত কঁপোৱা হয়। না. শা. ঃ দুখন পদ্মকোষ এবাৰ ওপৰ এবাৰ তলমুৱা কৰি কঁপোৱা হয়। সঙ্গীত-ৰত্নাকৰত কেইবাটাও ৰূপ আছে ; তাৰে এটা হস্তমুক্তাৱলীৰ অনুৰূপ।

॥ বিনিয়োগ আৰু বৈশিষ্ট ॥

প্রতিখন সুকীয়া সুকীয়া হস্তৰ বিষয়ৰ সংখ্যা আৰু বিষয় লক্ষণৰ সূক্ষ্ম বর্ণনালৈ লক্ষ্য কৰিলে হস্তলক্ষণ-শাস্ত্ৰৰ ভিতৰত হস্তমুক্তাৱলীৰ বিশিষ্ট স্থান নির্ণয় কৰিব পৰা যাব। তলত বিভিন্ন অসংযুত আৰু সংযুত হস্তৰ বিষয় বা বিনিয়োগৰ সংখ্যা এটি তালিকা কৰি দিয়া হ'ল।

অসংযুত হস্ত ৩০খন

পতাক	২১৩	কাঙ্গুল	৬৮
পদ্মকোষ	৩৫	ঊর্ণনাভ	১৮
হংসাস্য	৮৩	কপিত্থ	৪১
কর্ত্তৰীমুখ	৮২	মৃগশীর্ষ	৬৭
অলপদ্ম	৩৪	হংসপক্ষ	৪৪
ত্রিপতাক	৭৪	তাম্রচূড়	৩৪
মুষ্টিক	৭০	চতুৰ	১২৪
শিখৰ	৩৬	মুকুল	৬৯
অর্দ্ধচন্দ্র	৪৭	ভ্রমৰ	১৯
সর্পশিৰা	১৭	কদম্ব	২৮
সূচ্যাস্য	১৫২	কৃষ্ণসাৰমুখ	১৮
খটকামুখ	৫৬	ঘ্রোণিক	৫
অৰাল	৭৯	সিংহাস্য	১১
শুকতুণ্ড	২৮	অঙ্কুশ	১৮
সন্দংশ	১৬৬	তম্ৰীমুখ	২৫

সংযুত হস্ত ১৪খন

গজদন্ত	১১	অৰহিত্থ	১৪
কপোত	২৮	স্বস্তিক	৪৩
বর্দ্ধমান	১৩	মকৰ	১৫
অঞ্জলি	১৪	দোল	৩২
নিষধ	১৪	পুষ্পপুট	১৭
কর্কট	১৭	মৰাল	৪০
উৎসঙ্গ	২৯	খটকাবর্দ্ধমান	১৬

নাট্যশাস্ত্ৰত পতাক হস্তৰ পাঁচপ্রকাৰ চালনাৰ দ্বাৰা ডেৰকুৰি বিনিয়োগ (পাঠান্তৰ ধৰিলে পঁয়ত্রিশটি) দেখুওৱা হৈছে ; সঙ্গীত-ৰত্নাকৰত একৈশ-প্রকাৰ প্রয়োগ দেখুওৱা হৈছে ; আৰু অভিনয়-দর্পণে পতাকৰ একচল্লিশটি বিষয়ৰ নাম দিছে, বর্ণনা দিয়া নাই। আনফালে, হস্তমুক্তাৱলীত পতাকৰ বিনিয়োগৰ সংখ্যা হ'ল দুশ তেৰ আৰু সিৰোৰ বুজাবলৈ হস্তখনিৰ সঞ্চালনৰো নির্দ্দেশ দিয়া হৈছে। অসমীয়া ভাঙনিখনিৰ ওপৰঞ্চি বিশেষত্ব বিষয়-লক্ষণৰোৰৰ বর্ণনা আৰু পৰিষ্কাৰকৈ দিয়া হৈছে। মুঠতে, এই ভাঙনিখনি সহ হস্তমুক্তাৱলী বা শ্রীহস্তমুক্তাৱলী সমস্ত ভাৰতবর্ষতে হস্ত-লক্ষণৰ এখনি অপূর্ব্ব গ্রন্থ হৈছে।

বৈজয়ন্তী
উত্তৰ শৰণীয়া, গুৱাহাটী
২৭ জুলাই ১৯৬৩

মহেশ্বৰ নেওগ

॥ শ্রীহস্তমুক্তাৱলী ॥

॥ শ্রীহস্তমুক্তাৱলী ॥

॥ শ্রীকৃষ্ণায় নমঃ ॥

॥ আশীর্ব্বচন, ৱস্তু-নির্দ্দেশ ॥

গৌৰি ! ত্ৱং কিমু ৱেৎসি হস্তকৱসং কা ৱেত্তি নো যত্তহম্
চেদেৱং ভণ তর্হি কিং ৱথ হৃদি ক্রুতেঽলপদ্মৌ স্তনৌ।
ভূয়োঽন্যদ্বদ কর্তৰীমুখযুগাশ্লেষেণ কিং স্যাদিতি
স্মেৱাননম্রমুখীং হসন্ গিৰিসুতাং চুম্বন্ মৃড়ঃ পাতু ৱঃ ॥১॥

মহেশে বোলন্ত—"হে গৌৰী, তুমি কিবা হস্তৰ ৱসক জানা ?" গৌৰী বোলন্ত—"আমি যদি নাজানো, আন কোনবা স্ত্রীএ জানে ?" মহেশে বোলন্ত—"যদি জানা তেবে কহা ঃ হৃদয়ত অলপদ্ম হস্ত হৈলে কিহক কহে ?" গৌৰী বোলন্ত—"দুই স্তনক কহে।" গৌৰী বোলন্ত—"পুনর্ব্বাৰ আন সোধা।" মহেশে বোলন্ত—"কর্ত্তৰীমুখ নাম হস্ত দুই একেলগ কৰিলে কিহক কহে, ইহাকো কহা।" এহি শুনি ৱতিসূচক হস্ত জানিয়া গৌৰী অল্পহাস্য কৰিয়া অধোমুখ হৈল। এমন গৌৰীক হাস্য কৰি চুম্বন কৰিছা যে মহেশে, সেহি সদাশিৱে তোৰাসকলক ৱক্ষা কৱন্তোক ॥

ধীৱন্ধুগুর্ণসিন্ধুদুর্ধৱতৱোদ্‌গাঢ়ারগাঢ়ারস্ফুৰ-
জ্জ্যোতির্নর্তকনর্তকীভির্ৱিলস্য সঙ্গীতৱিদ্যোৎসুকঃ।
ধীৱাম্ভোধি-*কলানিধির্ৱিমলয়ন্ সঙ্গীতমুক্তাৱলীং
সম্মোদায় শুভঙ্করো ৱিতনুতে শ্রীহস্তমুক্তাৱলীম্ ॥২॥

এমত প্রকাৰে শুভঙ্কৰ কবি আশীর্ব্বাদ বিধান কৰি গ্রন্থ-নিবন্ধক প্রতি প্রতিজ্ঞা বোৱল। শুভঙ্কৰ কবি ৱসিকসকলৰ সন্তোষৰ নিমিত্তে

---

* বীৱাম্ভোধী ইতি মূলপাঠঃ।

শ্রীহস্তমুক্তাৱলী-নাম গ্রন্থক নিৰূপণ কৰে। কেমত শুভঙ্কৰ কবি, আক কহি—যে বুদ্ধিক সহায় কৰিয়া গুণ-সমুদ্রত অতি দুষ্কৰ দৃঢ় মজ্জন কৰিছা ; নর্ত্তক-নর্ত্তকীৰ দ্বাৰাএ অতিপ্রকাশমান নাটকশাস্ত্রত উৎসুক হয়াছে ; আৰ পণ্ডিত-সমুদ্রত চন্দ্র-সদৃশ হৈয়া গীতমুক্তাপংক্তিক নির্ম্মল কৰিছা ॥

সদ্বর্ণোজ্জলৰূপিণী গুণযুতা ৱৈদগ্ধ্যচিত্রান্বিতা
নানাভাৱৰসান্বিতা ৱসকৰী সীমন্তিনী ৱাপৰা।
উন্মীলন্মৃদুচাৰুবন্ধৰচনালঙ্কাৰকেলিস্থলী
কণ্ঠাশ্লেষমিয়ন্তনোতু সুধিয়াং শ্রীহস্তমুক্তাৱলী ॥৩॥

এমত শ্রীহস্তমুক্তাৱলীএ সুবুদ্ধিসকলৰ কণ্ঠত আলিঙ্গন কৰোক। কেমত সে হস্তমুক্তাৱলী ঃ বিশিষ্ট অক্ষৰসকলৰ দ্বাৰাএ পৰমসুন্দৰ ; হস্ত-জনাওনত নিপুণ ; নানা ছন্দে যুক্ত ; বহুবিধ ৱসে যুক্ত ; সন্তোষ-কাৰক, প্রকাশমান, সুকোমল সুন্দৰ নির্ম্মাণ-সহিত ; অলঙ্কাৰ-বিনোদৰ আশ্রয় ; এতেকে অনেক গুণযুক্ত হৈয়াছে॥ এই হস্তমুক্তাৱলী সুন্দৰী-সদৃশ হৈয়াছে। কেমত সুন্দৰী, ইহাতে শ্লেষ-ব্যাখ্যা কৰি কহি—বিশিষ্ট শৰীৰৰ কান্তিযুক্ত ; ৱতিৰ নানাপ্রকাৰ ও নিপুণ বহুবিধ ৱস-সহিত ; চিত্তৰ প্রমোদকাৰক ; প্রকাশমান, সুকোমল, সুন্দৰৱন্ধ অলঙ্কাৰ, ক্রীড়া ইসবৰ আশ্রয়, এমত সুন্দৰীৰ আলিঙ্গন সমুচিত হয় ॥

যদি বুধৈৰচিৰাদভিলষ্যতে নিখিলহস্তকৰো*বহুধা ৱসঃ।
নন্থু তদা ৱসিকাঃ শশিসন্নিভামভিলষন্তু শুভঙ্কৱভাৱতীম্ ॥৪॥

হে ৱসিকসর, যদি পণ্ডিতসকলে অল্পকালতে সমস্ত হস্ত-ৱসক অভিলাষ কৰে, তেৱে শুভঙ্কৰ কবিৰ চন্দ্রসদৃশ ৱচনক অভিলাষ কৰোক।

অনুষ্টুপ্ছন্দসা ৱদ্ধো গ্রন্থোঽয়ং দ্রুতবোধকৃৎ।
হস্তকস্য ৱিষয়স্যাপ্যনয়োর্লক্ষণস্য চ ॥৫॥

* হস্তকজো ?

এহি গ্রন্থ অনুষ্টুপ্ নাম ছন্দে ৱচিত হস্তৰ, বিষয়ৰ, এহি দুইৰ লক্ষণৱো শীঘ্রে বোধকাৰক, এতেকে অৱধান কৰিবাক প্রতি যোগ্য হয় ॥০॥

হস্তকস্তু পতাকাদির্ৱিষয়ো ভুৱনাদিকঃ।
অনয়োর্লক্ষণন্তত্তু ৱাচ্যং চিহ্নং যদেতয়োঃ ॥৬॥

পতাকাদিকে হস্ত বুলি ; ভুৱনাদিকে বিষয় বুলি ; পতাকাদিৱে, ভুৱনাদিৱে হস্ত-বিষয়ৰ চিহ্নকে লক্ষণ বুলি ॥

কর্তৱ্যো ৱিষয়োদ্দেশঃ সপ্তম্যন্তপদান্বিতঃ।
নিয়মঃ স্থাপিতো হ্যেষস্তথান্যচ্চ নিয়ম্যতে ॥৭॥

সপ্তমী বিভক্তি-অন্ত জলাদিৰ দ্বাৰাএ বিষয়ৰ উদ্দেশ কৰিব। আত অনন্তৱে সেহিসকলৰ নিয়ম কৰা যাব। আৰ আন কিছো কহি ॥

যস্য যল্লক্ষণং ৱাচ্যং তদন্তে ভেদৱোধকঃ।
ৱেখাদ্বয়ান্তৱিশ্রান্তঃ শ্রীশব্দোঽত্র নিযুজ্যতে ॥৮॥

এহি গ্রন্থত যিমত হস্তৰ যিবা লক্ষণ, তাৰ অন্তত ৱেখাদ্বয়েৱে অন্তৱিত অন্য হস্তৰ ভেদৰ নিমিত্তে শ্রী শব্দক নিযোজন কৰিব ॥

আলস্যাৎ গ্রন্থবাহুল্যাৎ শ্রীশব্দো যৈর্ন লিখ্যতে।
শ্রীশব্দস্তাংস্ত্যজেদের মর্যাদালঙ্ঘনোদ্যতান্ ॥৯॥

যেসবে আলাস কৰিয়া, গ্রন্থ অধিকৰ ভয়ে শ্রী শব্দক নিলিখে, সেহি অমর্য্যাদীসকলক শ্রীয়ে এড়ে ॥০॥

দক্ষিণেনৈৱ হস্তেন পুংসামভিনয়ো মতঃ।
ৱামেন প্রায়শঃ স্ত্রীণামিতি ৱীতিঃ পুৱাতনী ॥১০॥

প্রায়ে পুরুষক দেখাইতে দক্ষিণ হস্তেৱে দেখাইব। স্ত্রীক দেখাইতে বাম হস্তেৱে দেখাইব ॥০॥

প্রথমে হস্তকোদ্দেশঃ পশ্চাত্তু তল্লক্ষণক্রিয়া।
অথ তদ্বিষয়োল্লেখস্ততো ৱিষয়লক্ষণম্ ॥
ইত্থং চতুর্ধা মদ্গ্রন্থে পৱিপাটী প্রদর্শ্যতে ॥১১॥

প্রথমতে হস্তৰ লেখা, তেৱে হস্তৰ লক্ষণ, তাত অনন্তৰে ৱিষয়ৰ লেখা, তেৱে ৱিষয়ৰ লক্ষণ, এহি চাৱিপ্রকাৰ নিয়ম আমাৰ গ্রন্থত ব্যক্ত হৈয়াছে ॥০॥

॥ অসংযুত, সংযুত আৰু নৃত্তহস্ত ॥

সামান্যতো হস্তকাঃ স্যুস্ত্রিৱিধাঃ সর্ৱসম্মতাঃ ॥
অসংযুতাঃ কিয়ন্তোঽপি কিয়ন্তঃ সংযুতাঃ পৱে।
নৃত্তহস্তাঃ কিয়ন্তঃ স্যুৱিত্থং হস্তাস্ত্রিধা মতাঃ ॥১২॥

সামান্যতে হস্ত তিনি প্রকাৰ, ইহাক কহি। কোনো হস্ত সংযুত। কোনো হস্তসৱ অসংযুত। কোনোসৱ নৃত্তহস্ত ॥০॥

হস্তেনৈকেন কর্মাণি যেষান্তে স্যুৱসংযুতাঃ।
যেষাং হস্তদ্ৱয়েনৈৱ কর্মাণি তে তু সংযুতাঃ ॥১৩॥

যিসকলৰ একে হস্তেৱে কর্ম্ম সিদ্ধ হয়, তাকে অসংযুত বুলি। যিসৱৰ দুই হস্তেৱে কর্ম্ম সিদ্ধ হয়, তাকে সংযুত বুলি ॥০॥

নৃত্তমাত্রস্থিতা যে তু ন কিঞ্চিদ্ৱস্তুৱাচকাঃ।
অঙ্গহাৱেণ সহিতা নৃত্তহস্তাস্তু তে মতাঃ ॥১৪॥

যিসকল হস্ত নৃত্য ৱিষয়ত অঙ্গৰ লয়লাস সহিত কোনো ৱস্তুৱাচক নহে, তাকে নৃত্তহস্ত বুলি ॥০॥

॥ অসংযুত হস্তৰ লেখা ॥

অসংযুতানাং হস্তানামুদ্দেশঃ ক্রিয়তেঽধুনা।
শুভঙ্কৱেণ করিনা নানাভিনয়শালিনা ॥১৫॥

এখন নানানীতিযুক্ত শুভঙ্কৰ কৱিয়ে অসংযুত হস্তৰ লেখা কহে ॥০॥

পতাকঃ পদ্মকোশশ্চ হংসাস্যঃ কর্তৰীমুখঃ।
অলপদ্মস্ত্রিপতাকো মুষ্টিকঃ শিখৱস্তথা ॥১৬॥

পতাক ১, পদ্মকোষ ২, হংস্যাস্য ৩, কর্ত্তৰীমুখ ৪, অলপদ্ম ৫, ত্রিপতাক ৬, মুষ্টিক ৭, শিখৰ ৮॥০॥

অর্ধচন্দ্রঃ সর্পশিৰঃ সূচ্যাস্যঃ খটকামুখঃ ।
অৱালঃ শুকতুণ্ডশ্চ সন্দংশঃ কাঙ্গুলস্তথা ॥১৭॥

অর্দ্ধচন্দ্র ৯, সর্পশিৰা ১০, সূচীমুখ ১১, খটকামুখ ১২, অৱাল ১৩, শুকতুণ্ড ১৪, সন্দংশ ১৫, কাঙ্গুল ১৬ ॥০॥

ঊর্ণনাভোঽপি কথিতঃ কপিত্থো মৃগশীর্ষকঃ ।
হংসপক্ষস্তাম্রচূড়শ্চতুৰো মুকুলস্তথা ॥১৮॥

ঊর্ণনাভ ১৭, কপিত্থ ১৮, মৃগশীর্ষ ১৯, হংসপক্ষ ২০, তাম্রচূড় ২১, চতুৰ ২২, মুকুল ২৩ ॥০॥

ভ্রমৰশ্চ কদম্বশ্চ কৃষ্ণসাৱমুখাহ্বয়ঃ ।
ঘ্রোণিকোঽপ্যথ সিংহাস্যোঽঙ্কুশস্তন্ত্রীমুখস্তথা ॥১৯॥

ভ্রমৰ ২৪, কদম্ব ২৫, কৃষ্ণসাৱমুখ ২৬, ঘ্রোণিক ২৭, সিংহাস্য ২৮, অঙ্কুশ ২৯, তন্ত্রীমুখ ৩০ ॥০॥

॥ সংযুত হস্তৰ লেখা ॥

ইত্যেতে কথিতা হস্তা ময়া ত্রিংশদসংযুতাঃ ।
সংযুতানাঞ্চ হস্তানামুদ্দেশঃ ক্রিয়তেঽধুনা ॥২০॥

এহি ডেড়কুৰি অসংযুত হস্ত । এখন সংযুত হস্তৰ লেখা কহি ॥০॥

গজদন্তঃ কপোতশ্চ বর্ধমানাঞ্জলী তথা ।
নিষধঃ কর্কটশ্চৈৱ তথোৎসঙ্গোঽৱহিত্থকঃ ॥২১॥

গজদন্ত ১, কপোত ২, বর্দ্ধমান ৩, অঞ্জলি ৪, নিষধ ৫, কর্কট ৬, উৎসঙ্গ ৭, অৱহিত্থ ৮ ॥০॥

স্বস্তিকো মকৰো দোলস্তথা পুষ্পপুটাভিধঃ ।
মৱালশ্চ তথৈৱান্যঃ খটকাবর্ধমানকঃ ॥২২॥

স্বস্তিক ৯, মকৰ ১০, দোল ১১, পুষ্পপুট ১২, মৱাল ১৩, খটকাবর্দ্ধমান ১৪ ॥০॥

॥ নৃত্তহস্তৰ লেখা ॥

চতুর্দশেতি কথিতাঃ সংযুতহস্তা অমী ।
অধুনা নৃত্তহস্তানামুদ্দেশঃ † ক্রিয়তে ময়া ॥২৩॥

এই চৈধেটা সংযুত হস্ত । এখন নৃত্তহস্তৰ লেখা কহি ॥০॥

কেশবন্ধো নিতম্বশ্চ ৱেচিতোঽপ্যর্ধৱেচিতঃ ।
চতুৰস্রস্তথোদ্বৃত্তঃ পল্লৱঃ পক্ষৱঞ্চিতঃ ॥২৪॥

কেশবন্ধ ১, নিতম্ব ২, ৱেচিত ৩, অর্দ্ধ-ৱেচিত ৪, চতুৰস্র ৫, উদ্বৃত্ত ৬, পল্লৱ ৭, পক্ষবঞ্চিতঃ ৮ ॥০॥

লতানামা নতমুখঃ স্বস্তিকো ৱিপ্রকীর্ণকঃ ।
আৱিদ্ধৱক্ত্রঃ সূচ্যাস্যোঽপ্যৱালখটকামুখঃ ॥২৫॥

লতা ৯, নতমুখ ১০, স্বস্তিক ১১, বিপ্রকীর্ণ ১২, আবিদ্ধ-বক্ত্র ১৩, সূচ্যাস্য ১৪, অৱাল-খটকামুখ ১৫ ॥০॥

ৱক্ষোমণ্ডল্যথৈকঃ * স্যাদূৰঃপার্শ্বার্ধমণ্ডলী ।
পার্শ্বমণ্ডল্যথো ভৱেদূর্দ্ধ্বমণ্ডল্যথাপি ৱা ॥২৬॥

বক্ষো-মণ্ডলী ১৬, উৰঃপার্শ্বার্দ্ধ-মণ্ডলী ১৭, পার্শ্ব-মণ্ডলী ১৮, ঊর্দ্ধ-মণ্ডলী ১৯ ॥০॥

মুষ্টিকস্বস্তিকশ্চাপি পক্ষপ্রদ্যোতকস্তথা ।
কৱিহস্তো দণ্ডপক্ষঃ** তথা গৰুড়পক্ষকঃ ॥২৭॥

মুষ্টিক-স্বস্তিক ২০, পক্ষপ্রদ্যোতক ২১, কৱিহস্ত ২২, দণ্ডপক্ষ ২৩, গৰুড়-পক্ষ ২৪ ॥ ০ ॥

---

† সর্ৱত্রাত্র নৃত্যহস্ত ইতি প্রয়োগো দৃশ্যতে ।

* ৱক্ষোমণ্ডল্যথৈকঃ ইতি মূলপাঠঃ । উৰোমণ্ডলীতি নাট্যশাস্ত্রে ।

** কুণ্ডপক্ষঃ ইতি মূলপাঠঃ । দণ্ডপক্ষঃ ইতি নাট্যশাস্ত্রধৃতপাঠঃ ।

অলপদ্মোন্নতশ্চৈৱ* ভৱেদুত্তানৱেচিতঃ** ।
নলিনীপদ্মকোশশ্চেত্যমী চ সপ্তৱিংশতিঃ ॥২৮॥

অলপদ্মোন্নত ২৫, উত্তানৱেচিত ২৬, নলিনী-পদ্মকোষ ২৭,—এহি একুৰি সাতোটা নৃত্তহস্ত ॥০॥

নয়নানন্দজননা নৃত্তহস্তা ময়োদিতাঃ ।
অসংযুতাঃ সংযুতাশ্চ নৃত্তহস্তাশ্চ যে মতাঃ
মিলিত্বা লিখিতৈৱৈতৈৱেকসপ্ততিহস্তকাঃ ॥২৯॥

এমতপ্রকাৱে অসংযুত, সংযুত, নৃত্তহস্ত লিখিত হৈয়া একসপ্ততি হৈয়াছে ॥০॥

---

* অলপদ্মোল্বণঃ অলপল্লৱোল্বণঃ ৱেতি নাট্যশাস্ত্রে ।
** উত্তানৱঞ্চিতঃ ইতি নাট্যশাস্ত্রে ।

॥ অসংযুত হস্তৰ লক্ষণ ॥

অথ যেন কৃতির্ব্যক্তিভেদো যেনৈৱ জায়তে ।
পতাকাদিকহস্তানাং লক্ষণন্তন্নিৰূপ্যতে ॥৩০॥

এখন পতাকক আদি কৰি হস্তসকলৰ যিমতে দিয়ন হয়, জলাদিতো যিমতে ভেদ হয়, ইহাৰ লক্ষণ নিৰূপণ কৰি । ॥০॥

—পতাক—

প্রসাৰিতাগ্রাঃ সহিতা ভৱন্ত্যঙ্গুলয়ো যদি ।
কুঞ্চিতঃ কিঞ্চিদঙ্গুষ্ঠঃ পতাকঃ স্যাত্তদা কৱঃ ॥৩১॥

সকলো আঙ্গুলিক একেলগ কৰি পোন কৰিব ; বুঢ়া আঙ্গুলি কিছো কুঁচিব । ইহাক পতাক নাম হস্ত বুলি ॥ ১ শ্রী ॥

—পদ্মকোষ—

যস্যাঙ্গুল্যঃ সমুত্তানাঃ শিৱসা কিঞ্চিদানতাঃ ।
অসংযুক্তা ৱর্ত্তুলাশ্চ স ভৱেৎ পদ্মকোশকঃ ॥৩২॥

হস্তক চিত কৰিয়া, সকলো আঙ্গুলি বিৱল কৰি, আগ কিছো কেঁকোৱা কৰিয়া বর্ত্তুলাকাৰ কৰে, ইহাক পদ্মকোষ নাম হস্ত বুলি ॥ ২ শ্রী ॥

—হংসমুখ—

মধ্যমা তর্জনী বৃদ্ধা মিলিত্বা হংসতুণ্ডৱৎ ।
প্রসাৰিতে চ শেষে দ্ৱে হংসাস্যঃ প্রথিতঃ কৱঃ ॥৩৩॥

বুঢ়া আঙ্গুলিক, বুঢ়া আঙ্গুলিৰ ওচৰৰ আঙ্গুলিক মাঝৰ আঙ্গুলিএৰে একেলগ কৰি, হংসৰ মুখৰ সদৃশ কৰিব ; কুশ আঙ্গুলি, কায় আঙ্গুলি দুইক মেলিব । ইহাকে হংসমুখ নাম হস্ত বুলি ॥৩ শ্রী ॥

অলপদ্মোন্নতশ্চৈব* ভবেদুত্তানবেচিতঃ** ।
নলিনীপদ্মকোশশ্চেত্যমী চ সপ্তবিংশতিঃ ॥২৮॥

অলপদ্মোন্নত ২৫, উত্তানবেচিত ২৬, নলিনী-পদ্মকোষ ২৭,—এহি একুবি সাতোটা নৃত্তহস্ত ॥০॥

নয়নানন্দজননা নৃত্তহস্তা ময়োদিতাঃ ।
অসংযুতাঃ সংযুতাশ্চ নৃত্তহস্তাশ্চ যে মতাঃ
মিলিত্বা লিখিতৈবেতৈবেকসপ্ততিহস্তকাঃ ॥২৯॥

এমতপ্রকাবে অসংযুত, সংযুত, নৃত্তহস্ত লিখিত হৈয়া একসপ্ততি হৈয়াছে ॥০॥

* অলপদ্মোল্বণঃ অলপল্লবোল্বণঃ ৱেতি নাট্যশাস্ত্রে ।
** উত্তানবঞ্চিতঃ ইতি নাট্যশাস্ত্রে ।

॥ অসংযুত হস্তৰ লক্ষণ ॥

অথ যেন কৃতির্ব্যক্তিভেদো যেনৈব জায়তে ।
পতাকাদিকহস্তানাং লক্ষণন্তন্নিরূপ্যতে ॥৩০॥

এখন পতাকক আদি কৰিহস্তসকলৰ যিমতে দিয়ন হয়, জলাদিতো যিমতে ভেদ হয়, ইহাৰ লক্ষণ নিৰূপণ কৰি । ॥০॥

—পতাক—

প্রসাৰিতাগ্রাঃ সহিতা ভৱন্ত্যঙ্গুলয়ো যদি ।
কুঞ্চিতঃ কিঞ্চিদঙ্গুষ্ঠঃ পতাকঃ স্যাত্তদা কৰঃ ॥৩১॥

সকলো আঙ্গুলিক একেলগ কৰি পোন কৰিব ; বুঢ়া আঙ্গুলি কিছো কুঁচিব । ইহাক পতাক নাম হস্ত বুলি ॥ ১ শ্রী ॥

—পদ্মকোষ—

যস্যাঙ্গুল্যঃ সমুত্তানাঃ শিৰসা কিঞ্চিদানতাঃ ।
অসংযুক্তা ৱর্ত্তুলাশ্চ স ভৱেৎ পদ্মকোশকঃ ॥৩২॥

হস্তক চিত কৰিয়া, সকলো আঙ্গুলি বিৰল কৰি, আগ কিছো কেঁকোৰা কৰিয়া বর্ত্তুলাকাৰ কৰে, ইহাক পদ্মকোষ নাম হস্ত বুলি ॥ ২ শ্রী ॥

—হংসমুখ—

মধ্যমা তর্জনী বৃদ্ধা মিলিত্বা হংসতুণ্ডৱৎ ।
প্রসাৰিতে চ শেষে দ্বে হংসাস্যঃ প্রথিতঃ কৰঃ ॥৩৩॥

বুঢ়া আঙ্গুলিক, বুঢ়া আঙ্গুলিৰ ওচৰৰ আঙ্গুলিক মাঝৰ আঙ্গুলিএৰে একেলগ কৰি, হংসৰ মুখৰ সদৃশ কৰিব ; কুশ আঙ্গুলি, কায় আঙ্গুলি দুইক মেলিব । ইহাকে হংসমুখ নাম হস্ত বুলি ॥৩ শ্রী ॥

—কর্ত্তৰীমুখ—

পতাকস্য তর্জনী চেন্মধ্যাপৃষ্ঠাৱলোকিনী।
অনামিকা চ নমিতা তদা স্যাৎ কর্তৰীমুখঃ ॥৩৪॥

পতাক হস্ততে মাঝৰ আঙ্গুলিৰ পিঠিক বুঢ়া আঙ্গুলিৰ ওচৰৰ আঙ্গুলিএ দেখিব; কুশ আঙ্গুলি কিছো কেঁকোৱা হৈব। ইহাকে কর্ত্তৰীমুখ হস্ত বুলি ॥০॥ যদ্বা ॥

কনিষ্ঠানামিকাঙ্গুষ্ঠাস্তলে মুষ্টীকৃতা যদি।
মধ্যমা তর্জনীযুক্তাপ্যরক্রা কর্তৰীমুখঃ ॥৩৫॥

যত্রাভিনয়ে যদতীৱসুন্দৰং তত্র তদেৱানয়োৱেকতৰদূহনীয়ম্।

কায় আঙ্গুলিকে, কুশ আঙ্গুলিকে বুঢ়া আঙ্গুলিএৰে মুষ্টি কৰে; শেষ দুই আঙ্গুলিক পোন কৰি মেলে। ইহাকে কর্ত্তৰীমুখ নাম হস্ত বুলি। এই দুইৰ মধ্যত যাক যি সময়ত সুন্দৰ দেখে, তাকে দেখাব ॥৪ শ্রী ॥

—অলপদ্ম—

সর্ৱাঃ পার্শ্বকৃতাৱর্তা ৱিকীর্ণা ৱিৱলা অপি।
অঙ্গুল্যো যস্য হস্তস্য সোঽলপদ্মঃ কৱো মতঃ ॥৩৬॥

হস্তৰ সব আঙ্গুলি বিৱল হৈয়া, গাৱৰ ফাললৈ ঘূৰে, ইহাকে অলপদ্ম নাম হস্ত বুলি ॥৫ শ্রী ॥

—ত্রিপতাক—

পতাকে তু যদা হস্তে নমিতা স্যাদনামিকা।
ত্রিপতাকঃ কৰ প্রোক্তস্তদা জনমনোহৰঃ ॥৩৭॥

পতাক হস্ততে যদি কুশ আঙ্গুলি কেঁকোৱা কৰে, ইহাকে ত্রিপতাক নাম হস্ত বুলি ॥৬ শ্রী ॥

—মুষ্টিক—

চতস্রোঽঙ্গুলয়ো যত্র দৃঢ়মুষ্টীকৃতাঃ কৱে।
তাসামুপৰি চাঙ্গুষ্ঠস্তদা মুষ্টিক উচ্যতে ॥৩৮॥

চাৰিও আঙ্গুলিক হাত-তলুৱাত মুষ্টি কৰে; সৱাৰে ওপৰত বুঢ়া আঙ্গুলিক থাপে, ইহাকে মুষ্টিক নাম হস্ত বুলি ॥৭ শ্রী ॥

—শিখৰ—

ঊর্ধ্বগঃ সুস্থিৱোঽঙ্গুষ্ঠো যদি মুষ্টিকহস্তকে।
তদায়ং শিখৱো নাম হস্তকঃ সমুদীৰিতঃ ॥৩৯॥

মুষ্টিক হাততে যদি বুঢ়া আঙ্গুলিক থির কৰে, ইহাকে শিখৰ নাম হস্ত বুলি ॥৮ শ্রী ॥

—অর্দ্ধচন্দ্র—

তর্জন্যাদিকনিষ্ঠান্তা যস্যাঙ্গুল্যো নতিঙ্গতাঃ।
অঙ্গুষ্ঠোঽপি নতঃ সোঽর্ধচন্দ্রঃ কোদণ্ডখণ্ডৱৎ ॥ ৪০ ॥

বুঢ়া আঙ্গুলিৰ ওচৰৰ আঙ্গুলিক আদি কৰি, কায় আঙ্গুলিক অন্ত কৰি, এই চাৰিক একেলগ কৰি কিছো কেঁকোৱা কৰে, বুঢ়া আঙ্গুলিকো কেঁকোৱা কৰে, ইহাকে অর্দ্ধচন্দ্র নাম হস্ত বুলি ॥০ যদ্বা ॥

মধ্যমানামিকা চৈৱ কনীয়স্যপি মুষ্টিকা।
অর্ধচন্দ্রঃ কৱঃ প্রোক্তস্তর্জন্যঙ্গুষ্ঠদূৱতঃ ॥ ৪১ ॥

যত্রাভিনয়ে যদতীৱসুন্দৰং তত্র তদেৱানয়োৱেকতৰদূহনীয়ম্ ॥
যদিবা—সকলো আঙ্গুলি মুষ্টি কৰিব; বুঢ়া আঙ্গুলিকে তাৰ ওচৰৰ আঙ্গুলিকে দূৰ কৰি মেলিব; ইহাকে অর্দ্ধচন্দ্র নাম হস্ত বুলি ॥ ৯ শ্রী ॥

—সর্পশিৰা—

অঙ্গুল্যঃ সংযুতা যস্য সাঙ্গুষ্ঠাস্তলকুঞ্চিতাঃ।
শুভঙ্কৱেণ কথিতঃ সোঽয়ং সর্পশিৱঃ কৱঃ ॥ ৪২ ॥

সকলো আঙ্গুলি একেলগ কৰিয়া হাত তলুৱাক প্ৰতি কেঁকোৱা হৈব কিছোমান ; ইহাকে সৰ্পশিৱা নাম হস্ত বুলি ॥১০ শ্রী ॥

—সূচীমুখ—

ঊৰ্দ্ধীকৃতা তর্জনী চেদঙ্গুষ্ঠো মধ্যমোপৰি ॥
প্রসাৰিতে তু শেষে দ্বে তদা সূচীমুখঃ কৰঃ ॥৪৩॥

যদি মাঝৰ আঙ্গুলিৰ মুড়ত বুঢ়া আঙ্গুলিএৰে ধৰে ; শেষ তিনি আঙ্গুলিক ওখকৈ মেলে ; ইহাকে সূচীমুখ নাম হস্ত বুলি ॥ ১১ শ্রী ॥

—খটকামুখ—

তর্জনীমধ্যমাঙ্গুল্যো মূৰ্দ্ধ্নি বৃদ্ধা নিকুঞ্চিতা
কনিষ্ঠানামিকে কিঞ্চিন্নম্রোৰ্দ্ধে খটকামুখঃ ॥ ৪৪ ॥

বুঢ়া আঙ্গুলিৰ ওচৰৰ আঙ্গুলি, মাঝৰ আঙ্গুলি এই দুইৰ মুড়ত বুঢ়া আঙ্গুলিএৰে ধৰে ; কুশৰ আঙ্গুলিক কিছো চপৱাব ; কায় আঙ্গুলিক কিছো ওখ কৰি মেলে ; ইহাকে খটকামুখ নাম হস্ত বুলি ॥ ১২ শ্রীঃ ॥

—অৱাল—

সবৃদ্ধা তর্জনী নম্রা চাপকোটিদ্বয়ী যথা ।
শেষাস্তিস্রোঽগ্ররলিতা অৱালোঽঙ্গুলয়ঃ কৰে ॥৪৫॥

বুঢ়া আঙ্গুলিএ বুঢ়া আঙ্গুলিৰ ওচৰৰ আঙ্গুলিএ ধনুৰ দুই আগৰ সদৃশ হৈয়া কেঁকোৱা হৈব ; শেষ তিনি আঙ্গুলিক আগলৈ পোন কৰি মেলিব ; ইহাকে অৱাল নাম হস্ত বুলি ॥ ১৩শ্রী ॥

—শুকতুণ্ড—

অৱালস্যৈৱ হস্তস্য সন্নতা চেদনামিকা
শিৱত্রিশূলসদৃশঃ শুকতুণ্ডস্তদা মতঃ ॥ ৪৬ ॥

যদি অৱাল হস্ততে কুশ আঙ্গুলি কেঁকোৱা কৰে শিৱ-ত্রিশূলৰ সদৃশ কৰি, ইহাকে শুকতুণ্ড নাম হস্ত বুলি ॥ ১৪ শ্রী ॥

—সন্দংশ—

অৱালস্যৈৱ হস্তস্যাঙ্গুষ্ঠদশতি তর্জনী ।
যদা তদৈৱ কথিতঃ সন্দংশ ইতি হস্তকঃ ॥ ৪৭ ॥

বুঢ়া আঙ্গুলিৰ ওচৰৰ আঙ্গুলিএ বুঢ়া আঙ্গুলিৰ মুড়ত ধৰে ; শেষ তিনি আঙ্গুলিক পোন কৰি মেলে ; ইহাকে সন্দংশ নাম হস্ত বুলি ॥ ১৫ শ্রী ॥

—কাঙ্গুল—

মধ্যমাঙ্গুষ্ঠতর্জন্যো যত্তেকত্র স্থিতাঃ পৃথক্ ।
কনিষ্ঠোৰ্দ্ধা তথা ৱক্রানামিকা কাঙ্গুলস্তদা ॥ ৪৮ ॥

বুঢ়া আঙ্গুলিৰে, মাঝৰ আঙ্গুলিৰে, বুঢ়া আঙ্গুলিৰ ওচৰৰ আঙ্গুলিৰে আগক সমান কৰি, এক পাশত বিলগে ৰাখে ; কুশ আঙ্গুলিক কেঁকোৱা কৰে ; কায় আঙ্গুলি ওপৰলৈ তোলে ; ইহাক কাঙ্গুল নাম হস্ত বুলি ॥ ১৬ শ্রী ॥

—ঊৰ্ণনাভ—

পদ্মকোশস্য হস্তস্য ভৱন্ত্যঙ্গুলয়ো যদি ।
কুঞ্চিতাৱচিতাঃ সৰ্ৱা ঊৰ্ণনাভঃ প্রকীৰ্তিতঃ ॥ ৪৯ ॥

যদি পদ্মকোষ হস্ততে সকলে আঙ্গুলি কেঁকোৱা হয়, ইহাকে ঊৰ্ণনাভ নাম হস্ত বুলি ॥ ১৭ শ্রী ॥

—কপিত্থ—

শিখৱাখ্যস্য হস্তস্য ৱক্রাকাৱা প্রদেশিনী ।
অঙ্গুষ্ঠপীড়িতা স্যাচ্চেৎ কপিত্থস্তু তদা কৰঃ ॥ ৫০ ॥

যদি শিখৰ হস্ততে বুঢ়া আঙ্গুলিৰ মুড়ত বুঢ়া আঙ্গুলিৰ ওচৰৰ আঙ্গুলিএ ধৰে ইহাকে কপিত্থ নাম হস্ত বুলি ॥ ১৮ শ্রী ॥

—মৃগশীর্ষ—

ঊর্দ্ধে বৃদ্ধাকনীয়স্যৌ তিস্রোঽন্যাঃ সন্নতা যদি।
অঙ্গুল্যো মৃগশীর্ষোঽয়ং ভবতি স করের্মতঃ ॥ ৫১ ॥

বুঢ়া আঙ্গুলিকে, কায় আঙ্গুলিকে ওখ কবে; মাঝব তিনি আঙ্গুলিক একে লগ কবিয়া তলৈ কবে; ইহাকে মৃগশীর্ষ নাম হস্ত বুলি ॥ ১৯ শ্রী ॥

—হংসপক্ষ—

পুবঃপ্রসাবিতাস্তিস্রস্তথা চোর্দ্ধ্বা কনীয়সী।
অঙ্গুষ্ঠঃ কুঞ্চিতশ্চৈব হংসপক্ষঃ প্রকীর্তিতঃ ॥ ৫২ ॥

বুঢ়া আঙ্গুলিক কেঁকোবা কবে; কায় আঙ্গুলিক ওপবলৈ তোলে; মাজব তিনি আঙ্গুলিক একেলগ কবি, আগলৈ মেলে; ইহাকে হংসপক্ষ নাম হস্ত বুলি ॥ ২০ শ্রী ॥

—তাম্রচূড়—

মধ্যমাঙ্গুষ্ঠসংযোগাত্তর্জন্যা রক্রভারতঃ।
অন্যে দ্বে তু তলস্থে চেত্তাম্রচূড়ঃ কবো মতঃ ॥৫৩ ॥

কায় আঙ্গুলিকে, কুশ আঙ্গুলিকে মুষ্টি কবে; মাঝব আঙ্গুলিব মুড়ত বুঢ়া আঙ্গুলিএবে ধবে; বুঢ়া আঙ্গুলিব ওচবব আঙ্গুলি কিছো ওখ হৈয়া কেঁকোবা হৈব; ইহাকে তাম্রচূড় নাম হস্ত বুলি ॥ ২১ শ্রী ॥

—চতুব—

কনীয়সী ভবেদূর্দ্ধ্বা তিস্রোঽঙ্গুল্যঃ প্রসাবিতাঃ।
তাসাং মধ্যে স্থিতোঽঙ্গুষ্ঠস্তদা স্যাচ্চতুবঃ কবঃ ॥ ৫৪ ॥

কায় আঙ্গুলিক ওপবলৈ তোলে; মাঝব তিনি আঙ্গুলিক মেলে; সেহি তিনি আঙ্গুলিব মাঝত বুঢ়া আঙ্গুলিক থাপে; ইহাকে চতুব নাম হস্তবুলি ॥ ২২ শ্রী ॥

—মুকুল—

সংহতাশ্চ সহিতাশ্চ যস্যাঙ্গুল্যো ভবন্তি হি।
সর্বা এব সমুত্তানাঃ স ভবেন্মুকুলঃ কবঃ ॥ ৫৫ ॥

সকলে আঙ্গুলিক চিত কবি আগ একেলগ কবে; ইয়াকে মুকুল নাম হস্ত বুলি ॥ ২৩ শ্রী ॥

— ভ্রমব, চলন্ত মধুকব—

মধ্যমাঙ্গুষ্ঠসংযুক্তাস্তিস্রোঽন্যা রিবলোর্দ্ধ্বগাঃ।
শুভঙ্কবেণ কথিতো ভ্রমবো ভ্রমবাকৃতিঃ ॥ ৫৬ ॥

যদি বুঢ়া আঙ্গুলিএবে মাঝব আঙ্গুলিব মুড়ত ধবে; শেষ তিনি আঙ্গুলিক বিবল কবি ওপবলৈ তোলে; ইহাকে ভ্রমব নাম হস্ত বুলি ॥ ০ ॥

মধ্যমাঙ্গুষ্ঠসংযোগাদূর্দ্ধ্বগাপি কনীয়সী।
অন্যৌ নম্রৌ কম্পমানশ্চলন্মধুকবস্তদা ॥ ৫৭ ॥

বুঢ়া আঙ্গুলিএবে মাঝব আঙ্গুলিব মুড়ত ধবে; বুঢ়া আঙ্গুলিব ওচবব আঙ্গুলি, কুশ আঙ্গুলিও কিছো নমাই, কায় আঙ্গুলিব ওপব তুলি, হস্ত কম্পাই; ইহাকে চলন্ত মধুকব বুলি ॥২৪ শ্রী ॥

—কদম্ব—

পদ্মকোশাপেক্ষয়া তু যঃ স্যাৎ সঙ্কুচিতঃ কবঃ।
কদম্ব ইতি রিজ্ঞেয়শ্চেতঃকৌতুকপূবকঃ ॥ ৫৮ ॥

যদি পদ্মকোষ হস্ততে সকল আঙ্গুলি মুষ্টিব আকৃতি কবি, কেঁকোবা কবে, ইহাকে কদম্ব নাম হস্ত বুলি ॥২৫ শ্রী ॥

—কৃষ্ণসাবমুখ—

মধ্যমানামিকাবৃদ্ধাঃ সন্নতাঃ স্যুঃ পবস্পবম্।
অন্যে দ্বে চাল্পনম্রৌর্দ্ধ্বে কৃষ্ণসাবমুখস্তদা ॥ ৫৯ ॥

বুঢ়া আঙ্গুলিকে, মাঝৰ আঙ্গুলিকে কুশ আঙ্গুলিকে তলত একেলগ কৰে, শেষ দুই আঙ্গুলিক কিছো চপৰাই মেলে ; ইহাকে কৃষ্ণসাৱমুখ নাম হস্ত বুলি ॥২৬ শ্রী ॥

—ঘ্রোণিক—

পঞ্চাঙ্গুলীনাং পুৱতো ৱর্তুলীকৰণাদয়ম্ ।
ঘ্রোণিকো নাম হস্তঃ স্যাৎ ঘ্রোণিকাননসন্নিভঃ ॥ ৬০ ॥

সকলে আঙ্গুলিৰ আগ একেলগ কৰি শূকৰৰ মুখ-সদৃশ কৰিব ; ইহাকে ঘ্রোণিক নাম হস্ত বুলি ॥২৭ শ্রী ॥

—সিংহাস্য—

বৃদ্ধাকনিষ্ঠে ৱিৰলে পুৱোঽন্যাঃ পার্শ্বসংযুতাঃ ।
উত্থিতাঃ শিৱসা কিঞ্চিৎ সিংহাস্যঃ সিংহৱক্ত্রৱৎ ॥৬১॥

বুঢ়া আঙ্গুলিকে, কায় আঙ্গুলিকে নিলগ কৰিব ; শেষ তিনি আঙ্গুলিক একে লগ কৰি আগ কিছো ওপৰ কৰি মেলিব ; এমতে সিংহৰ মুখ-সদৃশ কৰিব ; ইহাকে সিংহাস্য নাম হস্ত বুলি ॥২৮ শ্রী ॥

—অঙ্কুশ—

মুষ্টীকৃতা হস্ততলে সর্ৱাঙ্গুল্যোঽতিযন্ত্রিতাঃ ॥
কিঞ্চিদ্ৱক্রাগ্রদেশেন তর্জনী চেত্তদাঙ্কুশঃ ॥৬২॥

বুঢ়া আঙ্গুলিৰ ওচৰৰ আঙ্গুলিৰ আগ কিছো কেঁকোৱা কৰে, শেষ চাৰি আঙ্গুলিক টান কৰি মুষ্ঠি কৰে ; ইহাকে অঙ্কুশ নাম হস্ত বুলি ॥২৯ শ্রী ॥

—তন্ত্রীমুখ—

অনামিকা মধ্যমা চ ৱক্রে তু যদি লম্বিতে ॥
তিস্রোঽন্যা ৱিৰলাঃ শেষাস্তদা তন্ত্রীমুখঃ কৱঃ ॥৬৩॥

মাঝৰ আঙ্গুলিকে, কুশ আঙ্গুলিকে তললৈ কেঁকোৱা কৰে ; শেষ তিনি আঙ্গুলিক বিৰল কৰি মেলে ; ইহাকে তন্ত্রীমুখ নাম হস্ত বুলি ॥৩০ শ্রী ॥

॥ সংযুত হস্তৰ লক্ষণ ॥

অসংযুতানাং হস্তানামাদৌ ৱ্যাহৃত্য লক্ষণম্ ।
অথ সংযুতহস্তানাং লক্ষণঞ্চ নিৰূপ্যতে ॥৬৪॥

অসংযুত হস্ত সমাপ্ত হৈল ; এখন সংযুত হস্তৰ লক্ষণ কহি ॥০॥

—গজদন্ত—

সর্পশীর্ষৌ যদি স্যাতাং কূর্পৰৌ কুঞ্চিতৌ পুৱঃ ।
শুভঙ্কৱেণ কথিতো গজদন্তস্তদা কৱঃ ॥৬৫॥

সর্পশিৰা হস্ত দুইক কিলাকুড়ি কোঁচাই আগলৈ মেলে, ইহাকে গজদন্ত নাম হস্ত বুলি ॥ শ্রী ১॥

—কপোত—

অন্যোন্যৱিহিতাশ্লেষৌ মধ্যৱিক্তৌ যদা কৰৌ ।
শুভঙ্কৱেণ কথিতঃ কপোতঃ স্যাত্তদা কৱঃ ॥৬৬॥

পতাক হস্ত দুইক একেলগ কৰি মাঝ শূন্য কৰে কিছোমান, ইহাকে কপোত নাম হস্ত বুলি ॥ শ্রী ২ ॥

—বর্দ্ধমান—

হস্তকৌ মৃগশীর্ষৌ দ্ৱৌ মিলিতৌ পুৱতঃ স্থিতৌ ।
শুভঙ্কৱেণ কথিতৌ ৱর্ধমানঃ কৱেশ্ৱৱঃ ॥৬৭॥

মৃগশীর্ষ হস্ত দুইক একেলগ কৰে ; ইহাকে বৰ্দ্ধমান নাম হস্ত বুলি ॥ শ্রী ৩ ॥

—অঞ্জলি—

পতাকাভ্যাং কৰাভ্যাঞ্চেৎ সংশ্লেষঃ পাশ্ৱয়োর্ভৱেৎ ।
তলে কিঞ্চিৎ কুঞ্চিতশ্চ তদা স্যাদঞ্জলিঃ কৱঃ ॥৬৮॥

পতাক দুই হস্তক চিত কৰি দুই কোখ একেলগ কৰি কিছো কোঁচাই ; ইহাকে অঞ্জলি নাম হস্ত বুলি ॥ শ্রী ৪॥

—নিষধ—

দ্বাভ্যাং কৰাভ্যান্বিধৃতৌ কূর্পৰৌ চেৎ পৰস্পৰম্ ।
নিষধৌ নাম হস্তোঽয়ং তদা স্যাৎ করিসম্মতঃ ॥৬৯॥

দুই হস্তেৰে দুই হস্তৰ কিলাকুড়িত ধৰে ; ইহাকে নিষধ নাম হস্ত বুলি ॥ শ্রী ৫॥

—কর্কট—

অন্যোন্যান্তৰগামিনো যদি চাঙ্গুলয়ো মতাঃ ।
স ভৱেৎ কর্কটো নাম লতানির্মিতসদ্মৱৎ ॥৭০॥

বাম হস্তৰ আঙ্গুলিসৱ দক্ষিণ হস্তৰ আঙ্গুলিৰ মাঝে প্ৰৱেশ হৈয়া লতা-ঘৰৰ সদৃশ হয় ; ইহাকে কর্কট নাম হস্ত বুলি ॥ শ্রী ৬॥

—উৎসঙ্গ—

উচ্ছিখৌ ৱামমুত্তানৌ বৃদ্ধিভাজাৱৱালকৌ ।
পুৱতো দর্শিতৌ স্যাতামুৎসঙ্গঃ স্যাত্তদা কৱঃ ॥৭১॥

অৱাল দুই হস্তক বহল কৰি আঙ্গুলিসৱৰ আগ থিৱ কৰি চিত কৰিবা আগত দেখাই ; ইহাকে উৎসঙ্গ নাম হস্ত বুলি ॥ শ্রী ৭॥

—অৱহিত্থ—

তির্যক্ চেদুত্থিতশিখৌ ৱক্ষসঃ পুৱতঃ স্থিতৌ ।
শুকতুণ্ডৌ তু হস্তৌ দ্বাৱহিত্থঃ কৱো মতঃ ॥৭২॥

শুকতুণ্ড হস্ত দুইক আগত পথালি কৰি, আঙ্গুলিসৱৰ আগ ওপৱলৈ কৰে ; ইহাকে অৱহিত্থ নাম হস্ত বুলি ॥ শ্রী ৮॥

—স্বস্তিক—

উত্তানৌ ৱামপার্শ্বস্থৌ মণিবন্ধে নিৱেশিতৌ ॥
অৱালৌ স্বস্তিকো হস্তঃ কথিতো হস্তকোৱিদৈঃ ॥৭৩॥

অৱাল হস্ত দুইক বাম পাশত ওপৱলৈ হাত তলুৱা কৰি হাত-

গেড়ুৱাৰ গুড়িত একেলগ কৰে ; ইহাকে স্বস্তিক নাম হস্ত বুলি ॥ শ্রী ৯॥

—মকৰ—

উপর্যুপৰিৱিন্যস্তৌ পতাকৌ দ্বারধোমুখৌ ।
ঊর্ধ্বাঙ্গুষ্ঠৌ চ মকৱঃ শুভস্কৱৱসারহঃ ॥৭৪॥

বাম পতাক হস্তক উবুৰি কৰি, তাৰ ওপৱত দক্ষিণ পতাক হস্তক উবুৰি কৰি তোলে, দুই বুঢ়া আঙ্গুলিক ওপৱলৈ কৰে ; ইহাকে মকৰ নাম হস্ত বুলি ॥ শ্রী ১০ ॥

—দোল—

পতাকৌ লম্বিতৌ স্যাতামধঃপ্রশিথিলীকৃতৌ ।
দোলানামা ভৱেদেষঃ কৱঃ কৱলয়ান্বিতঃ ॥৭৫॥

দুই পতাক হস্তক নমায়া, লাসে লাসে হস্তৰ তল লড়াই কিছোমান ; ইহাকে দোল নাম হস্ত বুলি ॥ শ্রী ১১॥

—পুষ্পপুট—

দ্বৌ সর্পশীর্ষৌ হস্তৌ চ মিলিতৌ শূর্পখণ্ডৱৎ ।
কনিষ্ঠপার্শ্বসংলগ্নৌ কৱঃ পুষ্পপুটো মতঃ ॥৭৬॥

সর্পশিৰা হস্ত দুইক একেলগ কৰি কুলাৰ সদৃশ কৰে , ইহাকে পুষ্পপুট নাম হস্ত বুলি ॥ শ্রী ১২॥

—মৱাল—

কৱয়োরুভয়োৱের রিশ্লিষ্টকৱশাখয়োঃ ।
কম্পনেনৈর কথিতো মৱালো নাম হস্তকঃ ॥৭৭॥

দুয়ো হস্তৰ অঙ্গুলিসৱ ৰিৱল কৰিয়া কম্পাই ; ইহাকে মৱাল নাম হস্ত বুলি ॥ শ্রী ১৩॥

—খটকাবর্দ্ধমান—

খটকামুখহস্তেঽন্যে মিলিতঃ খটকামুখঃ।
শুভঙ্কৱেণ কথিতঃ খটকাৱর্ধমানকঃ ॥৭৮॥

দুই খটকামুখ হস্তক একেলগ কৱে ; ইহাকে খটকাবর্দ্ধমান নাম হস্ত বুলি ॥ শ্রী ১৪ ॥

॥ নৃত্তহস্ত ॥

ময়াত্র নৃত্তহস্তানাং নামমাত্রং ৱিকাসিতম্।
কিন্তু শেষে কৱিষ্যামি তদুদ্দেশঞ্চ লক্ষণম্ ॥৭৯॥

ইহাতে নৃত্তহস্তৱ নামমাত্র কহিলো ; তাৱে লেখা, লক্ষণক পাছে কহিম ॥০॥

॥ অসংযুত হস্তৱ বিষয় আৰু বিষয়-লক্ষণ ॥

পতাকাদিকহস্তানামিদানীং যত্নতো ময়া।
ক্রিয়তে ৱিষয়োল্লেখস্তল্লক্ষণলক্ষিতঃ ॥৮০॥

॥ পতাক হস্তৱ বিষয় ॥

সংক্ষেপে চ সমুত্তানস্তির্যক্ স্থায়ী চ সংযমে।
লম্বিতঃ পুৱতঃ সত্যে কৃতোর্দ্ধো ৱস্ত্রধাৱনে ॥৭৬২॥

যদি বর্দ্ধমান হস্তক আগত চিত কৰে, তেবে সংক্ষেপক কহে ॥১০॥ যদি বর্দ্ধমান হস্তক আগত পথালি কৰে, তেবে নিয়মক কহে ॥১১॥ যদি বর্দ্ধমান হস্তক আগত লম্বিত কৰে, তেবে সত্যক কহে ॥১২॥ যদি বর্দ্ধমান হস্তক ওপৱৱপৱা তললৈ নিয়ে, তেবে বস্ত্র-ধোৱনক কহে ॥১৩॥

ৱিখ্যাত ইত্যাদি।

তত্রোচ্চৈঃ কৰৰূপগর্ৱদমনঃ শ্রীৱর্ধমানো মতঃ ॥৭৬৩॥শ্রীঃ॥৩॥

বর্দ্ধমান হস্ত সমাপ্ত হৈল ॥০॥

॥ অঞ্জলি হস্তৰ বিষয় ॥

অথাঞ্জলির্যথা ॥

দেৱতানমনে কৃষ্ণে গুৰুৱিপ্রনতৌ তথা।
মিত্রাভিৱাদনে চৈৱ স্ত্রীণামপি নমস্কৃতৌ ॥৭৬৪॥

এখন অঞ্জলি হস্তৰ বিষয়ক কহি ॥

দেৱতাৰ নমস্কাৰত ১, কৃষ্ণ দেৱত ২, গুৰুক বিপ্রক নমস্কৱণত ৩, মিত্রক বচনেৱে সেৱা-কৱণত ৪, স্ত্রীক নমস্কাৰ-কৱণত ৫,

গুৰুসম্ভাষণে ছত্রে সরিকাশসৱোকহে।
স্ৱর্ণকুম্ভে ধনুর্ৱেধে সৱস্ৱত্যামপীৱিতঃ ॥
লক্ষ্ম্যাং মঙ্গলচণ্ড্যাঞ্চ গঙ্গায়াঞ্চাঞ্জলিঃ কৱঃ ॥৭৬৫॥

গুৰুক সম্ভাষণ-কৱণত ৬, ছত্রত ৭, ফুলা পদ্মত ৮, সুৱর্ণৰ কলসত ৯, ধনুএৱে বেধনকৱণত ১০, সৱস্ৱতীত ১১, লক্ষ্মীত ১২, মঙ্গলচণ্ডীত ১৩, গঙ্গাত ১৪ ॥

॥ অঞ্জলি হস্তৰ বিষয়-লক্ষণ ॥

দেৱতানমনে কৃষ্ণে শিৱস্থোঽঞ্জলিৱীৱিতঃ।
গুৰুৱিপ্রনতৌ ৱক্ত্রে মিত্রাভিৱাদনে হৃদি ॥৭৬৬॥

এখন ইসবৰ লক্ষণ কহি ॥

যদি অঞ্জলি হস্তক শিৱত লগাই, তেবে দেৱতাৰ নমস্কাৰক কহে ॥১॥ এহি হস্তে কৃষ্ণক কহে ॥২॥···॥৩॥ যদি অঞ্জলি হস্তক মুখৰ গুড়িত দেখাই, তেবে মিত্রক বচনেৱে সেৱা-কৱণক কহে ॥৪॥

স্ত্রীণাং যথেষ্টরৎ কার্যং গুৰুসম্ভাষণে পুৱঃ।
অঞ্জলির্ন্যামহস্তোঽয়ং ছত্রে স্যান্মস্তকোপৱি ॥৭৬৭॥

যদি অঞ্জলি হস্তক আগত দেখুই, তেবে গুৰু-সম্ভাষণক কহে ॥৫॥

যদি অঞ্জলি হস্তক হিয়াৰ নামত দেখাই, তেবে স্ত্রীক নমস্কাৰক কহে ॥৬॥ যদি অঞ্জলি হস্তক মুণ্ডৰ ওপৰত দেখাই, তেবে ছত্রক কহে ॥৭॥

পুৰতশ্চোৰ্দ্ধগঃ কিঞ্চিৎ সৰিকাসসবোকহে।
নিতম্বোপবি ৰামে তু স্বর্ণকুম্ভেঽঞ্জলির্মতঃ ॥৭৬৮॥

যদি অঞ্জলি হস্তক আগত কিছু ওপৰলৈ নিয়ে, তেবে ফুলা পদ্মক কহে ॥ ৮ ॥ যদি অঞ্জলি হস্তক বাম ফালৰপৰা কঁকালৰ নামত দেখাই, তেবে সুৱর্ণৰ কলসক কহে ॥ ৯ ॥

খটকাং দর্শয়িত্বা চ ধনুর্ৰেধে তথাঞ্জলিঃ।
সৰস্বত্যাদিগঙ্গান্তে শিবস্থোঽঞ্জলিরুচ্যতে ॥৭৬৯॥

যদি খটকামুখ হস্তক আগে দেখায়া পাছে অঞ্জলি হস্ত দেখাই, তবে ধনুএৰে বেধনক কহে ॥ ১০ ॥ যদি অঞ্জলি হস্তক শিৰত দেখাই, তেবে সৰস্বতীক কহে ॥ ১১ ॥ এহি হস্তে লক্ষ্মীক কহে ॥ ১২ ॥ মঙ্গল চণ্ডীক কহে ॥ ১৩ ॥ গঙ্গাক কহে ॥ ১৪ ॥

ৰিখ্যাত ইত্যাদি।

তত্রোচ্চৈৰির্ৰিধপ্রবন্ধচতুৰো জাতোঽঞ্জলিঃ সুন্দৰঃ ॥৭৭০॥ শ্রীঃ ॥৪॥

অঞ্জলি হস্ত সমাপ্ত হৈল ॥ ০ ॥

॥ নিষধ হস্তৰ বিষয় ॥

অথ নিষধো যথা ॥

ধৈর্যে গর্ৰে মদে চৈৰ সৌষ্ঠৰে চ ৰ্ব্যতিক্রমে।
অভিমানেঽৰস্তম্ভে চ শৌর্যে দর্পাদিকে তথা ॥৭৭১॥

এখন নিষধ হস্তৰ বিষয়ক কহি ॥

ধৈর্য্যত ১, গর্ৰ্বত ২, হর্ষত ৩, শোভন ভাবত ৪, ক্রম লৰাত ৫, অভিমানত ৬, স্থিৰ-হৱনত ৭, বীৰভাবত ৮, দর্পাদিত ৯,

গাত্রাদিমোটনে চৈৰ তথৌৎসুক্যে চ যন্ত্রণে।
ৰিক্রমে পৰশুৰামে চ নিষধঃ কথিতঃ কৰঃ ॥ ৭৭২॥

গাৰ মুৰি দিয়াত ১০, উৎসুকত ১১, যত্নকৰণত ১২, বিক্রমত ১৩, পশুৰামত ১৪ ॥

॥ নিষধ হস্তৰ বিষয়-লক্ষণ ॥

ধৈর্যাদৌ ৰিক্রমান্তে চ তাদৃগ্‌ভাৰৰিভাৰনাৎ।
প্রবন্ধক্রুৰমুকুলসলীলালীকনাথতঃ (?) ॥৭৭৩॥

এখন ইসবৰ লক্ষণ কহি ॥

যদি নিষধ হস্তক দেখায়া শৰীৰক স্থিৰ কৰিয়া দৃষ্টিক স্থিৰ কৰে, তেবে ধৈর্য্যক কহে ॥ ১ ॥ এহি হস্তে গর্ৰ্বক কহে ॥ ২ ॥ যদি নিষধ হস্তক দেখায়া লীলা সহিত দৃষ্টি কৰে, তেবে হর্ষক কহে ॥ ৩ ॥ এহি হস্তে শোভন ভাৰক কহে ॥ ৪ ॥ যদি নিষধ হস্তক দেখাই তললৈ দৃষ্টি কৰে, তেবে ক্রম লৰাক কহে ॥ ৫ ॥ যদি নিষধ হস্তক দেখায়া চক্ষু কিছু জপায়া শৰীৰক স্থিৰ কৰে, তেবে অভিমানক কহে ॥ ৬ ॥ এহি হস্তে স্থিৰ-হওনক কহে ॥ ৭ ॥ যদি নিষধ হস্তক দেখায়া ক্রোধ দৃষ্টি কৰে, তেবে বীৰ-ভাবক কহে ॥৮॥ এহি হস্তে দর্পক কহে ॥ ৯ ॥ যদি নিষধ হস্তক দেখায়া শৰীৰক লৰাই, তেবে গাৰমুড়ি দিয়নক কহে ॥ ১০ ॥ যদি নিষধ হস্তক দেখায়া শৰীৰক লৰায়, তেবে যত্নক কহে ॥ ১১ ॥ যদি নিষধ হস্তক দেখায়া হর্ষ-দৃষ্টি কৰে, তেবে উৎসুকক্ কহে ॥ ১২ ॥ যদি নিষধ হস্তক দেখায়া ক্রোধ দৃষ্টি কৰে, তেবে বিক্রমক কহে ॥ ১৩ ॥

নিষধং দর্শয়েদাদৌ পশ্চাদাস্ফোটনং মহৎ।
ক্ষত্রাৰিঃ পৰশুৰামঃ শুভস্কৰসমীৰিতঃ ॥৭৭৪॥

যদি নিষধ হস্তক দেখায়া পাছে বাম সর্পশিৰা হস্তক দক্ষিণ স্তনত থৈয়া দক্ষিণ সর্পশিৰা হস্তক বাম বাহুত প্রহাৰ কৰে, তেবে পৰশুৰামক কহে ॥ ১৪ ॥

ৱিখ্যাত ইত্যাদি।

তত্রায়ং নিষধঃ কৰো নিৰগমৎ সম্মোদপুৰাস্পদম্ ॥ ৭৭৫ ॥

শ্রীঃ ৫ ॥

নিষধ হস্ত সমাপ্ত হৈল ॥

॥ কর্কট হস্তৰ ৱিষয় ॥

শঙ্খে লতাগৃহে চৈৱ শঙ্খাদিৱাদনে তথা।
সৌধে ৱাসগৃহে চৈৱ তথা দেহস্য মর্দনে ॥৭৭৬॥

এখন কর্কট হস্তৰ ৱিষয়ক কহি ॥

শঙ্খত ১, লতাগৃহত ২, শঙ্খাদি-ৱজাওনত ৩, ধনৱন্তৰ ঘৰত ৪, সংকেত-গৃহত ৫, শৰীৰ-মর্দ্দনত ৬,

অথ কামৱিমর্দে চ সুপ্তোত্থিতৱিজৃম্ভণে।
গেণ্ডুকে কামদেৱে চ পাণ্ডুৱর্ণেঽৱধাৱণে ॥৭৭৭॥

কামৰ মর্দ্দনত ৭, শয়ন কৰি উঠা জনৰ হামিত ৮, গাড়ুত ৯, কামদেৱত ১০, পাণ্ডুৱর্ণত ১১, 'এইহে, আন নহে' এনে অর্থত ১২ ॥

নিদ্রাপগমনে দুঃখে ৱৃহদ্দেহেঽপি কর্কটে।
আশ্চর্যচিন্তনে চৈৱ কর্কটঃ কথিতো ময়া ॥৭৭৮॥

নিদ্রাৰ এড়নত ১৩, দুঃখত ১৪, বড় শৰীৰত ১৫, কেঁকোৱাত ১৬, অদ্ভুতৰ চিন্তনত ১৭ ॥

॥ কর্কট হস্তৰ ৱিষয়-লক্ষণ ॥

তর্জনী তর্জনীযুক্তা ৱৃদ্ধা ৱৃদ্ধাসমন্ৱিতা।
যদি স্যাৎ কর্কটে হস্তে তদায়ং শঙ্খ উচ্যতে ॥৭৭৯॥

এখন ইসৰৰ লক্ষণ কহি ॥

যদি কর্কট হস্তৰ বুঢ়া আঙ্গুলিয়ে বুঢ়া আঙ্গুলিয়ে লগাই, বুঢ়া আঙ্গুলিৰ ওচৰৰ আঙ্গুলিক বুঢ়া আঙ্গুলিৰ ওচৰৰ আঙ্গুলিয়েৰে লগাই, তেবে শঙ্খক কহে ॥১॥

কিঞ্চিদূর্দ্ধং দোলিতঃ সন্ কর্কটঃ স্যাল্লতাগৃহে।
কর্কটো মুখসংলগ্নো ভৱেৎ শঙ্খাদিৱাদনে ॥৭৮০॥

যদি কর্কট হস্তক কিছু উপৰ তুলি হিন্দোল কৰে, তেবে লতাগৃহক কহে ॥২॥ যদি কর্কট হস্তক মুখত লগাই, তেবে শঙ্খাদিৰ ৱজাওনক কহে ॥ ৩ ॥

অত্যূর্দ্ধ্বমুত্থিতো হস্তঃ সৌধে ৱাসগৃহে তথা।
'পার্শ্বে মুহুর্দোলিতঃ সন্ কর্কটো দেহমর্দনে ॥৭৮১॥

যদি কর্কট হস্তক অতি ঊর্দ্ধলৈ তোলে, তেবে ধনৱন্তৰ ঘৰক কহে ॥৪॥ এহি হস্তে সংকেত-গৃহক কহে ॥৫॥ যদি কর্কট হস্তক এক পাশত বাৰম্বাৰ হিন্দোল কৰে, তেবে শৰীৰ-মর্দ্দনক কহে ॥৬॥

কর্কটঃ ৱামমর্দে স্যাৎ অঙ্গভঙ্গৱিশেষকৃৎ।
মীলিতাক্ষো মুখস্যাৱাৎ সুপ্তোত্থিতৱিজৃম্ভণে ॥ ৭৮২

যদি কর্কট হস্তক আগত দেখায়া শৰীৰৰ ভঙ্গিভাৱ দেখাই, তেবে কাম-মর্দ্দনক কহে ॥ ৭ ॥ যদি কর্কট হস্তক মুখৰ গুড়িত দেখায়া চক্ষু মেলে, তেবে শয়ন কৰি উঠা জনৰ হামিক কহে ॥৮॥

গেণ্ডুকে কামদেৱে চ পুৱো ৱসৱিশেষতঃ
কপোলস্য সমীপে তু পাণ্ডুৱর্ণে চ কর্কটঃ ॥৭৮৩॥

যদি কর্কট হস্তক আগত দেখাই, তেবে গাড়ুক কহে ॥৯॥ এহি হস্তে কামদেরক কহে ॥১০॥ যদি কর্কট হস্তক গালৰ গুড়িত দেখাই, তেবে পাণ্ডুবর্ণক কহে ॥১১॥

অরধাবণেঽধোলম্বী নিদ্রাভঙ্গেঽক্ষিকচ্ছতঃ ।
দৃশোস্তু রাৰণাদ্দুঃখে স্থূলদেহে পুবোগতঃ ॥৭৮৪॥

যদি কর্কট হস্তক তললৈ নমাই, তেবে 'এইহে, আন নহে' এনে অর্থক কহে ॥১২॥ যদি কর্কট হস্তত চক্ষুব গুড়িলৈ নিয়ে, তেবে নিদ্রাৰ এড়নক কহে ॥১৩॥ যদি কর্কট হস্তেবে দুই চক্ষুক ঢাকে, তেবে দুঃখক কহে ॥১৪॥ যদি কর্কট হস্তক আগত দেখাই, তেবে বড় শৰীৰক কহে ॥১৫॥

লোলশাখো মহীকচ্ছে তির্যগ্‌গামী চ কর্কট ঃ ।
তিৰোদৃক্ নাসিকাস্পর্শী কর্কটে জানুকূর্পবে ॥
শুভঙ্কবেণ কথিতং ভরেদাশ্চর্যচিন্তনম্ ॥৭৮৬॥

যদি কর্কট হস্তক মাটিৰ ওচৰত আঙ্গুলি লড়ায়া পথালি কৰি আগলৈ নিয়ে, তেবে কেঁকোবাক কহে ॥১৬॥ যদি দুই আঁঠুত দুই কিলাকুড়ি লগায়া কর্কট হস্তক নাসিকাত লগাই, চক্ষু কেৰা কৰে, তেবে অদ্ভুতৰ চিন্তনক কহে ॥১৭॥

রিখ্যাত ইত্যাদি ।

তত্রোট্টঙ্কিতচিত্তচাকৰভসঃ প্রায়াৎ কৰঃ কর্কটঃ ॥৭৮৭॥শ্রীঃ৬॥

কর্কট হস্ত সমাপ্ত হৈল ॥০॥

॥ উৎসঙ্গ হস্তৰ বিষয় ॥

অথোৎসঙ্গো যথা ॥

শয্যায়াং কম্বলাদৌ চ তূলিকে ভূষণেঽপি চ ।
চন্দ্রাতপে চ কথিতো মহৎপট্যান্তথৈব চ ॥৭৮৮॥

এখন উৎসঙ্গ হস্তৰ বিষয়ক কহি ॥

শয্যাত ১, কম্বলাদিত ২, তুলিত ৩, ভূষণত ৪, চন্দ্রাতপত, ৫, বড় পাটীত ৬,

অন্ধকাৰে দোহনে চ নিষ্পেষেঽমর্ষ এৰ চ ।
স্পর্শে চ গ্রহণে চৈৰ গুৰীর্য্যায়াং বথে তৃণে ॥৭৮৯॥

অন্ধকাৰত ৭, দোহনত ৮, পেষণত ৯, ক্ষমা নকৰণত ১০, স্পর্শত ১১, লওনত ১২, বড় অসূয়াত ১৩, বথত ১৪, তৃণত ১৫,

পক্ষে মাসে বৎসবে চ দিৰসে হর্ষ এৰ চ ।
কালে বহুতবে ক্লীৰে দ্বিষদাদিনিপীড়নে ॥৭৯০॥

পক্ষত ১৬, মাসত ১৭, বৎসৰত ১৮, দিনত ১৯, হর্ষত ২০, আনো কাল মাত্রত ২১, বিস্তৰত ২২, নপুংসকত ২৩, শত্রু আদিৰ পীড়াকৰণত ২৪,

মল্লেন সহ মল্লস্য সাটোপে যুদ্ধ এৰ চ ।
শীতে কান্তালিঙ্গনে চ লজ্জায়ামপি কথ্যতে ॥
উৎসঙ্গো নাম হস্তোঽয়ং সৰিলাসো মনোহৰঃ ॥৭৯১॥

মালে সহিতে মালৰ সাটোপত ২৫, যুদ্ধত ২৬, জাৰত ২৭, স্ত্রীৰ আলিঙ্গনত ২৮, লজ্জাত ২৯ ॥

॥ উৎসঙ্গ হস্তৰ বিষয়-লক্ষণ ॥

শয্যাদিতূলিকান্তে স্যাদুত্তানো মণ্ডলায়িতঃ।
ভূষণে কিঞ্চিদূর্দ্ধ্বঃ সন্ পুৰতো মণ্ডলায়িতঃ ॥৭৯২॥

এখন ইসবৰ লক্ষণ কহি ॥

যদি উৎসঙ্গ হস্তক চিত কৰি আগত ঘূৰাই, তেবে শয্যাক কহে ॥১॥ এহি হস্তে কম্বলাদিক কহে ॥২॥ তুলিক কহে ॥৩॥ যদি উৎসঙ্গ হস্তক চিত কৰি কিছু ওপৰত ঘূৰাই, তেবে ভূষণক কহে ॥৪॥

চন্দ্রাতপে মহৎপট্যামনুত্তানৌ পুৰঃ স্থিতৌ।
উৎসঙ্গোঽয়মনুত্তানঃ পুৰতশ্চলিতো ভৱেৎ ॥
অন্ধকাৰে তদায়ং স্যাৎ শুভঙ্কৰমতঃ কৰঃ ॥৭৯৩॥

যদি উৎসঙ্গ হস্তক উবুৰি কৰি আগত দেখাই, তেবে চন্দ্রাতপক কহে ॥৫॥ এহি হস্তে বড় পাটীক কহে ॥৬॥ সেহি হস্তকে যদি আগলৈ চলাই, তেবে অন্ধকাৰক কহে ॥৭॥

দোহনাদৌ চ লজ্জান্তে যো যত্র যাদৃশাকৃতিঃ।
ঊহনীয়স্তু রিঙ্খা হস্তকঃ স চ তাদৃশঃ ॥৭৯৪॥

যদি উৎসঙ্গ হস্তক হস্ত দুইক কাতি কৰি ক্রমে তল-ওপৰ কৰে, তেবে দোহনক কহে ॥৮॥ যদি উৎসঙ্গ হস্তক উবুৰি কৰি গাৱৰ ওচৰৰপৰা আগলৈ অনা-নিয়া কৰে, তেবে পেষণক কহে ॥৯॥ যদি উৎসঙ্গ হস্তক (উবুৰি কৰি ওপৰলৈ) গাৱৰ ওচৰৰপৰা আছাড় মাৰে, তেবে ক্ষমা নকৰণক কহে ॥১০॥ যদি উৎসঙ্গ হস্তক আগৰপৰা কোলালৈ আনে. তেবে পর্শক কহে ॥১১॥ এহি হস্তে লওনক কহে ॥১২॥ যদি উৎসঙ্গ হস্তক উবুৰি কৰি ওপৰলৈ আছাড় মাৰে তেবে বড় অসূয়াক কহে ॥১৩॥ যদি উৎসঙ্গ হস্তক চিত কৰে, তেবে ৰথক কহে ॥১৪॥ যদি উৎসঙ্গ হস্তক চিত কৰি আগত ঘূৰাই, তেবে তৃণক কহে ॥১৫॥ যদি উৎসঙ্গ হস্তক আগত দেখাই, তেবে পক্ষক কহে ॥১৬॥ এহি হস্তে মাসক কহে ॥১৭॥ বৎসৰক কহে ॥১৮॥ দিৱসক কহে ॥১৯॥ যদি

উৎসঙ্গ হস্তক আগত হিন্দোল কৰে, তেবে হর্ষক কহে ॥২০॥ মাসৰ হস্তেৰে আনো কালক কহে ॥২১॥ যদি উৎসঙ্গ হস্তক আগত বহল কৰে, তেবে বিস্তৰক কহে ॥২২॥ যদি উৎসঙ্গ হস্তক উবুৰি কৰিয়া চিত কৰে, তেবে নপুংসকক কহে ॥২৩॥ যদি উৎসঙ্গ হস্তক উবুৰি কৰি আগত প্রহাৰ কৰে, তেবে শক্র আদিৰ পীড়াকৰণক কহে ॥২৪॥ যদি উৎসঙ্গ হস্তৰ বাম হস্তক আগলৈ কৰি দক্ষিণ হস্তক বাম বাহুত প্রহাৰ কৰে, তেবে মালে সহিতে মালৰ সাটোপক কহে ॥২৫॥ এহি হস্তে যুদ্ধক কহে ॥২৬॥ যদি উৎসঙ্গ হস্তক আগত কাতি কৰি কম্পাই, তেবে জাৰক কহে ॥২৭॥ যদি উৎসঙ্গ হস্তক কেৰা খুৱাই দুই বাহুত লগাই, তেবে স্ত্রীৰ আলিঙ্গনক কহে ॥২৮॥ যদি উৎসঙ্গ হস্তক মুখৰ গুড়িলৈ নিয়া মুখ কাতি কৰে, তেবে লজ্জাক কহে ॥২৯॥ দোহনক আদি কৰি লজ্জাক অন্ত কৰি ঊহনা কৰা ॥

রিঙ্খাত ইত্যাদি।

তত্রোত্তুঙ্গকচিঃ কৰস্তু নিৱগাদুৎসঙ্গনামাপৰঃ ॥৭৯৫॥শ্রীঃ ৭॥

উৎসঙ্গ হস্ত সমাপ্ত হৈল ॥০॥

॥ অৱহিত্থ হস্তৰ বিষয় ॥

অথাৱহিত্থো যথা ॥

দুঃখিন্যাং স্যাদৱহিত্থে মদনজ্বৰপীড়িতে।
উৎকণ্ঠায়াং শৰীৰস্য দৌর্ব্বল্যাদিপ্রদর্শনে ॥৭৯৬॥

অৱহিত্থ হস্তৰ বিষয়ক কহি ॥

দুখিনী স্ত্রীত ১, ভিতৰত থকা বস্তুত ২, কামজ্বৰে পীড়িত জনত ৩, অধিক প্রেমৰ্ত ৪, শৰীৰৰ বলহীন দেখাওনত ৫,

ক্ষীণদেহে চ নির্ব্বিন্নে নিঃশ্বাসে চ ভয়ানকে।
আলস্যগাত্রস্পর্শে চ ভেদনে পতনে তথা ॥
ব্যাধৌ চৈৱ তথোত্থানেঽৱহিত্থঃ কথিতো ময়া ॥৭৯৭॥

খীণ দেহত ৬, বৈৰাগ্যত ৭, নিশ্বাসত ৮, ভয়ানকত ৯, আলসীয়া জনৰ শৰীৰ-পৰ্শনত ১০, ভেদনত ১১, পড়নত, ১২, ব্যাধিত ১৩, উঠনত ১৪ ॥

॥ অৱহিত্থ হস্তৰ বিষয়-লক্ষণ ॥

দুঃখিন্যাদৌ নির্ৱির্ন্যাস্তে কম্পিতোর্ধ্বশিখো মতঃ।
নিঃশ্বাসাদ্যা উত্থানান্তাঃ স্থানরিশেষযোজনাৎ ॥
যথাকাৰদর্শনাচ্চ দর্শনীয়া রিচক্ষণৈঃ ॥ ৭৯৮ ॥

এখন ইসবৰ লক্ষণ কহি ॥

যদি অৱহিত্থ হস্তক ওপৰলৈ আঙ্গুলি কৰি কম্পাই, তেবে দুঃখুনী স্ত্রীক কহে ॥১॥ এহি হস্তে ভিতৰত থকা বস্তুক কহে ॥২॥ কামজ্বৰে পীড়িত জনক কহে ॥৩॥ অধিক প্রেমক কহে ॥৪॥ শৰীৰ বলহীন দেখাওনক কহে ॥৫॥ ক্ষীণ দেহক কহে ॥৬॥ বৈৰাগ্যক কহে ॥৭॥ এখন উহ্য ॥ যদি অৱহিত্থ হস্তক মুখৰ গুৰিৰ পৰা আগলৈ নিয়ে, তেবে নিশ্বাস-এড়নক কহে ॥৮॥ যদি অৱহিত্থ হস্তক চক্ষু মেলি আগত ঘূৰাই, তেবে ভয়ানকক কহে ॥৯॥ যদি অৱহিত্থ হস্তক গাৱত লগায়া গাৱ কেৰমেৰ কৰে, তেবে আলসীয়া জনৰ শৰীৰ-পৰ্শনক কহে ॥১০॥ যদি অৱহিত্থ হস্তক আগলৈ ঠেলে, তেবে ভেদনক কহে ॥১১॥ যদি অৱহিত্থ হস্তক ওপৰৰপৰা পেলাই, তেবে পড়নক কহে ॥১২॥ যদি অৱহিত্থ হস্তক শৰীৰত লগাই, তেবে ব্যাধিক কহে ॥১৩॥ যদি অৱহিত্থ হস্তক তলৰপৰা ওপৰলৈ তোলে, তেবে উঠনক কহে ॥১৪॥ নিশ্বাস-এড়নক আদি কৰি উঠনক অন্ত কৰি উহনা কৰা ॥০॥

রিখ্যাত ইত্যাদি।

তত্রাশ্চর্যমনোহরো লঘুগতির্যাতোহরহিত্থঃ করঃ ॥

॥ শ্রীঃ৮॥৭৮৯ ॥

অৱহিত্থ হস্ত সমাপ্ত হৈল ॥০॥

॥ স্বস্তিক হস্তৰ বিষয় ॥

অথ স্বস্তিকো যথা ॥

সপ্তদ্বীপাৱনৌ সপ্তদ্বীপে সপ্তপয়োনিধৌ।
সপ্তস্বর্গে রিমানে চ তথা সম্পদি চোৎসরে ॥৮০০॥

অথ স্বস্তিক হস্তৰ বিষয়ক কহি ॥

সপ্তদ্বীপা পৃথিৱীত ১, সপ্ত দ্বীপত ২, সপ্ত সাগৰত ৩, সপ্ত স্বর্গত ৪, বিমানত ৫, সম্পদত ৬, উৎসৱত ৭,

প্রভাতে দিৱসে ৰাত্রৌ প্রদোষগমনে ঘনে।
আকাশে দিশি নক্ষত্রে গ্রহাদৌ চ জলাশয়ে ॥৮০১॥

প্রভাতত ৮, দিনত ৯, ৰাত্রিত ১০, সন্ধ্যা বেলাৰ গমনত ১১, মেঘত ১২, আকাশত ১৩, দিশত ১৪, নক্ষত্রত ১৫, গ্রহাদিত ১৬, বড় পুখুৰীত ১৭,

গন্ধে মুখৰতৌ চন্দ্রজ্যোৎস্নায়াঞ্চ ৰসে তথা।
সূর্যে ধূমেঽনিলে ধূলৌ সুকুমাৰে চ তীক্ষ্ণকে ॥৮০২॥

গন্ধত ১৮, মুখক্রীড়াত ১৯, চন্দ্রৰ কান্তিত ২০, ৰসত ২১, সূর্য্যত ২২, ধূমত ২৩, বায়ুত ২৪, ধূলিত ২৫, সুন্দৰত ২৬, তীক্ষ্ণত ২৭,

মধ্যাহ্নাদৌ ৱনে সৈন্যে সগর্ৱে ৱীৰসঙ্গৰে।
মেঘধ্বনৌ নতৌ দৃশ্যে শ্রাৱ্যে হাৰে তথা স্রজি ॥৮০১ ক॥

মধ্যাহ্নত ২৮, ৱণত ২৯, সৈন্যত ৩০, গর্ৱে সহিত জনত ৩১, ৱীৰ-যুদ্ধত ৩২, মেঘৰ ধ্বনিত ৩৩, নম্র ভাৱত ৩৪, দেখা বস্তুত ৩৫, শ্রাদ্ধত শুনাৰ লগা মন্ত্রত ৩৬, হাড়ত ৩৭, মালাত ৩৮,

কৈতৱে চৈৱ নিন্দায়াং মিথ্যোক্তৌ প্রাকৃতেঽপি চ।
গৱিষ্ঠে ধাৱণে চৈৱ স্বস্তিকোঽয়ং ময়োদিতঃ ॥৮০২ ক॥

কৈতৱত ৩৯, নিন্দাত ৪০, মিথ্যা ৱচনত ৪১, সামান্য জনত ৪২, গৱিষ্ঠত ৪৩, ধাৱণত ৪৪ ॥

॥ স্বস্তিক হস্তৰ বিষয়-লক্ষণ ॥

সপ্তদ্বীপারনৌ সপ্তদ্বীপে সপ্তপয়োনিধৌ ।
অথৈকস্মিন্নপ্যমীষামতিদূৰপ্রসাবিতৌ ॥৮০৩॥

এখন ইসবৰ লক্ষণ কহি ॥

যদি স্বস্তিক হস্তৰ হস্ত দুইক অতি দূৰলৈ মেলে, তেবে সপ্তদ্বীপা পৃথিৱীক কহে ॥১॥ এহি হস্তে সপ্তদ্বীপক কহে ॥২॥ সপ্ত সাগৰক কহে ॥৩॥

উত্তানারূর্ধ্বগৌ কিঞ্চিৎ সপ্তস্বর্গে ৱিমানকে ।
ঊর্ধ্বহিতশিৱাশ্চৈর প্রভাতাদিজলাশয়ে ॥৮০৪॥

যদি স্বস্তিক হস্তক চিত কৰি কিছু ওপৰলৈ তোলে, তেবে সপ্ত স্বর্গক কহে ॥৪॥ এহি হস্তে বিমানক কহে ॥৫॥ যদি স্বস্তিক হস্তৰ আঙ্গুলি ওপৰলৈ কৰি দেখাই, তেবে প্রভাতক কহে ॥৬॥ এহি হস্তে দিৱসক কহে ॥৭॥ ৰাত্রিক কহে ॥৮॥ সন্ধ্যাবেলাৰ গমনক কহে ॥৯॥ মেঘক কহে ॥১০॥ আকাশক কহে ॥১১॥ দিশক কহে ॥১২॥ নক্ষত্রক কহে ॥১৩॥ গ্রহাদিক কহে ॥১৪॥ বড় পুখুৰীক কহে ॥১৫॥

গন্ধাদৌ চ ৰসান্তে স্যাৎ স্বস্তিকোঽল্পপ্রসাবিতঃ ।
ধূল্যন্তে চৈর সূর্যাদৌ ৱস্ত্রাৱগুণ্ঠনান্মতঃ ॥৮০৫॥

যদি স্বস্তিক হস্তক কিছুমান মেলে, তেবে গন্ধক কহে ॥১৬॥ এহি হস্তে মুখক্রীড়াক কহে ॥১৭॥ চন্দ্রৰ কান্তিক কহে ॥১৮॥ ৰসক কহে ॥১৯॥ যদি স্বস্তিক হস্তক মূৰে-গাৰে কাপৰ লৈ দেখাই, তেবে সূর্য্যক কহে ॥২০॥ এহি হস্তে ধূমক কহে ॥২১॥ বায়ুক কহে ॥২২॥ ধূলিক কহে ॥২৩॥

সুকুমাৰে চ ৰোমাঞ্চে তীক্ষ্ণে স্যান্মুখকুঞ্চনৈঃ ।
ঊর্ধ্বকেকৰদৃষ্ট্যা তু মধ্যাহ্নাদিষু স্বস্তিকঃ ॥ ৮০৬॥

যদি স্বস্তিক হস্তক দেখায়া মুখ কোঁচাই, তেবে সুন্দৰক কহে ॥২৪॥

ৰোমাঞ্চক কহে ॥২৫॥ তীক্ষ্ণক কহে ॥২৬॥ যদি স্বস্তিক হস্তক দেখায়া ওপৰলৈ দৃষ্টি কেৰা কৰে, তেবে মধ্যাহ্নক কহে ॥২৭॥

ৱনে সৈন্যে স্বস্তিকস্তু অনুত্তানঃ পুৰোগতঃ ।
সগর্ৱে ৱীৰযুদ্ধে চ তথাটোপং প্রদর্শয়েৎ ॥৮০৭॥

যদি স্বস্তিক হস্তক উবুৰি কৰি আগলৈ নিয়ে, তেবে বনক কহে ॥২৮॥ এহি হস্তে সৈন্যক কহে ॥২৯॥ যদি স্বস্তিক হস্তে বড় আটোপৰ হস্তক দেখাই, তেবে গর্ব্বে সহিত জনক কহে ॥৩০॥ এহি হস্তে ৱীৰ-যুদ্ধক কহে ॥৩১॥

স্রস্তাঙ্গৱিনিৱেশস্তু স্বস্তিকঃ স্যাদ্ঘনধ্বনৌ ।
নতৌ কার্যস্তথোত্তানঃ সদৃশ্যে ন চ যন্ত্রিতঃ ॥
শ্রাৱ্যে শ্রুতিসমীপস্থৌ হাৱে স্রজি চ কণ্ঠগঃ ॥৮০৮ ॥

যদি স্বস্তিক হস্তক গাৰত লগায়া হালে, তেবে মেঘৰ ধ্বনি কহে ॥৩২॥ যদি স্বস্তিক হস্তক চিত কৰি দেখাই, তেবে নম্রভাৱক কহে॥৩৩॥ এহি হস্তে দেখা বস্তুক কহে ॥৩৪॥ যদি স্বস্তিক হস্ত দুইক দুই কর্ণৰ সমীপলৈ নিয়ে তেবে শ্রাদ্ধত শুনাব লগা মন্ত্রক কহে ॥৩৫॥ যদি স্বস্তিক হস্তক কণ্ঠৰ সমীপত দেখাই, তেবে হাড়ক কহে ॥৩৬॥ এহি হস্তে মালাক কহে ॥৩৭॥

কৈতৱাদৌ ধাৱণান্তে যুজ্যতে স্বস্তিকঃ কৱঃ ।
অনুত্তানঃ সমুত্তানস্তথোর্ধ্বপ্রেৱণাদিভিঃ ॥৮০৯॥

যদি স্বস্তিক হস্তক উবুৰি কৰি নামত দেখাই তেবে কৈতৱক কহে ॥৩৮॥ এহি হস্তে নিন্দাক কহে ॥৩৯॥ মিথ্যা বচনক কহে ॥৪০॥ সামান্যজনক কহে ॥৪১॥ যদি স্বস্তিক হস্তক ওপৰলৈ তোলে চিত কৰি, তেবে গৰিষ্ঠক কহে ॥৪২॥ এহি হস্তে ধাৱণক কহে ॥৪৩॥

ৱিখ্যাত ইত্যাদি ।

তত্রোচ্চৈস্তৱচিত্রচিত্রিততনুঃ স্রস্তস্ততঃ স্বস্তিকঃ ॥৮১০ শ্রীঃ ৯॥

স্বস্তিক হস্ত সমাপ্ত হৈল ॥০॥

॥ মকৰ হস্তৰ বিষয় ॥

অথ মকৰো যথা ॥

সিংহে ৰ্য্যাঘ্রে চ কুম্ভীৰে তথৈৰান্যচতুষ্পদে।
ৰাক্ষসে হিংসকে ক্রূৰে সিংহিকাতনয়ে তথা ॥৮১১॥

এখন মকৰ হস্তৰ বিষয়ক কহি ॥

সিংহত ১, ব্যাঘ্রত ২, কুম্ভীৰত ৩, আনো চতুষ্পদ জন্তুত ৪, ৰাক্ষসত ৫, হিংসকত ৬, ক্রূৰত ৭, ৰাহুত ৮,

সিংহৰক্তে্র হস্তিতুণ্ডে চৈত্রমাসি তথেন্দ্রিয়ে।
মীনে চ মকৰে চৈৰ মীনৰূপিণি মাধৰে ॥ ৮১২॥

সিংহৰ মুখত ৯, হস্তীৰ মুখত ১০, চৈত্রমাসত ১১, ইন্দ্রিয়ত ১২, মৎস্যত ১৩, মগৰত ১৪, মৎস্যৰূপী বিষ্ণুত ১৫ ॥

॥ মকৰ হস্তৰ বিষয়-লক্ষণ ॥

সিংহাদৌ চৈৰ ক্রূৰান্তে ক্রূৰদৃষ্টিসমন্বিতঃ।
দ্রুতোহয়ং পুৰতো যাতঃ মকৰো হস্তকো মতঃ ॥৮১৩॥

এখন ইসবৰ লক্ষণ কহি ॥

যদি মকৰ হস্তক ক্রূৰ দৃষ্টি কৰিয়া শীঘ্র কৰিয়া আগলৈ নিয়ে, তেবে সিংহক কহে ॥১॥ এহি হস্তে ব্যাঘ্রক কহে ॥২॥ কুম্ভীৰক কহে ॥৩॥ আনো চতুষ্পদ জন্তুক কহে ॥৪॥ ৰাক্ষসক কহে ॥৫॥ হিংসকক কহে ॥৬॥ ক্রূৰক কহে ॥৭॥

অত্যূর্ধ্বং পুৰতো যাতঃ সিংহিকাতনয়ে মতঃ।
দ্রুতাদ্যন্তঃ সিংহৰক্তে্র হস্তিতুণ্ডে তু লম্বিতঃ ॥৮১৪ ॥

যদি মকৰ হস্তক আগত অতি ঊৰ্দ্ধ কৰে, তেবে ৰাহুক কহে ॥৮॥ যদি মকৰ হস্তক শীঘ্র কৰি আগলৈ নিয়ে, তেবে সিংহৰ মুখক কহে॥৯॥ যদি মকৰ হস্তক আগত লম্বিত কৰি দেখাই, তেবে হস্তীৰ মুখক কহে ॥১০॥

কিঞ্চিদূৰ্ধ্বগতশ্চৈত্রে নেত্রান্তস্তু তথেন্দ্রিয়ে।
মীনে চ মকৰে চৈৰ মীনগত্যা নিদর্শিতঃ ॥৮১৫॥

যদি মকৰ হস্তক কিছু ওপৰলৈ তোলে, তেবে চৈত্র মাসক কহে ॥১১॥ যদি মকৰ হস্তক চক্ষুৰ গুৰিত দেখাই, তেবে ইন্দ্রিয়ক কহে ॥১২॥ যদি মকৰ হস্তক মৎস্যৰ সদৃশ কৰি আগলৈ নিয়ে তেবে মৎস্যক কহে ॥১৩॥ এহি হস্তে মগৰক কহে ॥১৪॥

মকৰেণ শিৰঃস্থেন কিঞ্চিৎপ্রচলিতো মুহুঃ।
মীনাৱতাৰ কৃষ্ণশ্চ শুভঙ্কৰনিদর্শিতঃ॥ ৮১৬॥

যদি মকৰ হস্তক শিৰত থৈয়া কিছু কিছু কৰি গতি কৰে, তেবে মৎস্যৰূপী বিষ্ণুক কহে ॥১৫॥

ৰিখ্যাত ইত্যাদি।
তত্রায়ং মকৰঃ কৰো নিৰগমৎ প্রোদ্যৎপ্রমোদকৰঃ ॥ ৮১৭॥

শ্রীঃ ১০॥

মকৰ হস্ত সমাপ্ত হৈল ॥০॥

॥ দোল হস্তৰ বিষয় ॥

অথ দোলো যথা ॥

ৰিৰাদে ৰিষমে চৈৰ মূর্ছায়াং মূর্ছিতে তথা।
সম্ভ্রমেঽপি চ সম্ভ্রান্তে স্যাদাঘাতে তথা হিতে ॥ ৮১৮॥

এখন দোল হস্তৰ বিষয়ক কহি ॥

বিবাদত ১, বিষমত ২, মূর্চ্ছাত ৩, মূর্চ্ছিত জনত ৪, সম্ভ্রমত ৫, সম্ভ্রমযুক্ত জনত ৬, অল্প প্রহাৰত ৭, অহিতত ৮,

মদে চৈৰ তথা মত্তে ৰ্য্যাধৌ ৰ্য্যাধিসমন্বিতে।
শ্রমে শ্রান্তে চ কথিতো দুঃখে চ দুঃখিতে তথা ॥৮১৯॥

গর্ব্বত ৯, মত্ত জনত ১০, ব্যাধিত ১১, ব্যাধিমন্ত জনত ১২, শ্রমত ১৩, শ্রমযুক্ত জনত ১৪, দুঃখত ১৫, দুঃখৱন্তত ১৬,

অভিঘাতেঽপ্যভিহতে পতনে পতিতে তথা।
শস্ত্রক্ষতৌ শস্ত্রক্ষতে পীড়ায়াং পীড়িতে তথা ॥৮২০॥

বড় প্রহাৱত ১৭, বড় প্রহাৱে পীড়িত জনত ১৮, পড়নত ১৯, পড়োঁতা জনত ১০, অস্ত্রৱ বিন্ধনত ২১ অস্ত্রে বিন্ধাজনত ২২, পীড়াত ২৩, পীড়িতত ২৪,

ভাদ্রে দোলে প্রার্থনায়াং নমস্কাৱেঽনুৱর্ত্তনে।
দোলায়ামপি নৌকায়াং দোলযাত্রাদিকে তথা ॥
এতে সুকথিতো হস্তো দোলনামাপৱো ময়া ॥৮২১॥

ভাদ্র মাসত ২৫, দোলনত ২৬, প্রার্থনাত ২৭, নমস্কাৱত ২৮, অনুৱর্ত্তনত ২৯, দোলত ৩০, নৌকাত ৩১, দোলযাত্রাত ৩২ ॥

॥ দোল হস্তৱ বিষয়-লক্ষণ ॥

ৱিৱাদাদিপীড়িতান্তাং দর্শয়েদেৱমাদিভিঃ।
তথাকাৱস্তথাভাৱস্তত্তল্লক্ষণলক্ষিতঃ ॥৮২২॥

এখন ইসৱৱ লক্ষণ কহি ॥

যদি দোল হস্তৱ হস্ত দুইক দুই কর্ণৱ সমীপৱপৱা আগলৈ ক্রমে আছাড়ে, তেবে বিবাদক কহে ॥১॥ যদি দোল হস্তক আগত বিষম কৱি দেখাই তেবে বিষমক কহে ॥২॥ যদি দোল হস্তক আগত দেখায়া চিত হৈয়া পৱে হেন হোৱে, তেবে মূর্চ্ছাক কহে ॥৩॥ এহি হস্তে মূর্চ্ছিত জনক কহে ॥৪॥ যদি দোল হস্তক দেখায়া গাৱৱ চমক দেখাই, তেবে সম্ভ্রমক কহে ॥৫॥ এহি হস্তে সম্ভ্রমে যুক্ত জনক কহে ॥৬॥ যদি দোল হস্তক কিছু ওপৱৱপৱা

তললৈ এড়ে, তেবে অল্প প্রহাৱক কহে ॥৭॥ যদি দোল হস্তক আগৱপৱা হাত-তলুৱা গাৱৱ ফাল কৱি আছাড়ে, তেবে অহিতক কহে ॥৮॥ যদি গাৱক থিৱ কৱিয়া দোল হস্তক লাসে লাসে ক্রমে আগ-পাছ কৱে, তেবে গর্ব্বক কহে ॥৯॥ এহি হস্তে মত্ত জনক কহে ॥১০॥ যদি দোল হস্তক শৱীৱত লগাই, তেবে ব্যাধিক কহে ॥১১॥ এহি হস্তে ব্যাধিযুক্ত জনক কহে ॥১২॥ যদি দোল হস্তক আগত দেখাই মুড় লড়াই, তেবে শ্রমক কহে ॥১৩॥ এহি হস্তে শ্রমযুক্ত জনক কহে ॥১৪॥ দুঃখক কহে ॥১৫॥ দুঃখৱন্তক কহে ॥১৬॥ যদি দোল হস্তক উৱুৱি কৱি ওপৱৱপৱা তললৈ প্রহাৱ কৱে, তেবে বড় প্রহাৱক কহে ॥১৭॥ যদি দোল হস্তক দেখাই চিত হৈয়া পৱে, তেবে বড় প্রহাৱে পীড়িতজনক কহে ॥১৮॥ যদি দোল হস্তক এক পাশত পেলাই, তেবে পড়নক কহে ॥১৯॥ যদি দোল হস্তক দেখায়া শৱীৱ কাতি কৱে, তেবে পড়োঁতাজনক কহে ॥২০॥ যদি দোল হস্তক আগত কম্পায়া শৱীৱ সংকোচ কৱে, তেবে অস্ত্রৱ বিন্ধনক কহে ॥২১॥ এহি হস্তে অস্ত্রে বিন্ধা জনক কহে ॥২১॥ দুঃখৱ হস্তেৱে পীড়াক কহে ॥২৩॥ এহি হস্তে পীড়িতজনক কহে ॥২৪॥ বিবাদক আদি কৱি পীড়িত জনক অন্ত কৱি উহনা কৱা ॥০॥

ভাদ্রমাসি তথা দোলে পুৱো দোলস্তু দোলিতঃ।
প্রার্থনায়াং কাকুযুক্তো দোলনামা কৱো মতঃ ॥৮২৩॥

যদি দোল হস্তক আগত হিন্দোল কৱে, তেবে ভাদ্র মাসক কহে ॥২৫॥ এহি হস্তে দোলনক কহে ॥২৬॥ যদি দোলন হস্তক আগত দেখায়া কাকুক্তি কৱে, তেবে প্রার্থনাক কহে ॥২৭॥

শিৱস্পর্শান্নমস্কাৱে তির্যক্ স্কন্ধোঽনুৱর্ত্তনে।
দোলায়াং পার্শ্বয়োর্লোলৌ নৌকায়াং পুৱতশ্চৱন্ ॥
পুৱো দোলিতদোলেন্ দোলযাত্রাদিকং ৱদেৎ ॥৮২৪॥

যদি দোল হস্তক শিৱত লগাই, তেবে নমস্কাৱক কহে ॥২৮॥ যদি দোল হস্তক আগত দেখায়া গঁড়কি কেঁকোৱা কৱে, তেবে অনুৱর্ত্তনক কহে ॥২৯॥ যদি দোল হস্ত দুইক দুই পাশত হিন্দোল কৱে, তেবে দোলাক কহে ॥৩০॥ যদি দোলন হস্তক আগলৈ চলাই, তেবে নৌকাক কহে ॥৩১॥ দোলনৱ হস্তেৰে দৌল-যাত্রাক কহে ॥৩২॥

ৱিখ্যাত ইত্যাদি।

তত্রায়ং কৰুণান্বিতো নিৱগমদ্দোলঃ কৱঃ প্রোজ্জ্বলঃ ॥৮২৫॥

শ্রীঃ১১॥

দোল হস্ত সমাপ্ত হৈল ॥০॥

॥ পুষ্পপুট হস্তৱ বিষয় ॥

অথ পুষ্পপুটো যথা ॥

ধান্যে যৱে তিলে মুদ্গে সর্ষপে চণকে তথা।
মাষে মসূৱে গোধূমে কলায়ে চ নিদর্শিতঃ ॥৮২৬॥

এখন পুষ্পপুট হস্তৱ বিষয়ক কহি ॥ ধান্যত ১, যৱত ২, তিলত ৩, মুগু মাসত ৪, সৱিহত ৫, মাহত ৬, গোমধানত ৭, কলা মাহত ৮,

অন্যশস্যেঽপ্যনুগ্রাহ্যে তর্পণে যাচনে তথা।
ধাৱণে দেৱপূজায়াং তদুপায়নৱস্তুনি ॥
শূর্পে চৈৱ ৱহিত্রে চ প্রোক্তঃ পুষ্পপুটো ময়া ॥৮২৭॥

আনো শস্যত ৯, অনুগ্রহ কৱিবাক প্রতি যোগ্য জনক ১০, তর্পণত ১১, যাচনত ১২, ধাৱণত ১৩, দেৱতাৱ পূজাত ১৪, পূজাৱ উপায়ন বস্তুত ১৫, কুলাত ১৬, নৌকাত ১৭ ॥

॥ পুষ্পপুট হস্তৱ ৱিষয়-লক্ষণ ॥

স্যাদুপায়নৱস্ত্বন্তে ধান্যাদিশস্যকে তথা।
কৱঃ পুষ্পপুটো জ্ঞেয়ো যথাস্থাননিয়োজনাৎ ॥
দোলায়িতস্তু শূর্পে স্যাদ্ৱহিত্রে পুৱতশ্চলন্ ॥৮২৮॥

এখন ইসৱৱ লক্ষণ কহি ॥

যদি পুষ্পপুট হস্তক আগত দেখাই, তেবে ধান্যক কহে ॥১॥ এহি হস্তে যৱক কহে ॥২॥ তিলক কহে ॥৩॥ মুগু মাহক কহে ॥৪॥ সৱিয়হক কহে ॥৫॥ মাহক কহে ॥৬॥ যদি পুষ্পপুট হস্তৱ হস্ত দুইক আগত পথালি কৱি আঙ্গুলিৱ আগে আগে লগাই, বুঢ়া আঙ্গুলিৱো আগে আগে লগাই, তেবে গোমধানক কহে ॥৭॥ ধান্যৱ হস্তেৰে কলা মাহক কহে ॥৮॥ আনো শস্যক কহে ॥৯॥ যদি পুষ্পপুট হস্তক আগত দেখাই, তেবে অনুগ্রহ কৱিবাক প্রতি যোগ্য জনক কহে ॥১০॥ যদি পুষ্পপুট হস্তক আগত লম্বিত কৱে তেবে তর্পণক ॥১১॥ যদি পুষ্পপুট হস্তক আগত দেখাই, তেবে যাচনক কহে ॥১২॥ যদি পুষ্পপুট হস্তক আগত মুষ্টি কৱে, তেবে ধৱণক কহে ॥১৩॥ তর্পণৱ হস্তেৰে দেৱতাৱ পূজাক কহে ॥১৪॥ যদি পুষ্পপুট হস্তক চিত কৱি বহল কৱে, তেবে পূজাৱ উপায়ন বস্তুক কহে ॥১৫॥ ধান্যক আদি কৱি পূজাৱ উপায়ন বস্তুক অন্ত কৱি ঊহনা কৱা ॥০॥ যদি পুষ্পপুট হস্তক আগত হিন্দোল কৱে, তেবে কুলাক কহে ॥১৬॥ যদি পুষ্পপুট হস্তক আগলৈ চলায়া নিয়ে, তেবে নৌকাক কহে ॥১৭॥

ৱিখ্যাত ইত্যাদি।

তস্যাং পুষ্পপুটঃ কৱদ্বয়পুটঃ প্রায়াৎ কৱঃ সুন্দৱঃ ॥

৮২৯॥ শ্রীঃ ॥১২॥

পুষ্পপুট হস্ত সমাপ্ত হৈল ॥০॥

॥ মৱাল হস্তৱ বিষয় ॥

অথ মৱালো যথা ॥

নদ্যাং নদে চ তীৱে চ প্রতাপে জ্বলনে জ্বৱে।
কদলীনাং দলে প্রোক্তঃ সামান্যদল এৱ চ ॥৮৩০॥

এখন মৱাল হস্তৱ বিষয়ক কহি ॥

নদীত ১, নদত ২, তীৱত ৩, প্রতাপত ৪, অগ্নিত ৫, জ্বৱত ৬, কদলী পত্রত ৭, আনো সামান্য পত্রত ৮,

ঘৃণায়ামাকুলে চৌৱে নীতৌ চ ৱসনাগুণে।
উদ্যোতে চ সহর্ষে চ প্রশংস্যে শীলৱত্যপি ॥ ৮৩১ ॥

কৃপাত ৯, আকুলত ১০, চৌৱত ১১, নীতিত ১২, ঘুগুৱা আঁৱা টঙ্গালিত ১৩, প্রকাশত ১৪, হর্ষযুক্তত ১৫, প্রশংসা কৱিবাক প্রতি যোগ্য জনত ১৬, উত্তম স্ৱভাৱে যোগ্য জনত ১৭,

নির্দয়ে ৱেদনাদৌ চ সুদগ্ধে চঞ্চলে হিমে।
হৱণে শঙ্কিতে ভীতে প্রভাতে চ সমীৱণে ॥৮৩২॥

নির্দ্দয়ত ১৮, বেদনাদিত ১৯, অতিশয় তাপিত জনত ২০, চঞ্চলত ২১, হিমত ২২, হৱণত ২৩, শঙ্কিত জনত ২৪, ভয়াতুৱত ২৫, প্রভাতত ২৬, বায়ুত ২৭,

শঙ্কায়াঞ্চৈৱ ভীমে চ ভ্রমণে মলয়ানিলে।
ৱর্ষানিলে হিমানিলে * তথা চূতফুলে মতঃ ॥৮৩৩॥

শঙ্কাত ২৮, ভয়ানকত ২৯, ভ্রমণত ৩০, মলয় বায়ুত ৩১, বর্ষাকালৱ বায়ুত ৩২, হিম বায়ুত ৩৩, আম্র ফলত ৩৪,

আঃকাৱে চিকুৱে চৈৱ ৱসন্তে শিশিৱে ঋতৌ
সমৱে সাহসে চৈৱ মৱালঃ কথিতো ময়া ॥৮৩৪॥

*হিমবিভে ইতি মূলপাঠঃ।

'আঃ' হেন কৱণত ৩৫, চুলিত ৩৬, বসন্ত ঋতুত ৩৭, শিশিৱ ঋতুত ৩৮, যুদ্ধত ৩৯, সাহসত ৪০ ॥০॥

॥ মৱাল হস্তৱ বিষয়-লক্ষণ ॥

ৱামং চেদ্দক্ষিণাৎ পার্শ্বাৎ প্রচলন্তাৱধোমুখৌ।
শুভঙ্কৱেণ কথিতৌ নদে নদ্যাং কৱাৱিমৌ ॥৮৩৫॥

এখন ইসৱৱ লক্ষণ কহি ॥

যদি মৱাল হস্তক উবুৰি কৱি দক্ষিণৱপৱা ৱামলৈ নিয়ে, তেৱে নদীক কহে ॥১॥ এহি হস্তে নদক কহে ॥২॥

অধঃ সর্ৱাঙ্গুলিহস্তাৱিমৌ দ্ৱৌ তীৱৱাচিনৌ।
এৱমূর্দ্ধাগ্রগৌ কম্পাৎ প্রতাপে জ্বলনে জ্বৱে ॥৮৩৬॥

যদি মৱাল হস্তক আঙ্গুলিসৱক তললৈ কৱি দেখাই, তেৱে তীৱক কহে ॥৩॥ যদি মৱাল হস্তক কম্পায়া আঙ্গুলিৱ আগ ওপৱলৈ কৱে, তেৱে প্রতাপক কহে ॥৪॥ এহি হস্তে অগ্নিক কহে ॥৫॥ জ্বৱক কহে ॥৬॥

নম্রে বৃদ্ধাকনীয়স্যৌ তিস্রোঽন্যাশ্চলসংগতাঃ।
কদলীনাং দলে প্রোক্তঃ সামান্যদল এৱ চ ॥৮৩৭॥

যদি মৱাল হস্তৱ বুঢ়া আঙ্গুলিকে কায় আঙ্গুলিকে নমায়া শেষ তিনি আঙ্গুলিক কম্পাই, তেৱে কন্দলীৱ পত্রক কহে ॥৭॥ এহি হস্তে আনো সামান্য পত্রক কহে ॥৮॥

এতৌ পুৱস্তাদপি চ পশ্চাদূর্দ্ধগতৌ পুৱঃ।
ঘৃণাদৌ নীতিশব্দান্তে তদা নিমিত্তভাৱিতৌ ॥৮৩৮॥

যদি মৱাল হস্তক চিত কৱি ওপৱলৈ তোলে, তেৱে কৃপাক কহে ॥৯॥ যদি মৱাল হস্তক পাছৱপৱা আনি আগত ওপৱলৈ

তোলে, তেবে আকুলক ॥১০॥ এহি হস্তে চৌৱক কহে ॥১১॥ কৃপাৱ হস্তেৱে নীতিক কহে ॥১২॥

মধ্যকচ্ছে পৱিভ্রান্তৌ কথিতৌ বসনাগুণে।
পুৱো যাতো মৱালঃ স্যাদুদ্যোতাদিচতুষ্টয়ে ॥৮৩৯॥

যদি মৱাল হস্তক নাভিৱপৱা দুই কোখত ভ্রমাই, তেবে ঘুগুৱা অঁৱা টঙ্গালিক কহে ॥১৩॥ যদি মৱাল হস্তক চিত কৱি আগলৈ নিয়ে, তেবে প্রকাশক কহে ॥১৪॥ এহি হস্তে হর্ষযুক্তক কহে ॥১৫॥ প্রশংসা কৱিৱাক প্রতি যোগ্যজনক কহে ॥১৬॥ উত্তম স্বভাৱে যুক্তজনক কহে ॥১৭॥

পয়োধৱাদ্দূৱগতৌ তথাকাৱৱিৱাজিতৌ।
নির্দয়াদিভ্রমণান্তে প্রোক্তাৱত্যূর্দ্ধগামিনৌ ॥৮৪০॥

যদি মৱাল হস্ত দুইক স্তনৱ গুৱিৱপৱা অতি ঊর্দ্ধলৈ নিয়ে তেবে নির্দ্দয় জনক কহে ॥১৮॥ এহি হস্তে বেদনাদিক কহে ॥১৯॥ অতিশয় তাপিত জনক কহে ॥২০॥ চঞ্চলক কহে ॥২১॥ হিমক কহে ॥২২॥ হৱণক কহে ॥২৩॥ শঙ্কিত জনক কহে ॥২৪॥ ভয়াতুৱ জনক কহে ॥২৫॥ প্রভাতক কহে ॥২৬॥ বায়ুক কহে ॥ ২৭॥ শঙ্কাক কহে ॥২৮॥ ভয়ানকক কহে ॥২৯॥ ভ্রমণক কহে ॥৩০॥

মলয়ানিলে ঊর্ধ্বশাখৌ লম্বিতৌ তু চলারিমৌ।
ৱর্ষানিলে চ কথিতৌ তথা তু হিমমারুতে ॥ ৮৪১ ॥

যদি মৱাল হস্তৱ আঙ্গুলিৱ আগ ওপৱলৈ কৱে, তেবে মলয় বায়ুক কহে ॥৩১॥ যদি মৱাল হস্তক চঞ্চল কৱি লম্বিত কৱে, তেবে বর্ষা কালৱ বায়ুক কহে ॥৩২॥ এহি হস্তে হিম বায়ুক কহে ॥৩৩॥

ঊর্ধ্বাদধঃ সলীলস্তু কৱশ্চূতফলে মতঃ।
আঃকাৱাদিসাহসান্তে যথাকাৱেণ শোভতে ॥
তত্র স্থানে চ কথিতো মৱালো নাম হস্তকঃ ॥৮৪২॥

যদি মৱাল হস্তক লীলা কৱি ওপৱলৈ তোলে, তেবে আম্র গছক কহে ॥৩৪॥ যদি মৱাল হস্ত দুইক শিৱৱ সমীপৱপৱা দুই পাশলৈ আছাড়ে, তেবে 'আঃ' হেন কৱণক কহে ॥৩৫॥ যদি মৱাল হস্তক শিৱৱপৱা পাছলৈ নিয়ে, তেবে চুলিক কহে ॥৩৬॥ যদি মৱাল হস্তক আগত চিত কৱি ওপৱলৈ তোলে, তেবে বসন্ত ঋতুক কহে ॥৩৭॥ যদি মৱাল হস্ত দুইক দুই পাশত কম্পাই, তেবে শিশিৱ ঋতুক কহে ॥৩৮॥ যদি মৱাল হস্তৱ বাম হস্তক পাশলৈ মেলে, দক্ষিণ হস্তক দক্ষিণ পাশত ঊর্দ্ধ কৱি তোলে, চক্ষু কেৱা কৱি চাই, তেবে যুদ্ধক কহে ॥৩৯॥ 'আঃ' হেন কৱণক আদি কৱি সাহসক অন্ত কৱি ঊহনা কৱা ॥০॥

ৱিখ্যাত ইত্যাদি।

তত্রায়ং কৱৱালমঞ্জুলকৱঃ প্রাঞ্জলৱালঃ কৱঃ ॥৮৪৩॥ শ্রীঃ ॥১৩॥

মৱাল হস্ত সমাপ্ত হৈল ॥০॥

॥ খটকাবর্দ্ধমান হস্তৱ বিষয় ॥

অথ খটকাৱর্ধমানো যথা ॥

শঙ্খে যোনৌ তথা খড়্গে ৱস্তামোচ্যান্তথা নতৌ।
স্বর্ণকুম্ভে রৌপ্যকুম্ভে কাঞ্চকুম্ভে চ কথ্যতে ॥ ৮৪৪॥

এখন খটকাবর্দ্ধমান হস্তৱ বিষয় কহি ॥

শঙ্খত ১, যোনিত ২, খড়্গত ৩, কলাফুলত ৪, নমস্কাৱত ৫, সুৱর্ণৱ কলসত ৬, ৰূপৱ কলসত ৭, কাঞ্চৱ কলসত ৮,

গোপানাং মুটুকিভাণ্ডে তথা গর্গৱিকাদিকে।
কুমুদে কুন্দপুষ্পে চ তথা সাধাৱণোৎপলে ॥ ৮৪৫॥

গোৱালৱ মুটুকি ভাণ্ডত ৯, আনো কলসত ১০, ভেটত ১১, কুন্দ পুষ্পত১২, সামান্য ভেটত ১৩,

ছত্রাদীনাং ধাৱণে চ হৃদয়ে চ নিগদ্যতে।
শৃঙ্গাৱে চ ময়া প্রোক্তঃ খটকাৱর্ধমানকঃ॥ ৮৪৬॥

ছত্রাদিৰ ধৱণত ১৪, হৃদয়ত ১৫, শৃঙ্গাৱত ১৬॥

॥ খটকাবর্দ্ধমান হস্তৰ বিষয়-লক্ষণ ॥

শঙ্খে মুখসমীপস্থো যোনৌ নাভেৱধঃস্থিতঃ।
খড়্গে তির্যক্ পতন্ পার্শ্বে ৱস্তামোচ্যান্ত লম্বিতঃ॥৮৪৭॥

এখন ইসবৰ লক্ষণ কহি॥

যদি খটকাবর্দ্ধমান হস্তক মুখৰ সমীপলৈ নিয়ে, তেবে শঙ্খক কহে॥১॥ যদি খটকাৱর্দ্ধমান হস্তক পথালি কৰি নাভিৰ তলত দেখাই, তেবে যোনিক কহে॥২॥ যদি খটকবর্দ্ধমান হস্তক কাতি কৰি এক পাশত পেলাই, তেবে খড়্গক কহে॥৩॥ যদি খটকাবর্দ্ধমান হস্তৰ কিছু লম্বিত কৰে, তেবে কলাফুলক কহে॥৪॥

ললাটস্থো নিগদিতো নমস্কাৱৱিধৌ কৱঃ।
উক্তাশ্চ গর্গৱিকান্তাঃ স্ৱর্ণকুম্ভাদিকা ময়া॥
ৱামভাগনিতম্বস্থঃ খটকাৱর্ধমানকঃ॥ ৮৪৮॥

যদি খটকাবর্দ্ধমান হস্তক কম্পালত লগাই, তেবে নমস্কাৱক কহে॥৫॥ যদি খটকাবর্দ্ধমান হস্তক বাম কটিৰ নামত দেখাই, তেবে সুৱর্ণৰ কুম্ভক কহে॥৬॥ এহি হস্তে ৰূপৰ কলসক কহে॥৭॥ কাঞ্চনৰ (কাঁচৰ?) কলসক কহে॥৮॥ গোৱালৰ মুটুকিভাণ্ডক কহে॥৯॥ আনো কুম্ভক কহে॥১০॥

কুমুদে কুন্দপুষ্পে চ তথা সাধাৱণোৎপলে।
খটকাৱর্ধমানোঽয়ং কথিতঃ পুৱতঃ স্থিতঃ॥
ছত্রাদীনাং ধাৱণেঽপি কথিতো মস্তকোপৱি॥৮৪৯॥

যদি খটকাবর্দ্ধমান হস্তক আগত দেখাই, যেবে ভেটক কহে॥১১॥ এহি হস্তে কুন্দ পুষ্পক কহে॥১২॥ সামান্য ভেটক কহে॥১৩॥ যদি খটকাবর্দ্ধমান হস্তক শিৰৰ ওপৰত দেখাই, তেবে ছত্রাদিৰ ধৱণক কহে॥১৪॥

ঊর্ধ্ৱাচ্চ হৃদিসংলগ্নো হৃদয়ে কথিতঃ কৱঃ।
তির্যক্শিখো হৃদি লগ্নঃ শৃঙ্গাৱে সমুদীৱিতঃ॥৮৫০॥

যদি খটকাবর্দ্ধমান হস্তক ওপৰৰপৰা আনি হিয়াত লগাই, তেবে হৃদয়ক কহে॥১৫॥ যদি খটকাবর্দ্ধমান হস্তক পথালি কৰি আগ হিয়াত লগায়, তেবে শৃঙ্গাৱক কহে॥১৬॥

ৱিখ্যাত ইত্যাদি।

তত্রাটতৎ খটকামুখোঽভিঘটিতঃ শ্রীৱর্ধমানঃ কৱঃ॥৮৫১॥শ্রীঃ১৪॥

খটকাবর্দ্ধমান হস্ত সমাপ্ত হৈল॥০॥

॥ অভিনয়ত বিশেষ মন কৰিব লগীয়া ॥

তন্নৰ্থহস্তৰিকশিতোহভিনয়ো যথা ॥

মাতা পিতা চ শ্বশুৰঃ শ্বশ্রূশ্চ দেৱতা তথা ।
পিতৃব্যস্তস্য পত্নী চ পিতৃস্বসুঃ পতিস্তথা ॥ ৮৫২॥

ইহাতে কিছু বিশেষ ব্যৱস্থা কহি ॥

মাতৃ, পিতৃ, শ্বশুৰ, শাশূ, দেৱতা, খুড়া, খুড়ী, পেসী, পেসা,

জনকজ্যেষ্ঠভ্রাতা চ তস্য পত্নী তথৈৱ চ ।
মাতামহাদিৱপৰো মাতামহ্যাদিৱেৱ চ ॥
জ্যেষ্ঠভ্রাতা তস্য পত্নী মাতুলানী তু মাতুলঃ ॥৮৫৩॥

জ্যেষ্ঠ পিতৃ, জ্যেষ্ঠ মাতৃ, মাতামহ আদি, মাতামহী আদি, জ্যেষ্ঠ ভাতৃ, জ্যেষ্ঠ ভাতৃৰ পত্নী, মাতুল, মাতুলানী,

যেঽন্যে তিষ্ঠন্তি গুৰৱো মানার্হা ৱন্দনোচিতাঃ ।
নমস্কাৰোক্তহস্তেন ৱন্দনীয়াস্তু তে বুধৈ ॥ ৮৫৪॥

আনো সৎকাৰক যোগ্য যিসকল, নমস্কাৰকে বা যোগ্য যিসকল, এহিসকলক নমস্কাৰ হস্তেৰে নমস্কাৰ কৰি দেখাব ॥০॥

ভ্রাতা যস্তু কনীয়ান্ স্যাৎ ভগিনী চ কনীয়সী ।
তথা সমৱয়া যস্তু দুহিতা পুত্ৰ এৱ চ ॥৮৫৫॥

কনিষ্ঠ ভাতৃ, কনিষ্ঠ ভগিনী, সমান বয়সিয়াল জন ,দুহিতৃ, পুত্ৰ,

নপ্তা চৈৱ নিয়ন্ত্রী চ ভাগিনেয়শ্চ যো ভৱেৎ ।
ভ্রাতৃজঃ প্রোচ্যতে যস্তু সগোত্রশ্চৈৱ যো জনঃ ॥ ৮৫৬॥

নাতি, নিয়ম কৰাওঁতা স্ত্রী, ভাগিন, ভাতিজ, সগোত্রজন,

অমৃতং জলহস্তেন ৱামেন কথিতং ৱিষং ।
কর্ণকুণ্ডলহস্তেন যোগিনীং হস্তকো ময়া ॥
আশংসায়াং ৱেদহস্তো যো যত্র ৱিহিতঃ পুৰঃ ॥ ৮৫৭॥

অমৃতক জলৰ হস্তেৰে দেখাব, বিষক বাম হস্তেৰে দেখাব ॥

কর্ণকুণ্ডলৰ হস্তেৰে যোগিনীক দেখাব ॥ বেদৰ হস্তেৰে আশীর্ব্বাদক দেখাব ॥ আনোসকলক যাক যেনমতে বিধান কৰি আছে, তাক তেমতে দেখাব ॥

ৱিখ্যাত ইত্যাদি ।

নানাহস্তৰিকশিতোঽপ্যভিনয়স্তত্রাভৱন্নির্গতঃ ॥ ৮৫৮॥

সংযুক্ত হস্ত সমাপ্ত হৈল ॥০॥

॥ নৃত্তহস্ত ॥

উক্তানি নৃত্তহস্তানাং পুৰা নামানি যদ্যপি।
সুখার্থং তু পুনস্তেষামুচ্যন্তে তানি সম্প্রতি ॥৮৫৯॥

যদ্যপি নৃত্ত-হস্তৰ নাম পূৰ্ব্বত কহি আছি তথাপি সুখে বুজিবাৰ অৰ্থে এখনো কহি ॥০॥

লক্ষণান্যপি ভাৱেহপি যথাস্থানং ৰিতন্বতা।
কথ্যন্তে নৃত্তহস্তানাং ৰসিকামোদকাৰিণা ॥৮৬০॥

আৰ নৃত্ত-হস্তসকলৰো যেমতে কৰণ হয়, সেহিসকলৰো লক্ষণ আমি কহি ॥ আমি কেমত আক কহি—নানা স্থানত হস্তবিভাগ কৰি দেখাঞোতা ৰসিকসকলৰ হৰ্ষ কৰোঁতা ॥০॥

॥ নৃত্তহস্তৰোৰৰ নাম ॥

অথ নৃত্তহস্তো যথা ॥

কেশবন্ধো নিতম্বশ্চ ৰেচিতোহপ্যৰ্দ্ধৰেচিতঃ।
চতুৰস্রস্তথোদ্বৃত্তঃ পল্লৱঃ পক্ষৱঞ্চিতঃ ॥৮৬১॥

এখন নৃত্তহস্তৰ নাম লেখি ॥

কেশবন্ধ ১, নিতম্ব ২, ৰেচিত ৩, অৰ্দ্ধৰেচিত ৪, চতুৰস্র ৫, উদ্বৃত্ত ৬, পল্লৱ ৭, পক্ষৱঞ্চিত ৮,

লতানামা নতমুখঃ স্বস্তিকো ৰিপ্রকীর্ণকঃ।
আৰিদ্ধৱক্ত্রঃ সূচ্যাস্যোহপ্যৰালখটকামুখঃ ॥৮৬২॥

লতা ৯, নতমুখ ১০, স্বস্তিক ১১, বিপ্রকীর্ণ ১২, আৰিদ্ধবক্ত ১৩, সূচ্যাস্য ১৪, অৱালখটকামুখ ১৫,

ৰক্ষোমণ্ডল্যথৈকঃ স্যাদুৰঃপার্শ্বার্দ্ধমণ্ডলী।
পার্শ্বমণ্ডল্যথ ভৱেদূর্দ্ধ্বমণ্ডল্যথাপি ৱা ॥৮৬৪॥

বক্ষোমণ্ডলী ১৬, উৰঃপার্শ্বার্দ্ধমণ্ডলী ১৭, পার্শ্বমণ্ডলী ১৮, ঊর্দ্ধমণ্ডলী ১৯,

মুষ্টিকস্বস্তিকশ্চাপি পক্ষপ্রদ্যোতকস্তথা।
কৰিহস্তঃ দণ্ডপক্ষস্* তথা গৰুড়পক্ষকঃ ॥৮৬৫॥

মুষ্টিক ২০, স্বস্তিক ২১, পক্ষপ্রদ্যোতক ২২, কৰিহস্ত ২৩, দণ্ডপক্ষ ২৪, গৰুড়পক্ষ ২৫,

অলপদ্মোন্নতশ্চৈৱ ভৱেদুত্তানৱেচিতঃ।
নলিনীপদ্মকোশশ্চেত্যমী চ সপ্তৱিংশতিঃ ॥৮৬৬॥

অলপদ্মোন্নত ২৬, উত্তানৱেচিত ২৭, নলিনীপদ্মকোষ ॥২৮॥

॥ কেশবন্ধ হস্ত ॥

অথ কেশবন্ধো যথা ॥

কেশপাশে ৱিনিক্রান্তৌ তৎপার্শ্বে চ মনাক্ স্থিতৌ।
ত্রিপতাকৌ যদা হস্তৌ কেশবন্ধস্তদা মতঃ ॥৮৬৭॥শ্রীঃ॥১॥

এখন ইসবৰ লক্ষণ কহি ॥

প্রথমে কেশবন্ধৰ লক্ষণ ॥ যদি ত্রিপতাক হস্ত দুইক চুলিৰ সমীপৱৰ্তী কিছু অন্তৰ কৰি পুনৰ্ব্বাৰ চুলিৰ সমীপত থৱ, ইহাকে কেশবন্ধ হস্ত বুলি ॥ যদিবা ত্রিপতাক হস্ত দুইক দুই কর্ণৰ সমীপৱৰ্তী ঠমকা খুৰাই ওপৰলৈ তুলিয়া অন্তৰ কৰিব, কিছুমান পুনৰ্ব্বাৰ যেনে প্রকাৰে তুলি নিয়া গৈছে, তেনে প্রকাৰে নমাই কর্ণৰ সমীপলৈ আনিব, ইহাকো কেশবন্ধ নামে হস্ত বুলি ॥ যদিবা ত্রিপতাক হস্ত দুইক কপালৰ আগৱৰ্তী দুই কন্ধৰ ওপৰেদি পাছ ফাললৈ সুন্দৰ কৰি বাৰম্বাৰ নিব, ইহাকে কেশবন্ধ নাম হস্ত বুলি ॥ যদিবা ত্রিপতাক হস্ত দুইক কপালৰ আগৱৰ্তী কিছু আগলৈ নিয়া পুনৰ্ব্বাৰ কপালৰ গুড়িলৈ আনিব, তাৰপৰা চিত কৰি কন্ধৰ ওপৰেদি পাছলৈ নিব, পুনৰ্ব্বাৰ দুই কর্ণৰ ওপৰলৈ আনি দুই পার্শ্বলৈ নিয়া পুনৰ্ব্বাৰ কপালৰ আগলৈ আনিব, ইহাকে কেশবন্ধ নাম হস্ত বুলি ॥১॥০॥

*কুণ্ডপক্ষ ইতি মূলপাঠঃ। দণ্ডপক্ষ ইতি নাট্যশাস্ত্রধৃতপাঠঃ।

॥ নিতম্ব হস্ত ॥

অথ নিতম্বো যথা ॥

ত্রিপতাকৌ যদা হস্তৌ নিতম্বস্যাধৱে স্থিতৌ।
ৱাহুমূলৱিনিষ্ক্রান্তৌ নিতম্বঃ কথিতঃ কৱঃ ॥৮৬৮॥ শ্রীঃ ॥২॥

যদি ত্রিপতাক হস্ত দুইক দুই বাহুৱ মূলৱপৱা কঙ্কালৱ পাছলৈ নিয়ে, ইহাকে নিতম্ব নাম হস্ত বুলি ॥ যদিবা ত্রিপতাক হস্ত দুইক কাতি কৱি বাহুৱ মূলৱপৱা ঠমকা খুৱাই কিছু দুই পার্শ্বলৈ নিৱ, ইহাকে নিতম্ব নাম হস্ত বুলি ॥ যদিবা ত্রিপতাক হস্ত দুইক দুই বাহুৱ মূলৱপৱা চিত কৱি কিছু আগলৈ নিয়া দুই পার্শ্বলৈ নিয়ে, তাৱোপৱা কঙ্কালৱ পাছলৈ নিয়ে, পুনর্ব্বাৱ শীঘ্র কৱি বাহুমূললৈ আনিয়া পূর্ব্বৱতে কঙ্কালৱ পাছলৈ নিয়ে, ইহাকে নিতম্ব নাম হস্ত বুলি ॥ যদিবা ত্রিপতাক হস্ত দুইক দুই বাহুৱ মূলৱপৱা ওপৱলৈ তুলি কিছু কিছু কৱি ঠমকা খুৱাই কঙ্কালৱ পাছলৈ নিয়ে, ইহাকে নিতম্ব নাম হস্ত বুলি ॥ যদিবা ত্রিপতাক হস্ত দুইক কঙ্কালৱ নামৱ পৱা কিছু কিছু কৱি ঠমকা খুৱাই দুই বাহুৱ মূললৈ নিয়ে, ইহাকে নিতম্ব নাম হস্ত বুলি ॥ ২॥০ ॥

॥ ৱেচিত হস্ত ॥

অথ ৱেচিতো যথা ॥

দ্রুতারর্তারঙ্কবৃন্ত্যা (?) ৱেল্লিতৌ হংসপক্ষকৌ।
পার্শ্বপ্রসাৱিতারের ৱেচিতো মকৱো মতঃ ॥ ৮৬৯ ॥ শ্রীঃ ৩ ॥

যদি হংসপক্ষ হস্ত দুইক কোলাৱপৱা দুই পার্শ্বলৈ শীঘ্র কৱি অনা-নিয়া কৱে, ইহাকে ৱেচিত নাম হস্ত বুলি ॥ ইহাকে কোনো-সকলে মকৱ নাম হস্ত বুলি ॥ যদিবা হংসপক্ষ হস্ত দুইক কোলাৱপৱা শীঘ্র কৱি চিত কৱিয়া দুই পার্শ্বৱ আগলৈ নিয়ে, ইহাকে ৱেচিত নাম হস্ত বুলি ॥ ৩ ॥ ০ ॥

॥ অর্দ্ধৱেচিত হস্ত ॥

অর্ধৱেচিতো যথা ॥

একঃ স্যাদ্রেচিতো হস্তো দ্বিতীয়ঃ খটকামুখঃ।
নৃত্যধীৱৈঃ স ৱিজ্ঞেয়ো হস্তকস্ত্বর্ধৱেচিতঃ ॥ ৮৭০ ॥শ্রীঃ ৪॥

যদি হংসপক্ষ হস্তক চিত কৱি এক পাশলৈ নিয়ে, খটকামুখ হস্তক হিয়াত দিয়ে, ইহাকে অর্দ্ধৱেচিত নাম হস্ত বুলি ॥ যদিবা হংসপক্ষ হস্তক এক পাশলৈ মেলে, খটকামুখ হস্তক শিৱত দিয়ে, ইহাকো অর্দ্ধৱেচিত নাম হস্ত বুলি ॥ যদিবা হংসপক্ষ হস্তক এক পাশলৈ মেলে, খটকামুখ হস্তক শিৱত দিয়ে, ইহাকো অর্দ্ধৱেচিত নাম হস্ত বুলি ॥ ৪ ॥ ০ ॥

॥ চতুৱস্র হস্ত ॥

চতুৱস্রো যথা ॥

অষ্টাঙ্গুলস্থৌ হৃদয়াৎ সম্মুখৌ খটকামুখৌ।
তুল্যাগ্রকূর্পরৌ নৃত্তহস্তোঽয়ং চতুৱস্রকঃ ॥৮৭১ ॥শ্রীঃ ৫॥

যদি খটকামুখ হস্ত দুইক হিয়াৱপৱা আঠ আঙ্গুল অন্তৱ কৱি মুখামুখি কৱি দুই কিলাকুড়িক পোন কৱে, ইহাকে চতুৱস্র নাম হস্ত বুলি ॥ যদিবা খটকামুখ হস্ত দুইক হিয়াত লগায়া মাজত আঠ আঙ্গুল অন্তৱ কৱি মুখামুখি কৱি দুই কিলাকুড়িক পোন কৱে, ইহাকো চতুৱস্র নাম হস্ত বুলি ॥ যদিবা খটকামুখ হস্ত দুইক হিয়াত লগায়া মাজত আঠ আঙ্গুল অন্তৱ কৱি দুই কিলাকুড়িক পোন কৱে, ইহাকো চতুৱস্র নাম হস্ত বুলি ॥ ৫ ॥০॥

॥ উদ্ৱৃত্ত হস্ত ॥

উদ্ৱৃত্তো যথা ॥

হংসপক্ষৌ যদা হস্তৌ হৃদয়াৎ পুৱতঃ স্থিতৌ।
তালৱৃন্তরদাৱৃত্তাৱুদ্ৱৃত্তহস্তকো মতঃ ॥ ৮৭২ ॥ শ্রীঃ ৬ ॥

যদি হংসপক্ষ হস্ত দুইক হিয়াৰ আগত চিত উবুবি কবি কিছু নিলগ কবি তাল বজাবৰ সদৃশ কৰিয়া চঞ্চল কৰে, ইহাকে উদ্বৃত্ত নাম হস্ত বুলি ॥ যদিবা হংসপক্ষ হস্ত দুইক হিয়াৰ আগত উবুবি কবি চিত কৰে বাৰম্বাৰ, ইহাকে উদ্বৃত্ত নাম হস্ত বুলি ॥ ৬ ॥

॥ পল্লব হস্ত ॥

পল্লবো যথা ॥

শাখিনৌ সপল্লবস্থৌ পদ্মকোশৌ যদা যুতৌ ।
তির্যক্‌সংস্থৌ পুৰস্থৌ ৱা কৰোঽয়ং পল্লবো মতঃ ॥ ৮৭৩ ॥
॥ শ্রীঃ ৭ ॥

যদি পদ্মকোষ হস্ত দুইক আগলৈ নিয়া কিছু নিলগ কবি পত্রে সহিতে বৃক্ষৰ আকাব কৰে, ইহাকে পল্লব নাম হস্ত বুলি ॥ যদিবা পদ্মকোষ হস্ত দুইক দুই পাশত চিত কবি পথালি কৰে, ইহাকে পল্লব নাম হস্ত বুলি ॥ ৭ ॥ ০ ॥

॥ পক্ষবঞ্চিত হস্ত ॥

পক্ষৱঞ্চিতো যথা ॥

কটিশীর্ষোপবি ন্যস্তৌ হস্তকৌ ত্রিপতাককৌ ।
যদা স্যাতাং তদা পক্ষৱঞ্চিতোঽয়ং কৰো মতঃ ॥৮৭৪ শ্রীঃ ৮॥

যদি ত্রিপতাক হস্তক শিৰৰ ওপৰলৈ নিয়া আউৰ ত্রিপতাক হস্তক কটিৰ সমীপলৈ নিব, ইহাকে পক্ষৱঞ্চিত নাম হস্ত বুলি ॥ ৮ ॥ ০ ॥

॥ লতানাম হস্ত ॥

লতানামা যথা ॥

তির্যক্‌প্রসাৰিতৌ পার্শ্বসংস্থৌ চ ৰেচিতৌ তথা ।
হস্তকৌ ত্রিপতাকৌ তু লতানামা কৰঃ পৰঃ ॥ ৮৭৫ ॥ শ্রীঃ ৯ ॥

যদি ত্রিপতাক হস্ত দুইক আগত চিত কবি চঞ্চল কৰে, ইহাকে লতানাম হস্ত বুলি ॥ ৯ ॥ ০ ॥

॥ নতমুখ হস্ত ॥

নতমুখো যথা ॥

হংসপক্ষাৱধোবৃত্তাৱুৰসঃ পুৰতঃ স্থিতৌ ॥
সম্মুখৌ তির্যগুত্তানৌ ভৱেন্নতমুখঃ কৰঃ ॥ ৮৭৬ ॥ শ্রীঃ ১০ ॥

যদি হংসপক্ষ হস্ত দুইক উবুবি কবি মুখামুখি কবি নাভিৰ সমীপৰপৰা হিয়াৰ আগত চিত কবিব, ইহাকে নতমুখ নাম হস্ত বুলি ॥ যদিবা হংসমুখ হস্ত দুইক চিত কবি নাভিৰ সমীপৰপৰা হিয়াৰ আগলৈ সুন্দৰ কবি নিয়ে, ইহাকে নতমুখ নাম হস্ত বুলি ॥ ১০ ॥০॥

॥ স্বস্তিক হস্ত ॥

স্বস্তিকো যথা ॥

উদগ্রৌ ৱক্রনীতৌ তু মণিবন্ধনিৱেশিতৌ ।
হংসপক্ষকৰৌ জ্ঞেয়ঃ স্বস্তিকো নৃত্তহস্তকঃ ॥ ৮৭৭ ॥ শ্রীঃ ১১ ॥

যদি হংসপক্ষ হস্ত দুইক কেঁকোৰা কবি হাত-গেড়ুৱাৰ গুড়িত লগায়া ওপৰলৈ আগ কৰিব, ইহাকে স্বস্তিক নাম হস্ত বুলি ॥ ১১ ॥০॥

॥ বিপ্রকীর্ণ হস্ত ॥

ৱিপ্রকীর্ণো যথা ॥

পৰাঙ্মুখৌ হংসপক্ষৌ স্তনাভ্যাম্ পুৰতঃ স্থিতৌ ।
নীতৌ বা হ্যন্নতাগ্রৌ ৱা ৱিপ্রকীর্ণকৰো মতঃ ॥৮৭৮॥শ্রীঃ ১২॥

যদি হংসপক্ষ হস্ত দুইক উবুবি কবি কিছু অধোমুখ কবিয়া মুখামুখি কবি দুই স্তনৰ সমীপৰপৰা চিত কবি দুই পাশলৈ নিব, ইহাকে বিপ্রকীর্ণ নাম হস্ত বুলি ॥ যদিবা সেই হস্তকে দুই স্তনৰ সমীপতে ৰাখে, ইহাকো বিপ্রকীর্ণ নাম হস্ত বুলি ॥ যদিবা সেহি হস্তকে চিত কবি আগলৈ নিয়া আঙ্গুলিৰ আগ থিয় কবি ৰাখে, ইহাকো বিপ্রকীর্ণ নাম হস্ত বুলি ॥ ১২ ॥

॥ আৱিদ্ধৱক্ত্র হস্ত ॥

আৱিদ্ধৱক্ত্রো যথা ॥

ঊর্দ্ধাংসৌ কূর্পৱযুতাৱৱালৌ চলিতৌ যদা।
অধোমুখস্থাৱাৱিদ্ধৱক্ত্রোঽয়ং হস্তকো মতঃ ॥ ৮৭৯॥শ্রীঃ ১৩॥

যদি অৱাল হস্ত দুইক ঊর্দ্ধ কৰি কেঁকোৱা কৰি কিলাকুড়িএ কিলাকুড়িএ লগাই চঞ্চল কৰিয়া অধোমুখ কৰি থয়, ইহাকে আবিদ্ধ-বক্ত্র নাম হস্ত বুলি ॥১৩॥

॥ সূচ্যাস্য হস্ত ॥

সূচ্যাস্যো যথা ॥

মধ্যাঙ্গুষ্ঠস্থিতৌ সর্পশীর্ষৌ তির্যক্ প্রসাৱিতৌ।
কুঞ্চিতৌ কূর্পৱৌ কিঞ্চিৎ সূচ্যাস্যোঽয়ং কৱো মতঃ ॥
৮৮০॥ শ্রীঃ ১৪॥

যদি সূচিমুখ হস্ত দুইক আগলৈ নিয়া কিছো কিলাকুড়ি কোঁচাই, ইহাকে সূচ্যাস্য নাম হস্ত বুলি ॥ যদিবা সর্পশিৱা হস্ত দুইক চিত কৰি দুই মাজৰ আঙ্গুলিৰ গুড়িত দুই বুঢ়া আঙ্গুলিক থাপিয়া কিলাকুড়ি কিছো কোঁচাই আগত পথালি কৰে, ইহাকে সূচ্যাস্য নাম হস্ত বুলি ॥১৪॥০॥

॥ অৱালখটকামুখ হস্ত ॥

অৱাল খটকামুখো যথা ॥

অৱালো ৱামহস্তঃ স্যাদ্দক্ষিণে খটকামুখঃ।
হৃদয়াৎ পুৱতঃ কার্যঃ খটকাস্যঃ পৱাঙ্মুখঃ ॥৮৮১॥
তির্যক্প্রসাৱিতঃ কিঞ্চিদৱালঃ প্রথিতাননঃ।
অৱালখটকাস্যোঽয়ং নৃত্তহস্তঃ প্রকীর্তিতঃ ॥ ৮৮২॥শ্রীঃ১৫॥

যদি খটকামুখ দক্ষিণ হস্তক হিয়াৰ আগত থৈয়া অৱাল বাম হস্তক খটকামুখ হস্তৰ বিমুখ কৰিয়া কিছু পথালি কৰিয়া মেলে, দৃষ্টিকো তালৈকে কৰে, ইহাকে অৱালখটকামুখ হস্ত বুলি ॥১৫॥০॥

॥ ৱক্ষোমণ্ডলী হস্ত ॥

ৱক্ষোমণ্ডলী যথা ॥

ঊর্দ্ধে স্থিতো ভৱেদেকো দ্বিতীয়োঽপ্যৱৱে স্থিতঃ।
ৱিৱর্তিত উৱোদেশে ৱক্ষোমণ্ডল্যসৌ কৱঃ ॥৮৮৩॥শ্রীঃ ১৬॥

যদি একপতাক হস্তক শিৱত থৈয়া, আউৰ পতাক হস্তৰ বুকুৰ সমীপত থৈয়া ঘূৰে, তেৱে ইহাকে ৱক্ষোমণ্ডলী নাম হস্ত বুলি ॥ এহি হস্তকে অৱাল হস্তেৱে ৱা দিব ॥১৬॥

॥ উৱঃপার্শ্ৱার্দ্ধমণ্ডলী হস্ত ॥

উৱঃপার্শ্ৱার্দ্ধমণ্ডলী যথা ॥

একোঽলপদ্মকো হস্তো দ্বিতীয়োঽৱালহস্তকঃ
উৱঃপার্শ্বপৱিভ্রান্তাৱ্ উৱঃপার্শ্ৱার্দ্ধমণ্ডলী ॥ ৮৮৪॥ শ্রীঃ ১৭॥

যদি বাম অৱাল হস্তক হিয়াৰ বাম পাশত ভ্রমায়া দক্ষিণ অলপদ্ম হস্তক হিয়াৰ দক্ষিণ পার্শ্বত ভ্রমাৱ, ইহাকে উৱঃপার্শ্ৱার্দ্ধমণ্ডলী নাম হস্ত বুলি ॥১৭॥

॥ পার্শ্বমণ্ডলী হস্ত ॥

পার্শ্বমণ্ডলী যথা ॥

একোঽলপদ্মকো হস্তো দ্বিতীয়ঃ স্যাদৱালকঃ।
একঃ পার্শ্বে পৱিভ্রাম্যন্তদা স্যাৎ পার্শ্বমণ্ডলী ॥৮৮৫॥শ্রীঃ১৮॥

যদি এক অলপদ্ম হস্তক দক্ষিণ স্তনৰ সমীপত ঘূৱায়া, বাম অৱাল হস্তক বাম পাশলৈ মেলিব, ইহাকে পার্শ্বমণ্ডলী নাম হস্ত বুলি ॥ যদিবা দক্ষিণ স্তনৰ সমীপত দক্ষিণ অৱাল হস্তক ঘূৱাব, বাম অলপদ্ম হস্তক বাম পাশলৈ মেলিব, ইহাকো পার্শ্বমণ্ডলী নাম হস্ত বুলি ॥১৮॥০॥

॥ ঊর্দ্ধমণ্ডলী হস্ত ॥

ঊর্দ্ধমণ্ডলী যথা ॥

উত্তানৌ পদ্মকোশৌ চ মণিবন্ধনিরেশিতৌ।
ভৱতশ্চেন্নৃত্তহস্তস্তদা স্যাদূর্দ্ধমণ্ডলী ॥ ৮৮৬॥ শ্রীঃ ১৯॥

যদি পদ্মকোষ হস্ত দুইক চিত কৰিয়া হাত-গেড়ুৱাৰ গুড়িত লগাই, ইহাকে ঊৰ্দ্ধমণ্ডলী নাম হস্ত বুলি ॥১৯॥০॥

॥ মুষ্টিকস্বস্তিক হস্ত ॥

মুষ্টিকস্বস্তিকো যথা ॥

অৱালৌ তু যদা হস্তৌ হস্তকৌ খটকামুখৌ।
কুঞ্চিতারংসদেশে চ মুষ্টিকস্বস্তিকঃ কৱঃ ॥ ৮৮৭॥ শ্রীঃ ২০॥

যদি অৱাল হস্ত দুইক আগৱপৱা কোঁচাই নিয়া দুই কন্ধত খটকা-মুখ কৰি ৰাখে, ইহাকে মুষ্টিকস্বস্তিক নাম হস্ত বুলি ॥ যদিবা অৱাল হস্ত দুইক আগৱপৱা দুই কন্ধলৈ নিয়ে ইহাকে মুষ্টিকস্বস্তিক নাম হস্ত বুলি ॥ যদিবা খটকামুখ হস্তক আগৱপৱা দুই কন্ধলৈ নিয়ে, ইহাকে মুষ্টিকস্বস্তিক হস্ত বুলি ॥২০॥

॥ পক্ষপ্রদ্যোতক হস্ত ॥

পক্ষপ্রদ্যোতকো যথা ॥

নিতম্বমস্তকন্যস্তৌ ত্রিপতাকৌ যদা কৱৌ।
পৱাৱৃত্তৌ যদা স্যাতাং পক্ষপ্রদ্যোতকস্তদা ॥ ৮৮৮॥শ্রীঃ ২১॥

যদি ত্রিপতাক এক হস্তক শিৱত দিয়া আউৰ ত্রিপতাক হস্তক কঙ্কালৰ নামত থৈয়া ক্রমে ওলটা-পালটা কৰি অনা-নিয়া কৱে, ইহাকে পক্ষপ্রদ্যোতক নাম হস্ত বুলি ॥২১॥

॥ কৱিহস্ত ॥

কৱিহস্তো যথা ॥

একঃ সম্বলিতঃ পার্শ্বে যদা হস্তো ৱিলোলিতঃ।
কর্ণান্তে ত্রিপতাকস্তু কৱিহস্তস্তদা মতঃ ॥ ৮৮৯॥ শ্রীঃ ২২॥

যদি ত্রিপতাক এক হস্তক এক পাশলৈ মেলিয়া চঞ্চল কৰিব, আউৰ ত্রিপতাক হস্তক কর্ণৰ সমীপলৈ আনিব, ইহাকে কৱিহস্ত বুলি ॥২২॥

॥ দণ্ডপক্ষ হস্ত ॥

দণ্ডপক্ষো যথা ॥

তির্যক্প্রসাৱিতৌ স্যাতাং ৱাৱৃত্তপৱিৱর্তিতৌ।
হংসপক্ষৌ যদা হস্তৌ দণ্ডপক্ষঃ *কৱস্তদা ॥৮৯০॥ শ্রীঃ ২৩।

যদি হংসপক্ষ হস্ত দুইক দুই পাশলৈ মেলি চিত-উবুৰি কৰি সুন্দৰ কৰি কিছো ওপৱলৈ আনিব, ইহাকে দণ্ডপক্ষ নাম হস্ত বুলি ॥ যদিবা হংসপক্ষ হস্ত দুইক দুই পাশলৈ মেলিয়া হিয়াৰ আগলৈ আনি কেৱা খুৱাই পুনৰ্ব্বাৰ দুই পাশলৈ মেলে, ইহাকে দণ্ডপক্ষ নাম হস্ত বুলি ॥২৩॥০॥

॥ গৰুড়পক্ষ হস্ত ॥

গৰুড়পক্ষো যথা ॥

ত্রিপতাকাৱধোৱক্ত্রৌ কিঞ্চিৎকুঞ্চিতকূর্পৰৌ।
তির্যক্প্রসাৱিতৌ হস্তৌ ভৱেদ্গৰুড়পক্ষকঃ ॥ ৮৯১॥শ্রীঃ২৪॥

যদি ত্রিপতাক হস্ত দুইক কিছো কিলাকুড়ি কোঁচায়া দুই পাশলৈ মেলে, ইহাকে গৰুড়পক্ষ নাম হস্ত বুলি ॥২৪॥

*কুণ্ডপক্ষ ইতি মূলপাঠঃ। দণ্ডপক্ষ ইতি নাট্যশাস্ত্রধৃতপাঠঃ।

॥ অলপদ্মোন্নত হস্ত ॥

অলপদ্মোন্নতো যথা ॥

ঊর্ধ্বপ্রসাৱিতৌ হস্তাৱলপদ্মৌ ব্যৱস্থিতৌ ।
অলপদ্মোন্নতো নাম্না কৱো ৱসিকসম্মতঃ ॥ ৮৯২॥ শ্রীঃ ২৫॥

যদি অলপদ্ম হস্ত দুইক ওপৱলৈ তোলে, ইহাকে অলপদ্মোন্নত নাম হস্ত বুলি ॥ যদিবা অলপদ্ম হস্ত দুইক কিছু ওপৱলৈ তুলি বাৱম্বাৱ দুই পাশলৈ নিয়ে, ইহাকো অলপদ্মোন্নত নাম হস্ত বুলি ॥২৫।

॥ উত্তানৱেচিত হস্ত ॥

উত্তানৱেচিতো যথা ॥

ত্রিপতাকৌ যদা হস্তৌ তির্যগ্‌ভাৱৱিনিঃসৃতৌ।
কুঞ্চিতৌ কূর্পৱৌ স্যাতাং কৱ উত্তানৱেচিতঃ ॥৮৯৩॥শ্রীঃ২৬॥

যদি ত্রিপতাক হস্ত দুইক দুই পাশলৈ মেলিয়া কিছু কিলাকুড়ি কোঁচাই, ইহাকে উত্তানৱেচিত নাম হস্ত বুলি ॥২৬॥

॥ নলিনীপদ্মকোষ হস্ত ॥

নলিনীপদ্মকোশো যথা ॥

উত্তানৌ জানুসন্ধানৌ সকম্পং পৱিৱর্তিতৌ ।
পদ্মকোশৌ কৱৌ খ্যাতৌ নলিনীপদ্মকোশকঃ ॥ ৮৯৪॥ শ্রীঃ ২৭॥

যদি পদ্মকোষ হস্ত দুইক চিত কৱি দুই আঁঠুৱ সমীপত কম্পায়া অনা-নিয়া কৱে, ইহাকে নলিনীপদ্মকোষ নাম হস্ত বুলি ॥ যদিবা পদ্মকোষ হস্ত দুইক ওপৱৱপৱা কম্পায়া দুই জানুৱ সমীপলৈ নিয়ে, ইহাকে নলিনীপদ্মকোষ নাম হস্ত বুলি ॥২৭॥

নৃত্তহস্ত সমাপ্ত হৈল ॥০॥

॥ আৰু যৎকিঞ্চিৎ ॥

অথেদানীমন্যৎ কিঞ্চিদুচ্যতে যথা ॥

শীতার্তে স্তম্ভিতে গ্লানৌ নিশ্চেষ্টে যন্ত্রিতে তথা ।
ৱিষণ্ণে মূর্ছিতে সুপ্তে ৱিত্রস্তে শোকপীড়িতে ॥ ৮৯৫ ॥

এখন অপৱ কিছু কহি ॥

জাৱ-পীড়িত জনত, স্থিৱ জনত, দুঃখত বন নকৱা জনত, যত্ন কৱা জনত, বিষাদে যুক্ত জনত, মূর্চ্ছিতত, শয়ন কৱা জনত, ত্রাসে যুক্ত জনত, শোক-পীড়িত জনত,

কালগ্রস্তে জৱার্তে চ জড়ে হৃতে জুগুপ্সিতে ।
তপস্বিনি তথা গুপ্তে তথাত্যুগ্রে ভয়ঙ্কৱে ॥ ৮৯৬ ॥

কালে গ্রাসিত জনত, অতি বৃদ্ধত, জড়ত, কিলনত, নিন্দিতত, তপস্বীত, গুপুতত, অতি উগ্রত, ভয়ঙ্কৱত,

মত্তে প্রমত্তে চোন্মত্তে চিন্তায়ামপি পীড়িতে ।
তর্জনে লোটনে ছেদে তথাহ্ৱানে চ ৱেদনে ॥ ৮৯৭ ॥

মদাহীত, অসাৱধানীত, বাতুলত, চিন্তাত, পীড়িতত, গালি-পাৱণত, বাগড়নত, ছেদনত, মাতনত, জাননত,

উৎক্ষেপণে চ ঘটনে নিগ্রহে চ পৱিগ্রহে ।
দোলানামীক্ষণে চৈৱ কম্পনে পৱিকর্ষণে ॥ ৮৯৮ ॥

ওপৱলৈ তোলনত, চেষ্টাত, নিগ্রহত, স্বীকাৱকৱণত, দোলাৱ দর্শনত, কম্পনত, টাননত,

ৱিসর্জনে ৱক্ষণে চ নিয়োগে তাড়নে তথা ।
হর্ষোদয়েঽল্পহাসে চ কটাক্ষাদিকামাচনে ॥ ৮৯৯ ॥

ৱিসর্জ্জনত, ৱক্ষণত, আজ্ঞাত, তাড়নত, হর্ষৱ উদয়ত, অল্প হাস্যত, কটাক্ষাদিকৱণত,

উৎকণ্ঠায়াং ভেদনে চ ধৈর্যেঽঙ্গমর্দনে তথা ।
হস্তেনাভিনয়ঃ কার্য এতেষু নৃত্যকাৱিণা ॥ ৯০০ ॥

উৎসুকত, বিদাৱণত, ধৈর্য্যত, অঙ্গৱ মর্দ্দনত, এহিসকলক নৃত্যকাৰী জনে সেহি সেহি হস্তেৰে দেখাব ॥

নৃত্যে কৰাণাং শুদ্ধানাং প্রয়োগে যৎ ফলং ভৱেৎ।
উক্তং স্বয়ং ব্রহ্মণৈৱ লিখিতন্তু নিগদ্যতে ॥ ৯০১ ॥

নৃত্যত হস্তসকলক শুদ্ধ কৰি দেখালে যি ফল হয়, ইহাকে ব্রহ্মাদেৱে আপুনি লেখি আছে ॥ সেহি ফলক আমি নিৰূপণ কৰি ॥ ০ ॥

নর্তকানাং ভৱেল্লক্ষ্মীর্নিশ্চলা সততোজ্জ্বলা।
কীর্তির্দিগন্তৱং যাতি পুত্রপৌত্রৱসোচিতঃ ॥ ৯০২ ॥

নর্ত্তকসকলৰ নিশ্চলা লক্ষ্মী হয়, সততে উজ্জ্বল কীর্ত্তিও দিশে দিশে যাই, পুত্রপৌত্রাদিৱো শোকক নলভে ॥ ০ ॥

সর্ৱলোকানুৱাগশ্চ নৃপচিত্তে সদা স্থিতিঃ।
সদা পুষ্টিস্তথা তুষ্টিস্তথা গোষ্ঠ্যাং প্রগল্‌ভতা ॥ ৯০২ক ॥

সর্ব্বলোকৰ অনুগ্রহৰ পাত্র হয়, সদায়ে ৰাজাৰ চিত্ততো স্থিতি লভে, সদায়ে পুষ্টি গুণে নিবাস কৰে, সন্তোষকো লভে, গোষ্ঠীতো প্রগল্‌ভভাৱক লভে,

ইন্দ্রাদিদেৱৱৃন্দস্য দেৱর্ষিনিৱহস্য চ।
সৱস্ৱত্যাঃ শিৱস্যাপি প্রিয়তা নাত্র সংশয়ঃ ॥ ৯০৩ ॥

ইন্দ্রাদি দেৱতাসকলৰ, দেৱঋ ষিসকলৰ, সৱস্বতীৰ, মহাদেৱৰ, এই সকলৰ প্রিয় হয় ॥

প্রেক্ষকানাং সদস্যানাং প্রীতির্ৱৃদ্ধির্গৱীয়সী।
যদ্ যদ্ ৱাঞ্ছতি মনসা পূৱয়েত্তন্মহেশ্ৱরঃ ॥ ৯০৪ ॥

অৱলোকন কৰোঁতা সভাসদসকলৰো গৰিষ্ঠৰূপে প্রীতি-বৃদ্ধি হয়, সেই সেইসকলকো মনে বাঞ্ছা কৰে, তাকো মহাদেৱে পূৱণ কৰে ॥০॥

নায়কানাং যদা নৃত্যে সম্যগ্‌ৱুদ্ধির্হি নিত্যশঃ।
সংগ্রামে চ ৱিনা যুদ্ধং ৱিপূণাং স্যাৎ পলায়নম্ ॥ ৯০৫ ॥

যি কালত অধিকাৰীসকলৰ সদায়ে শুদ্ধৰূপে মতি নৃত্য বিষয়ত

হয়, সেহি কালত সেহি অধিকাৰীসকলৰ যুদ্ধ ব্যতিৰেকে শত্রুসকল ভঙ্গ হয় ॥০॥

তেষাং খড়্গে সদা চণ্ডী ৱথে ৱক্ষাকৱঃ শিৱঃ।
হৃদি লক্ষ্মীর্যশো মূর্দ্ধ্নি মুখে সাক্ষাৎ সৱস্ৱতী ॥
ৱিভৱঃ প্রৱলস্তেষাং রুদ্রসন্তোষৱর্দ্ধিতঃ ॥ ৯০৬ ॥

আৰ সেহি অধিকাৰীসকলৰ খড়্গত চণ্ডী নিৱাস কৰে, ৱথত মহাদেৱে সদায়ে ৱক্ষা কৰি থাকে, হৃদয়ত লক্ষ্মী, শিৱত যশস্যা, মুখত সৱস্বতী সদায়ে থাকে, আৰ মহাদেৱ সন্তোষ হয়া প্রৱল ঐশ্বর্য্যকো দিয়ে ॥

নর্তকাঃ প্রেক্ষকাশ্চৈৱ নায়কাশ্চ যথাক্রমাৎ।
আপ্নুৱন্তি যদা সৌখ্যং ক্ষিতৌ হৱস্য তোষণাৎ ॥ ৯০৭ ॥

এমতপ্রকাৰে নর্ত্তকে, সভাসদে, অধিকাৰীসকলে মহেশৰ সন্তোষৰ হেতুৱে পৃথিৱীত সন্তোষ লভিয়া

পশ্চান্নানাসুখং ভুক্ত্ৱা শিৱসন্তোষকাৱণাৎ।
গন্ধর্ৱলোকে মোদন্তে ৱিলাসৈর্নিখিলৈর্যুতাঃ ॥ ৯০৮ ॥

পাছে নানা সুখ ভুঞ্জিয়া অন্ত-কালত বিলাস-যুক্ত হৈয়া গন্ধর্ব্বলোকত আনন্দ হৈয়া বহে ॥ ০ ॥

নিৱন্ধুং শক্যতে নূনং শার্দূলস্রগ্ধৱাদিভিঃ।
সর্ৱেষাং সুখৱোধায় তদৈষা নৈৱ জায়তে ॥ ৯০৯ ॥

যদি শার্দূলৱিক্রীড়িত স্রগ্‌ধৱা আদি ছন্দেৰে নিৱন্ধ কৰোঁ, তেৱে এহি হস্তমুক্তাৱলী সকলৰে সুখ-বোধৰ নিমিত্তে নহে ॥ ০ ॥

তস্মাদেৱ ময়া ছন্দোঽনুসাৱেণানুৱন্ধিনা।
হস্তমুক্তাৱলী সেয়ং নিৱদ্ধা ৱিশ্ৱৱল্লভা ॥ ৯১০ ॥

এতেকে অনুষ্টুপ্ ছন্দ অনুসাৱে হস্তমুক্তাৱলী কৰি আছি, এতেকে সকলৰ সুলভ হৈ আছে ॥ ০ ॥

যত্নাৎ সঙ্গীতশাস্ত্রানি ৱিলোক্য নিখিলান্যপি।
ৱচিতাং ভাৱতীমেতামাদ্রিয়ন্তু ৱিচক্ষণাঃ * ॥ ৯১১ ॥

প্রযত্ন কৱিয়া নানা সঙ্গীতশাস্ত্রসকলক অৱলোকন কৱিয়া যে হস্তমুক্তাৱলী কৱি আছি, সেই হস্তমুক্তাৱলী ৱিচক্ষণসকলে স্ৱীকাৱ কৱোক ॥ ০ ॥

যে যে হস্তকশাস্ত্রজ্ঞাঃ কুযিনৱমহত্তৱাঃ।
তেঽনুগৃহ্ণন্তু পৱয়া † মুদা মদ্ভাৱতীমিমাম্ ॥ ৯১২ ॥

যে হস্তশাস্ত্রক জানোতা কুযিনৱ দেশৱ মহন্তসকল, সিসকলে সন্তোষ হৈয়া এহি হস্তমুক্তাৱলীক অনুগ্রহ কৱোক ॥

মাসেনৈকেন হস্তজ্ঞঃ কৱণীয়ো জনো ময়া।
ইতি প্রতিজ্ঞাং কুৰুতে হস্তমুক্তাৱলী স্ৱয়ম্ ॥ ৯১৩ ॥

হস্তমুক্তাৱলী এমত প্রতিজ্ঞা কৱি আছে, আমি এক মাসৱ অভ্যন্তৱত উপাসক জনক হস্তক জানোতা কৱিব পাৱোঁ ॥ ০ ॥

যে গন্ধর্ৱকলাৱতাৱ কলনাচ্চেতাংসি ভূমীভুজাম্।
আহর্তুং নিতৱাং ৱিনোদৱিহৱাৎ কাঙ্ক্ষন্তি নৃত্যোদিতাৎ ॥
যে ৱা স্ৱীয়ৱিলাসমপ্যৱিৱতং ৱাঞ্ছন্তি নৃত্যোদিতং।
নিত্যং তে ৱিনিৱেশয়ন্তু হৃদয়ে শ্রীহস্তমুক্তাৱলীম্ ॥ ৯১৪ ॥

যে জন সকলো নৃত্যজাত ৱিনোদ-ৱিহাৱৱ দ্ৱাৱায়ে গীত-ৱসৱ দেখাওনৱ দ্ৱাৱাও সদায়ে ৱাজাসকলৱ চিত্তক আহৱণ কৱিৱাক প্রতি ৱাঞ্ছা কৱে, যিৱা সকলে নৃত্য-জাত ৱিলাসসকলক সদায়ে আপোনাৱ নিমিত্তে ৱাঞ্ছা কৱে, সেহিসকলে শ্রীহস্তমুক্তাৱলীক হৃদয়ত সদায়ে নিৱেশ কৱোক ॥

ক্ষোণ্যাঞ্চানুদিনোৎসৱায় ৱিদুষাং ৱামভ্রুৱঃ প্রেয়স্যাং।
তত্তন্মৎসৱচেতসামপি মুহুর্দাহায় লৌহাত্মনাম্।
উল্লাসায় ৱিলাসিনামভিনয়স্ৱাধ্যাপকানাং যশো-
ৱৃদ্ধ্যৈ নর্তনৱর্ধনায় জয়তি শ্রীহস্তমুক্তাৱলী ॥ ৯১৫ ॥

* ভাৱতীমেতামাদিতৱিচক্ষণৈঃ ইতি মূলপাঠঃ। † পৱমাং ইতি মূলপাঠঃ।

ৱিদ্ৱন্তসকলৱ, কামিনীপ্রিয়সকলৱ, পৃথিৱীত প্রতি দিন উৎসৱৱ নিমিত্তে, আৱ লোহাৱ সদৃশ কঠিন পৱম শুভ-দ্ৱেষী এনয় বুদ্ধি সহিত জনসকলৱ ৱাৱম্ৱাৱ সন্তাপৱ নিমিত্তে, আৱ ৱিলাসীসৱৱ উল্লাসৱ নিমিত্তে, আৱ এহি গ্রন্থৱ অধ্যাপকসকলৱ যশস্যাৱ নিমিত্তে, আৱ নৃত্যক ৱঢ়াৱৱ নিমিত্তেও শ্রীহস্তমুক্তাৱলী জয়যুক্ত হৈয়াছে ॥ ০ ॥

সন্ধিঃ সর্ৱমহীভুজাং ৱিজয়িনাং কীর্তিশ্চিৱং ৱর্ধতাং।
সন্তঃ সন্তু নিৱাপদঃ সুকৃতিনাং কীর্তিশ্চিৱং ৱর্ধতাম্ ॥
নীতির্ৱাৱৱিলাসিনীৱ সততং ৱক্ষঃস্থলে সংস্থিতা।
ৱক্ত্রং চুম্বতু মন্ত্রিনামহৱহঃ সম্মোদপূর্ণাননা ॥ ৯১৬ ॥

এখন শুভঙ্কৱ কৱি গ্রন্থৱ সমাপ্তিত নৃপাদিৱ আশীর্ৱ্ৱাদ ৱিধান কৱে ঃ সমস্তে জয়যুক্ত ৱাজাসকলৱ পৱস্পৱে মৈত্রী ৱাঢ়োক, কীর্ত্তিও ৱাঢ়োক, সন্তসকলৱো আপদ নষ্ট হোক, পুণ্যৱন্তসকলৱো কীর্ত্তিৱৃদ্ধি হোক, নীতিও ৱেশ্যা স্ত্রীৱ সদৃশ আনন্দে পূর্ণৱদন হৈয়া সর্ৱ্ৱদায়ে হৃদয়ত আশ্লেষ কৱিয়া প্রতি দিৱসে মন্ত্রীসকলৱ ৱদনক চুম্বন কৱোক ॥ ০ ॥

॥ ০ ॥ ইতি শ্রীহস্তমুক্তাৱলী সমাপ্তা ॥ ০ ॥

॥ ০ ॥ শ্রীৱামচন্দ্রায় নমো নমঃ ॥ ০ ॥

ৱৈশাখৱ তিনি দিন যাওঁতে শুক্রৱাৱে ৱামনৱমী তিথি শুক্লপক্ষত শ্রীহস্তমুক্তাৱলী সমাপ্ত ॥ ০ ॥


॥ সুচন্দ ৱাই ওঝাৱ পুস্তক ॥ লিখকৱ জগৱা নাম ॥

॥ সুচন্দ ৱাই ওঝাৱ পুস্তক ॥


॥ চিত্রাবলী ॥




॥ পতাক ॥



॥ পদ্মকোষ ॥




॥ হংসমুখ ॥




॥ কর্ত্তরীমুখ ১ ॥

॥ ফলক ১ ॥




॥ কর্ত্তরীমুখ ২ ॥



॥ অলপদ্ম ॥




॥ ত্রিপতাক ॥



॥ মুষ্টিক ॥


॥ ফলক ২ ॥



॥ শিখর ॥




॥ অর্দ্ধচন্দ্র ১ ॥



॥ অর্দ্ধচন্দ্র ২ ॥

॥ ফলক ৩ ॥



॥ সর্পশিরা ॥



॥ সূচীমুখ ॥




॥ খটকামুখ ॥




॥ অবাল ॥

॥ ফলক ৪ ॥



॥ শুকতুণ্ড ॥



॥ সন্দংশ ॥



॥ কাঙ্গুল ॥




॥ উর্ণনাভ ॥

॥ ফলক ৫ ॥



॥ কপিত্থ ॥



॥ মৃগশীর্ষ ॥




॥ হংসপক্ষ ॥



॥ তাম্রচূড় ॥


॥ ফলক ৬ ॥



॥ চতুর ॥



॥ মুকুল ॥




॥ ভ্রমর ॥




॥ চলন্ত মধুকর ॥


॥ ফলক ৭ ॥



॥ কদম্ব ॥




॥ কৃষ্ণসারমুখ ॥



॥ ঘ্রোণিক ॥




॥ সিংহাস্য ॥




॥ অঙ্কুশ ॥



॥ গজদন্ত ॥



॥ তন্ত্রীমুখ ॥



॥ কপোত ॥




॥ বর্দ্ধমান ॥



॥ অঞ্জলি ॥




॥ নিষধ ॥



॥ কর্কট ॥



॥ উৎসঙ্গ ॥



॥ মকর ॥




॥ অরহিথ ॥




॥ স্বস্তিক ॥




॥ দোল ॥



॥ পুষ্পপুট ॥



॥ মৰাল ॥



॥ খটকাবৰ্দ্ধমান ॥

॥ ফলক ১২ ॥

MANGALDAI COLLEGE
LIBRARY

G1637A
MANGALDAI COLLEGE CENTRAL LIBRARY